# Centre for Studies in Social Sciences, Calcutta

## Documentation of rare Assamese books in collaboration with Assam Sahitya Sabha, Jorhat and the Ford Foundation: microfilmed and digitised in October 2006

| | |
|---|---|
| Record No: 2006/ 109 | Language of work: Assamese |
| Author (s) / Editor (s): Biswanarayan Sastri | |
| Title: অসম সাহিত্য সভা পত্ৰিকা | |
| Transliterated Title: Asama Sahityaya Sabhaa Patrika | |
| Translated Title: Magazine of Asam Sahitya Sabha | |
| Place of Publication: Jorhat | Publisher: Asam Sahitya Sabha |
| Year: ~~1965 (1885 Sak)~~ 1963 (1885) | Edition: |
| Size: 23½ cms. 64+54+105 pages | Genre: Magazine |
| Volumes: 22 - 3 issue | Condition of the original: Brille |
| Remarks: Jlht - 1st vol. published in the year 1927 and has been continuing. | |
| Holding institute: Assam Sahitya Sabha, Jorhat | Microfilmed and digitised by: Centre for Studies in Social Sciences, Calcutta, 2006. |

| | | |
|---|---|---|
| Microfilm Roll No: | From gate: | To gate: |

নং ২১৩৭/৩৮/৩২ (১৭)
তাং ২/৩/২০০১

১২৩৭/৩৮/৩৯ (সা)
১/৩/২০০১

অসম সাহিত্য সভা পত্ৰিকা

# সূচীপত্ৰ


আহোম ভাষাত আহোম ৰজাদিনীয়া বিষয়—শ্ৰীসৰ্ব্বানন্দ ৰাজকুমাৰ ... ১

কালিদাসৰ কাব্যত কৰ্ম্মযোগৰ আদৰ্শ—ডঃ মুকুন্দমাধৱ শৰ্ম্মা ... ৬

তীৰ্থ ভ্ৰমণ : কেদাৰ-বদৰী—পণ্ডিত ৺প্ৰতাপচন্দ্ৰ গোস্বামী বিদ্যাবিনোদ, ধৰ্ম্ম ভূষণ ... ১৫

আহোম গদ্যসাহিত্য : অসমীয়া ভাষাত আহোম শব্দ—শ্ৰীবিমলাকান্ত বৰুৱা ... ২১

টমাছ মান : যশস্বী কথাশিল্পী—শ্ৰীভাৰতচন্দ্ৰ পাঠক ... ... ৩১

অসমীয়া ভাগৱতী ধৰ্ম্মত ৰাধা-প্ৰসঙ্গ—শ্ৰীশুক্ৰেশ্বৰ বৰা ... ... ৩৫

এখন পুৰণি অসম বুৰঞ্জী—শ্ৰীলীলা গগৈ ... ... ৩৯

অসম সাহিত্য সভাৰ কাৰ্য্য নিৰ্ব্বাহক সমিতিৰ অধিবেশন—প্ৰধান সম্পাদক ... ৪১

অসম সাহিত্য সভাৰ ১৯৬৩-৬৪ চনৰ আয়-ব্যয়ক ... ... ৫১

সম্পাদকীয় ... ... ৬৩


---

# অসম সাহিত্য সভা পত্ৰিকা

দ্বাবিংশ বছৰ | ১৮৮৫ শক, বহাগ—শাওণ | প্ৰথম সংখ্যা

## আহোম ভাষাত আহোম ৰজাদিনীয়া বিষয়

শ্ৰীসৰ্ব্বানন্দ ৰাজকুমাৰ

অতীজত আহোমসকল টাই ভাষাভাষী লোক আছিল। তেওঁবিলাক অসমলৈ অহাৰ পাচত কালক্ৰমত নানান কাৰণত তেওঁবিলাকৰ মাজত টাই ভাষাৰ প্ৰচলন কমি গল আৰু ৰাজকাৰ্য্য সুচাৰুৰূপে চলাবৰ অৰ্থে স্বৰ্গদেৱসকলে অসমীয়া ভাষাক ৰাষ্ট্ৰ-ভাষাৰূপে স্বীকৃতি দিলে। প্ৰথমে আহোম ৰজাৰ ৰজাঘৰীয়া বিষয়বিলাকৰ নামকৰণ টাইভাষাত আছিল। চাও লুঙ্ ছুকাফাৰ তলত অহা টাইসকলে এই দেশত আহোম নাম পালে আৰু তেওঁলোকৰ টাই ভাষাও আহোম ভাষা বুলিহে জনাজাত হল। সেই বিষয়বিলাকৰ কিছুমান বিষয়ৰ নামকৰণ অসমীয়া ভাষালৈ অনুবাদ হল, কিছুমান নামকৰণ টাই [আহোম] ভাষাতে ৰল আৰু কিছুমান নামকৰণৰ মূল টাই শব্দ লোপ পালে। তলত টাই শব্দৰপৰা অসমীয়া শব্দলৈ অনুবাদ কৰা কিছুমান শব্দ দিয়া হল। তালিকাৰ প্ৰথম শব্দটো টাই [ আহোম ] ভাষাত লেখি ৰন্ধনীৰ ভিতৰত টাই শব্দৰ অসমীয়াত প্ৰতিশব্দ আৰু পাছত সেই শব্দৰ অসমীয়া শব্দ দিয়া হৈছে। এটা টাই শব্দৰ অৰ্থ অসমীয়া ভাষাত কেইবাটাও হয়। অৰ্থ অনুসৰি টাই ভাষাৰ একে বানানযুক্ত শব্দৰ উচ্চাৰণ পৃথক হয়। তলত দিয়া ব্যাখ্যা নিৰ্ভুল নহব পাৰে। ভাষাবিদ্ পণ্ডিতসকলে অনুগ্ৰহ কৰি, শুধৰাই দিলে পৰম বাধিত হম।

১। চাও-ফা। [ চাও = ঈশ্বৰ, ৰজা, দেৱতা। ফা = স্বৰ্গ, ৰজা, ঈশ্বৰ। ] চাও-ফা মানে ফাৰ অৰ্থাৎ স্বৰ্গৰ চাও অৰ্থাৎ ৰজা বা দেৱতা। এতেকে স্বৰ্গদেৱ। আহোম ৰজা স্বৰ্গৰাজ লেঙ্দনৰ বংশধৰ। স্বৰ্গৰাজ লেঙ্দনে তেওঁৰ নাতিনিয়েক খুন্লুঙ্ [ বৰ ৰাজকুমাৰ ] আৰু খুন্ লাইক [ সৰু ৰাজকুমাৰ ] লগত খুন্-বান্ [ সূৰ্য্যবংশী ], খুন্-তুন্ [ চন্দ্ৰবংশী ] আৰু দেৱগুৰু লাওখ্ৰী আৰু পুজাকজিৰ বংশধৰসকলক আৰু খুন্ [ স্বৰ্গৰ ডাঙৰ মানুহ ] আৰু টাইসকলক [ স্বৰ্গত

জন্ম ধাৰণ কৰাসকল ] দি পৃথিৱীত ৰজা হবলৈ নমাই পঠাইছিল। তেওঁলোকে ৫৬৮ খৃঃত মুঙ্-ৰি-মুঙ্-ৰামত [ মুঙ্ = দেশ। ৰি = পৰিত্যক্ত। মুঙ্ = দেশ। ৰাম = জনশূন্য। ] ৰাজ্য স্থাপন কৰিলে। তেওঁলোকৰ বংশধৰ চাও লুঙ্ ছুকা ফাই ১২২৮ খৃঃত অসমত আহোম সাম্ৰাজ্যৰ ভেটি স্থাপন কৰিলে। আহোম ৰজাসকলৰ টাই ভাষাৰ নামৰ লগত "চাও-ফা" শব্দ আৰু অসমীয়া ভাষাৰ নামৰ লগত সেই শব্দৰ অনুদিত শব্দ "স্বৰ্গদেৱ" যোগ হৈছিল। সৰ্ব্বসাধাৰণতে আহোম ৰজাক "স্বৰ্গদেৱ ঈশ্বৰ" বুলিছিল। পণ্ডিতসকলে মোগল সম্ৰাটক "দিল্লীশ্বৰো বা জগদীশ্বৰো বা" বুলিছিল। ভাৰতৰ প্ৰায় হিন্দু-ৰজাই নিজক হিন্দুৰ কোনো এক দেৱতা বা পৌৰাণিক বীৰৰ বংশধৰ বুলি চিনাকি দিয়ে।

২। চাও। [ চাও = ঈশ্বৰ, দেৱতা, গৰাকী, ডাঙৰ, বৰ। ] Sir E. A. Gait চাহাবৰ মতে "গোহাঁই" শব্দ "চাও" শব্দৰ অনুবাদ। "The word Gohain, the title of the original three great officers of state, is also a translation of the Ahom Chao. In the first instance, the word was Gosain, but the Ahoms pronounced as Sash, and the spelling was altered accordingly." [A History of Assam E A. Gait. P.240] অসমীয়াত ঈশ্বৰক গোসাঁইও বোলে। টাই "চাও" শব্দই ঈশ্বৰকো বুজায়। "অসম" শব্দ "অহম" আৰু পাছত "আহোম" হোৱাবদৰে "গোসাঁই" শব্দও "গোহাঁইলৈ" ৰূপান্তৰিত হব পাৰে। টাই ভাষাত "স" নাই "হ" হে আছে। এতেকে "গোসাঁই" শব্দ গোহাঁইলৈ ৰূপান্তৰিত হোৱা আচৰিত নহয়। আহোম সকলৰ ভিতৰত ৰজা, বুঢ়াগোহাঁই, বৰগোহাঁই আৰু বৰপাত্ৰ গোহাঁই ঘৰ সৰ্ব্বোচ্চ। এই কেই-ঘৰৰ পুৰুষসকলক "গোহাঁইদেও" বোলে। "গোহাঁই" কোনো বিষয় নহয়; কিন্তু গোহাঁই কেই ঘৰৰ কাৰণে আছুতীয়াকৈ ৰখা কিছুমান বিষয়ৰ পাছত "গোহাঁই" শব্দ লগলগোৱা হয়। ইয়াৰ উদাহৰণ তলত দিয়া হৈছে।

৩। কুকৈ। [ কুকৈ—মৰমৰ সৰু লৰা। ] "কুকৈ" শব্দ কালক্ৰমত ৰূপান্তৰিত হৈ "গগৈ" হৈছে বুলি কোনো কোনোৱে মত প্ৰকাশ কৰে। আহোম সকলৰ বহুত খেল আছে। এই খেলবিলাক উচ্চ-নীচ হিচাপে ভগোৱা। গোহাঁই কেইখেলৰ নামনাচ কিছুমান খেলৰ পুৰুষক "গগৈ" বোলে। "গগৈদেও" সম্বোধন ধৰা শব্দহে। ই কোনো বিষয় নহয়। আহোমসকলৰ বহুতে আজিও লৰাৰ নাম "কুকৈ" ৰাখে।

৪। (ক) চাও-ফ্ৰুঙ্-মুঙ্। [ ফ্ৰুঙ্ = বিস্তৃত। মুঙ্ = দেশ। ] বিস্তৃত দেশৰ ঈশ্বৰ বা গৰাকী।

(খ) চাওফুল-লুঙ্। [ ফুল = সভা ভঙ্গা। লুঙ = বৰ। ] ডাঙৰ সভা ভঙ্গা দেৱতা।

(গ) চাও ফ্-ফ্ৰুঙ্। [ ফু = স্বামী। ] বৰ ডাঙৰ গৰাকী। এই তিনিওটা টাই শব্দই বুঢ়াগোহাঁই খেলৰ পৰা যিজন "মন্ত্ৰী বুঢ়াগোহাঁই" হয় সেইজনক বুজায়। বুঢ়াগোহাঁই, বৰ গোহাঁই আৰু বৰপাত্ৰ গোহাঁই আহোমৰ তিনটা খেল। এই তিনি খেলৰ সামাজিক স্থান সমান আৰু ৰজাঘৰৰ পাছতে। এই তিনি খেলৰ একোজন উপযুক্ত পুৰুষক বাছি তিনিজন মন্ত্ৰী পাতিছিল। প্ৰত্যেক খেলৰ নাম অনুসৰিয়েই প্ৰত্যেকজন মন্ত্ৰীৰ বিষয়ৰ নামো হৈছিল। প্ৰত্যেক-জন মন্ত্ৰীৰেই একোখন স্বকীয়া বিলাত আছিল। সেই বিলাতৰ তেওঁ শাসনকৰ্ত্তা আছিল। তিনিজন মন্ত্ৰীৰ ভিতৰৰপৰা এজন ৰাজ-মন্ত্ৰী বাছি লৈছিল। ৰাজ-মন্ত্ৰীয়ে নিজ বিলাতৰ বাহিৰে জকাইচুক নামে বিলাতো ভোগ কৰিছিল। তেওঁবিলাকেই ৰাজ্যৰ ঘাই ধৰণী আছিল। তেওঁলোক তিনিও কোনো বিষয়ত একমত হলে সেই মত কোনেও নাকচ বা লৰচৰ কৰিব নোৱাৰিছিল আৰু তেওঁলোক একমত হলে ৰজাকো ভগ্তাপতা কৰিব পাৰিছিল। তেওঁ বিলাক নিজ বিলাতৰ শাসক, বিচাৰক আৰু সৈন্যাধ্যক্ষ আৰু ৰাজসভাৰ মন্ত্ৰী। আৱশ্যক হলে তেওঁবিলাকে ৰাজ-সৈন্যৰ সৈন্যাধ্যক্ষ হৈ যুদ্ধলৈয়ো যাব লাগিছিল। তেওঁলোকক "ডাঙৰীয়া" বোলা হৈছিল। "চাও" শব্দৰ অসমীয়াত প্ৰতিশব্দ "ডাঙৰীয়া"ও হব পাৰে। তেওঁলোকে ইজনে সিজনক "আপ" বুলি সম্বোধন ধৰিছিল। প্ৰজা সাধাৰণে তেওঁবিলাকক "দেউতা ঈশ্বৰ" বুলি সম্বোধন ধৰিছিল। বুঢ়া গোহাঁইসকল খুনবান অৰ্থাৎ সূৰ্য্যবংশী। থাও-মূ-ক্লিঙ্-লুঙ্-মাঙ্-ৰাই [ ১২২৯—৬৮ খৃঃ ] প্ৰথম বুঢ়া গোহাঁই আছিল।

৫। (ক) চাও-থাও-লুঙ্। [ থাও = বুঢ়া অৰ্থাৎ সম্মাননীয় বা জ্ঞানবৃদ্ধ। ] ডাঙৰ সম্মাননীয় দেৱতা।

(খ) থাও-মুঙ্-লুঙ্। ডাঙৰ দেশৰ সম্মাননীয় পুৰুষ।

(গ) থাও-থুম-লুঙ্। [ থুম্ = বৰবেচি। ] বৰবেচি সম্মাননীয় পুৰুষ। এই তিনিওটা টাই শব্দই "মন্ত্ৰী বৰগোহাঁই"ক বুজায়। বৰগোহাঁইসকল খুনতুন্ অৰ্থাৎ চন্দ্ৰবংশী। থাও-মুঙ্ ফা-লঙ্ [ ১২২৯—৯০ খৃঃ ] প্ৰথম বৰগোহাঁই আছিল।

৬। চাও-ছেঙ্-লুঙ্। [ ছেঙ্ = পৱিত্ৰ। ] বৰ পৱিত্ৰ দেৱতা। [ ছেঙ্-লুঙ্ = সিংহ। ] মহান সিংহ পুৰুষ। এই শব্দই মন্ত্ৰী বৰপাত্ৰ গোহাঁইক বুজায়। চাওফা [ স্বৰ্গদেৱ ] ছু-হুম্-মুঙে [ ১৪৯৭-১৫৩৯ খৃঃ ] নগা চাওত ডাঙৰ হোৱা তেওঁৰ মাহীমাকৰ পুতেক ক্লঙ্ ছেঙ্ক বৰপাত্ৰ গোহাঁই পাতি, তৃতীয় জন মন্ত্ৰীৰ বিষয় সৃষ্টি কৰিছিল। "ক্লঙ্ ছেঙ্" মানুহৰ মুখত পৰি "কনচেং" হল। এইঘৰ বৰপাত্ৰ গোহাঁইক "নগা বৰপাত্ৰ গোহাঁই" বোলে। এইঘৰ ৰাজবংশৰ পৰা বঢ়া। কনচেঙে কৰতোৱালৈকে দেশ জয় কৰিছিল। তেওঁক "মহান সিংহ পুৰুষ" বোলা যুক্তিযুক্ত।

৭। চাও ৰ-ঙেন্। এই শব্দই "সদিয়া খোৱা গোহাঁই"ক বুজায়। তেওঁ সদিয়াৰ শাসনকৰ্ত্তা আছিল। চুটিয়া ৰাজ্য জয় কৰাৰ পাচত সেই ৰাজ্য শাসন কৰিবলৈ এই বিষয় ১৫২৩ খৃঃত সৃষ্টি হৈাছল। চাও-ফ্ৰা-ছিঞ্-মুঙ্ বৰগোহাঁই প্ৰথম সদিয়া খোৱা গোহাঁই আছিল।

৮। চাও মা-ৰাঙ্-কি। [ মা-ৰাঙ্-কি = মৰঙ্গি। ] মৰঙ্গি খোৱা গোহাঁই। তেওঁ মৰঙ্গিৰ শাসনকৰ্ত্তা আছিল। ১৫৩১ খৃঃত কছাৰী ৰাজ্য আহোম সাম্ৰাজ্যত ভুক্ত কৰি, সেই ৰাজ্য শাসন কৰিবলৈ এই বিষয়ৰ সৃষ্টি হৈছিল। চুৰ্পা বৰচেটিয়া প্ৰথম মৰঙ্গি খোৱা গোহাঁই আছিল।

৯। চাওমুঙ্-ছাওলা। [ ছাওলা = সলাল। ] সলাল গোহাঁই। তেওঁ সলাল খণ্ড শাসন কৰিছিল। আহোম সাম্ৰাজ্য বাঢ়ি যোৱাত এই বিষয় সৃষ্টি হৈছিল। নগাঁৱৰ কলীয়াবৰ আৰু তেজপুৰ মহকুমাৰ চাৰিদুৱাৰ [ মঙ্গলদৈ মহকুমাৰ পূবৰপৰা ভৰলী নৈলৈ ] আৰু নদুৱাৰ [ ভৰলী নৈৰপৰা বৰগাং নৈলৈ ] সলাল গোহাঁইৰ এলেকাত পৰিছিল। বৰ্ত্তমান সলাল অঞ্চলৰ নাম চটিয়া থানাৰ সলাল গাঁৱে ৰাখিছে। তাত সলাল গোহাঁইৰ বংশধৰ-সকল এতিয়াও আছে। স্বৰ্গদেৱ ছুখাম্ ফাই [ ১৫৫২—১৬০৩ খৃঃ ] লেচাইডাং বৰগোহাঁইক সলাল গোহাঁই পাতিছিল।

সদিয়া খোৱা গোহাঁই, মৰঙ্গি খোৱা গোহাঁই আৰু সলাল গোহাঁই এই তিনিও জনক দাঁতিয়লীয়া গোহাঁই বুলিছিল আৰু তেওঁবিলাক সমপৰ্য্যায়ৰ বিষয়া আছিল।

১০। চাও-কাঙ্-বান্-ৰুক্। [কাঙ্ = মাজ। বান্ = গাঁও। ৰুক্ = ছয়।] বানৰুকীয়া গোহাঁই। তেওঁ বানৰুকৰ শাসনকৰ্ত্তা আছিল।

১১। চাও-টুঙ্-খাঙ্। [টুঙ্ = সমভূমি, ৰাজ্য, পথাৰ। খাঙ্ = সমান, কাষ।] তুঙ্‌খুঙীয়া গোহাঁই। তেওঁ টিংখাঙৰ শাসনকৰ্ত্তা আছিল। টিংখাং ডিব্ৰুগড় মহকুমাত আৰু জয়পুৰৰ নামনিত দিহিং নৈৰ বাওঁ পাৰে।

১২। চাও-ব-ক্লুঙ্। [ব = লোণপুং ক্লুঙ্ = স্তুতি।] মহঙ্গৰ গোহাঁই। লোণপুং থকা মহঙ্গ অঞ্চলৰ শাসনকৰ্ত্তা আছিল।

১৩। ফুকন্। [ফু = পুৰুষ। কন্ = ভাল অৰ্থাৎ গুণী আৰু মহৎ।] এতেকে গুণী মহৎ লোক। এই শব্দ অসমীয়া ভাষাতো "ফুকন" হয়েই বল। ফুকন দুবিধ—চ'ৰাৰ ফুকন আৰু চমুৱা ফুকন। আহোমৰ বাহিৰে আনক চ'ৰাৰ ফুকন নেপাতিছিল। চমুৱা ফুকন আহোম, অনা-আহোম দুয়োবোপৰা পাতিছিল।

১৪। ফুকন্-লুঙ্। [লুঙ্ = বৰ।] বৰফুকন। তেওঁ নামনি অসমত স্বৰ্গদেৱৰ ৰাজপ্ৰতিনিধি আছিল। লাঙ্গি পানীসিয়া [১৬১৭ খৃঃ] প্ৰথম বৰ ফুকন আছিল। আহোমৰ বাহিৰে আনে এই বিষয় ভোগ কৰিবলৈ নেপাইছিল।

১৫। ফুকন্ ফু-ছন্-ভিন্। [ছন = শিকোৱা। ভিন্ = শুনা।] ন্যায়সোধা ফুকন। তেওঁ আহোম সাম্ৰাজ্যৰ প্ৰধান বিচাৰক আছিল। অনা-আহোমে এই বিষয় ভোগ কৰিবলৈ নেপাইছিল।

১৬। ফুকন্ খাৰী। [খাৰী = খাৰ বাৰুদ।] খাৰঘৰীয়া ফুকন। তেওঁ খাৰ বাৰুদ, যুদ্ধৰ সজুলি আৰু যুদ্ধৰ হাতী আৰু ঘোঁৰাৰ তদাৰক লৈছিল। তেওঁ চমুৱা ফুকন।

১৭। ফুকন খু-আঙ্। [খু-আঙ্ = খোৱাং]। এই অঞ্চল ডিব্ৰুগড় টাউনৰ প্ৰায় ১৮ মাইল দক্ষিণ-পশ্চিমে খোৱাঙত এজন ফুকন আছিল।

১৮। ফুকন খে। [খে = জাল।] জালভাৰী ফুকন। জাল আৰু জালোৱাৰ অধ্যক্ষ আছিল।

১৯। ফুকন্ ফা-কুট। [ফা-কুট = ঢেকীয়া।] ঢেকীয়াল ফুকন। তেওঁ ৰাজধানীৰ এখন দুৱাৰত পহৰা দিছিল আৰু স্বৰ্গদেৱ চফৰলৈ গলে লগত গৈছিল। তেওঁ কিছুমান শিল্পীৰপৰা আৰু কিছুমান বাণিজ্য দ্ৰব্যৰ ওপৰত কৰ আৰু শুল্ক আদায় কৰিছিল। স্বৰ্গদেৱৰ নাচনীয়াৰৰ দলৰো তেওঁ তদাৰক লৈছিল।

২০। ফুকন্ বাও। [বাও-ডেকা।] ডেকা ফুকন। ডেকা ফুকন দুজন আছিল। এজন বৰ বৰুৱাৰ আৰু আনজন বৰফুকনৰ চ'ৰাৰ ফুকন আছিল।

২১। ফুকন্ বাইলুঙ্। [বাইলুঙ্ আহোমৰ এটি খেল। তেওঁবিলাকে আহোম মতেৰ জ্যোতিষ গণনা কৰে।] বাইলুঙ্ ফুকন বাইলুঙ্‌সকল তেওঁৰ তলত আছিল।

২২। ফুকন্ ম-ছাই। [ম-ছাই = পণ্ডিত, দেওধাই। দেওধাই আহোমৰ এটি খেল। দেওধাই সকলে আহোম মতে আহোমৰ দেৱ-দেৱীৰ পূজা কৰে।] দেওধাই ফুকন। দেওধাইসকল তেওঁৰ তলত আছিল। দেওধাই, মহন আৰু বাইলুঙ্ সকলৰ ভিতৰত আহোম ভাষাৰ চৰ্চ্চা আছে।

২৩। ফুকন্ ছি-ৰিঙ্। [ছি-ৰিঙ্ = চিৰিং। চিৰিং আহোমৰ এটি খেল। তেওঁবিলাক আহোমৰ পুৰোহিত আৰু বুৰঞ্জী লেখিছিল।] চিৰিং ফুকন তেওঁৰ তলত চিৰিংসকল আছিল।

২৪। ফুকন্ মৌ। [মৌ = নতুন।] ন ফুকন। পূৰ্ব্বে বৰফুকনৰ চ'ৰা আৰু বৰবৰুৱাৰ চ'ৰাত দুজনকৈ চ'ৰাৰ ফুকন আছিল। স্বৰ্গদেৱ ৰুদ্ৰ সিংহই [১৬৯৬-১৭১৪ খৃঃ] নিজ চ'ৰাৰ অৰ্থাৎ বৰবৰুৱাৰ



চ'ৰাৰ সন্মান ৰক্ষা কৰিবলৈ নতুনকৈ এজন ফুকন বৰবৰুৱাৰ চ'ৰাত যোগ দিলে।

২৫। ফুকন্ মামৃ। [মামৃ = তামোল।] তামূলী ফুকন। তেওঁ স্বৰ্গদেৱৰ চোঁলত থাকি স্বৰ্গদেৱৰ বাগিচাবিলাকৰ তদাৰক লৈছিল।

২৬। ফুকন্ জাম-ছু। [জাম্ = ধৰা। ছু = চোলা।] চোলাধৰা ফুকন। স্বৰ্গদেৱৰ বাগিচা, ঘৰ-দুৱাৰ, নাও, ঘোঁৰা, হাতী, গৰু, ম'হ, সাজ-সজ্জা চোলাধৰা ফুকনে তদাৰক কৰিছিল।

২৭। ফুকন্ ৰু। [ৰু = নাও।] নাওশলীয়া ফুকন। চোলাধৰা ফুকনৰ তলত থকা নাওবৈচাৰ বাহিৰে সকলোবোৰ নাওবৈচা, নাৱৰ সজুলি আৰু নাওঘৰিলি তেওঁৰ তলত আছিল।

২৮। ফুকন্ টুন্-ৰুঙ্-ডাম্। [টুন্-ৰুঙ্-ডাম্ = কলীয়াবৰ। নগাঁৱৰ শিলঘাটৰ চাৰিওফালৰ অঞ্চলকে কলীয়াবৰ বোলে।] কলীয়াবৰীয়া ফুকন। বোধ হয় তেওঁ সলাল গোহাঁইৰ তলত কলীয়াবৰ শাসন কৰিছিল।

২৯। ফুকন্ ৰাই-ডাঙ্। ৰাইডঙীয়া ফুকন। তেওঁ বৰকুঁৱৰীয়ে ভোগ কৰা ৰাইডঙীয়া মেলৰ ফুকন আছিল। তেওঁ গোটেই সাম্ৰাজ্যৰে দৌল দেৱালয় মেৰামত কৰোৱা আৰু সেই বিলাকত হিন্দু আৰু আহোম মতে পূজা কৰা পূজাৰ সামগ্ৰীৰো তদাৰক কৰিব লাগিছিল।

৩০। ফুকন্ ডয়্। [ডয়্ = পৰ্ব্বত।] পৰ্ব্বতীয়া ফুকন। তেওঁ পৰ্ব্বতীয়া কুঁৱৰীয়ে ভোগ কৰা পৰ্ব্বতীয়া মেলৰ ফুকন আছিল।

৩১। ফু-কে। [কে = বুঢ়া। বুঢ়া শব্দক আমি পৈণত বা জ্ঞানবৃদ্ধ হিচাপে লব পাৰোঁ।] বৰুৱা। "বৰুৱা" শব্দ কৰপৰা কেনেকৈ উৎপত্তি হল জনা নেযায়।

৩২। ফু-কে-লুঙ্। [ফু-কে = বৰুৱা। লুঙ্ = বৰ।] বৰবৰুৱা। বৰবৰুৱা গোহাঁইসকলৰ বিলাতৰ বাহিৰে উজনি অসমৰ শাসনকৰ্ত্তা আছিল। তেওঁ সৈন্যাধ্যক্ষ, ৰাজ পৰামৰ্শদাতা, বিচাৰক আৰু স্বৰ্গদেৱৰ প্ৰধান কাৰ্য্যকাৰকো আছিল। বৰফুকন আৰু বৰবৰুৱা সমপৰ্য্যায়ৰ বিষয়া আছিল। লুখুৰাখণীয়া মোমাই তামুলী প্ৰথম বৰবৰুৱা হৈছিল। স্বৰ্গদেৱ জয়ধ্বজ সিংহৰ দিনত [১৬৪৮-৬৩ খৃঃ] এই বিষয় সৃষ্টি হৈছিল।

৩৩। ফু-কে-কান-ৰাম। [কান = যুক্ত। ৰাম = দোলা।] দোলাকাষৰীয়া বৰুৱা। তেওঁ দোলা কাষৰীয়া পাইকৰ অধ্যক্ষ আছিল আৰু স্বৰ্গদেৱ দোলাত গলে লগে লগে যাব লাগিছিল।

৩৪। ফু-কে-চাঙ্-ছাৰী। [চাঙ্-ছাৰী = বেজ।] বেজবৰুৱা। তেওঁ স্বৰ্গদেৱৰ প্ৰধান চিকিৎসক আছিল।

৩৫। ফু-কিন্-মুঙ্। [ফু = পুৰুষ। কিন্ = ভোগ কৰা। মুঙ = ৰাজ্য। অৰ্থাৎ ৰাজ্য ভোগ কৰা পুৰুষ।] ৰাজখোৱা। স্বৰ্গদেৱ ছু-কা-ফাৰ তলত ভালেমান ৰাজখোৱা আহিছিল। স্বৰ্গদেৱে তেওঁলোকক জয় কৰা ৰাজ্যবিলাকৰ শাসনকৰ্ত্তা পাতিছিল। পাছলৈ ৰাজখোৱাবিলাক বৰবৰুৱা আৰু বৰফুকনৰ অধীন হল। তেওঁবিলাক একো অঞ্চলৰ শাসনকৰ্ত্তা, বিচাৰক আৰু সৈন্যাধ্যক্ষ আছিল। নিমন্ত্ৰণ কৰিলে তেওঁবিলাকে ৰাজসভাতো যোগ দিব পাৰিছিল। অনা-আহোমক ৰাজখোৱা নেপাতিছিল।

৩৬। চাও-ভ্জি। [চাও = বৰ। জি = ভৰাল।] বৰ ভঁৰালী।

৩৭। ৰু-ৰিঙ্। [ৰু = মূৰ। ৰিঙ্ = হেজাৰ।] হাজৰিকা। তেওঁৰ তলত এহেজাৰ পাইক আছিল।

৩৮। ৰু-পাক্। [পাক্ = এশ।] শইকীয়া।

তেওঁৰ তলত এশ পাইক আছিল। স্বৰ্গদেৱ ছুকাফাৰ লগত কেইবা জনো শইকীয়া আহিছিল।

৩৯। ক-ছাও। [ ছাও=কুৰি। ] বৰা। তেওঁৰ তলত একুৰি পাইক আছিল।

---

সহায় লোৱা হয়:—
১। Ahom-Assamese—English Dictionary Compiled by Raisahib Golap Chandra Barua.
২। Ahom-Buranji—Translated and edited by Raisahib Golap Chandra Barua.
৩। A History of Assam—E. A. Gait I. C. S.
৪। An Account of Assam—Dr. J. P. Wade.
৫। অসম বুৰঞ্জী। ৰায়বাহাদুৰ ৺পদ্মনাথ গোহাঁই বৰুৱা।
৬। আসাম বুৰঞ্জী। ৺হৰকান্ত সদৰামিন বৰুৱা।
৭। আহোম প্ৰাইমাৰ। ৺ঘনকান্ত বৰুৱা, বি.এ।

---

# কালিদাসৰ কাব্যত কৰ্ম্মযোগৰ আদৰ্শ

আনন্দবৰ্দ্ধনে নৱম শতিকাত ধ্বন্যালোক গ্ৰন্থত অতি সুন্দৰভাৱে দেখুৱাই দিলে যে কাব্যৰ প্ৰাণভূত আত্মস্বৰূপ প্ৰধান বস্তু হ'ল ৰস। "কাব্যস্যাত্মা স এৱাৰ্থঃ" ( ধ্ব, ১, ৫ )। তেওঁ আৰু ক'লে যে মহাকৱিসকলৰ যি মনোহৰ ৰচনা এই ৰসৰূপ অৰ্থবস্তুৰদ্বাৰা সমৃদ্ধ, সি কৱিৰ এক অনন্যসাধাৰণ প্ৰতিভাৰ পৰিচায়ক।

"সৰস্বতী স্বাদু তদৰ্থবস্তু নিঃষন্দ্যমানা মহতাং কৱীনাম্।
অলোকসামান্যমভিৱ্যনক্তি পৰিস্ফুৰন্তং প্ৰতিভ'
বিশেষম্॥ ( ধ্ব, ১, ৬ )

এই ৰসৰূপ অৰ্থবস্তুৰ সাৰ্থক ব্যঞ্জনাৰদ্বাৰাই কৱিৰ মহাকৱিত্ব লাভ হয়। তেওঁৰ মতে সেই কাৰণেই কালিদাস আদি দুই তিনি জন বা পাঁচ ছজন হে মহাকৱি এই পৃথিৱীত দেখা পোৱা যায়। "যেনাস্মিন্নতিৱিচিত্ৰকৱিপৰম্পৰাৱাহিনি সংসাৰে কালিদাসপ্ৰভৃতয়ো দ্বিত্ৰাঃ পঞ্চষা ৱা মহা কৱয় ইতি গণ্যন্তে" ( ধ্ব, ১ )। এই দৰেই আনন্দবৰ্দ্ধনৰ দৰে শ্ৰেষ্ঠ আলঙ্কাৰিক জনে কালিদাসক মহাকৱি বুলি প্ৰতিপাদন কৰিলে।

ৰস মানে লোকোত্তৰ আহ্লাদ বিশেষ। ই এক নিৰতিশয় আনন্দ। কিন্তু এই লোকোত্তৰ আহ্লাদ-মাত্ৰ দিয়াতেই কাব্যৰ মহত্ত্ব হ'ব পাৰেনে? অথবা আনন্দ দিয়াৰ উপৰিও কাব্যত কিবা এটা মহৎ আদৰ্শৰো প্ৰতিপাদন কৰিব লাগিব? আনন্দবৰ্দ্ধনৰ নিজৰ লেখাত এই কথাৰ স্পষ্ট উত্তৰ নাই। কাব্যৰ অবান্তৰ ভেদ দৃশ্যকাব্যত যে বিনেয়জনৰ প্ৰতি উপদেশ থাকিবই লাগিব, মাত্ৰ সেই নিয়মৰ উল্লেখ কৰিছে। ( ধ্ব, ৩ )। ৰসৰ সাৰ্থক ব্যঞ্জনাই যদি মহাকৱিত্ব নিৰ্ণয়ৰ পৰশমণি হয়, তেনেহ'লে অমৰুশতকৰ কৱি অমৰু আৰু কালিদাস একে পৰ্য্যায়ৰ কৱি হ'ব।



হওক, আনন্দবৰ্দ্ধনৰ তাত ক্ষোভ নাই। তেওঁ কেৱল কলা (art) ৰূপে কাব্যৰ কিমান দূৰ সাৰ্থকতা থকা উচিত, তাকহে নিৰ্ণয় কৰিবলৈ ওলাইছে। সেই কাৰণেই, মহাভাৰতত মোক্ষৰূপ পৰম পুৰুষাৰ্থৰ যি উপদেশ দিছে তাক নিৰ্ণয় কৰাটো তেওঁৰ মতে "শাস্ত্ৰ নয়"। "কাব্যনয়"ত অৰ্থাৎ কাব্যৰূপে মহাভাৰতৰ মূল্য নিৰূপণ কৰিলে আমি তাত "শান্ত ৰসৰ প্ৰাধান্য মাত্ৰ" আৱিষ্কাৰ কৰিম। মোক্ষৰ উপদেশ আৱিষ্কাৰ কৰিলে সি মহাভাৰতৰ কাৱ্যত্বৰ ঠাইত শাস্ত্ৰত্বকহে ফুটাই তুলিব। এয়ে তেওঁৰ মত। ৰচনাৰ এই যে শাস্ত্ৰত্ব আৰু কাব্যত্বৰূপে দুটা দিশ, তাৰ কথা এই কথা যাৰৰপৰাই বুজা যায় যেনে—"এৱমনুক্ৰমণীনিৰ্দ্দিষ্টেন ৱাক্যেন ভগৱদ্ব্যতিৰেকিণঃ সৰ্বস্যান্যস্যানিত্যতাং প্ৰকাশয়তা মোক্ষলক্ষণ এৱৈকঃ পৰঃ পুৰুষাৰ্থঃ শাস্ত্ৰনয়ে, কাৱ্যনয়ে চ তৃষ্ণাক্ষয়সুখপৰিপোষলক্ষণঃ শান্তো ৰসো মহাভাৰতস্যাঙ্গিত্বেন ৱিৱক্ষিত ইতি সুপ্ৰতিপাদিতম্।" ( ধ্ব ৪ )।

টীকাকাৰ অভিনৱগুপ্তই কাব্যৰ এই উপদেশ নিৰপেক্ষতা বৰ সহজভাৱে সমৰ্থন কৰিব নোৱাৰিছিল যেন লাগে। তেওঁৰ মতে কাৱ্যৰপৰা অকল প্ৰীতি লাভেই নহয় ব্যুৎপত্তি অৰ্থাৎ জ্ঞানৰ লাভো হয়। মূলগ্ৰন্থকাৰৰ মতৰ সৈতে মিল ৰাখিবলৈ তেওঁ ক'লে যে প্ৰীতি আৰু ব্যুৎপত্তিৰ ভিতৰতো প্ৰীতিয়েই প্ৰধান, কিয়নো ব্যুৎপত্তি লাভৰদ্বাৰা সজ আচৰণ, সজ আচৰণৰদ্বাৰা ধৰ্ম্ম, অৰ্থ, কাম আৰু মোক্ষ এই চতুৰ্ব্বৰ্গৰ সহজ সাধনৰদ্বাৰা অৱশেষত আত্মাৰ নিৰতিশয় সুখেই সাধিত হয়।" শ্ৰোতৃণাং চ ব্যুৎপত্তিপ্ৰীতী যদ্যপি স্তঃ তথাপি তত্ৰাপি প্ৰীতিৰেৱ প্ৰধানম্। চতুৱৰ্গব্যুৎপত্তেৰপি চানন্দ এৱ পাৰ্যন্তিকং মুখ্যং ফলম্।" ( লোচন, ১ )। পৰৱৰ্ত্তী আলঙ্কাৰিক ৱিশ্বনাথ কৱিৰাজ আদিয়ে কিন্তু কাৱ্যৰ উপদেশপ্ৰদায়ক দিশটোক স্পষ্টভাৱে প্ৰীতিৰ সৈতে সমান প্ৰাধান্যৰে স্বীকাৰ কৰি ল'লে। উদাহৰণ স্বৰূপে ৱিশ্বনাথৰ মতে কাব্যৰপৰা চতুৰ্ব্বৰ্গ প্ৰাপ্তি হবই লাগিব আৰু চতুৰ্ব্বৰ্গপ্ৰাপ্তি "ৰামৰদৰে আচৰণ কৰিবা ৰাৱণৰ দৰে নহয়" ইত্যাদি উপদেশৰদ্বাৰাই সম্ভৱ হয়। "চতুৰ্ব্বৰ্গপ্ৰাপ্তিৰ্হি কাৱ্যতো ৰামাদিৱৎ প্ৰৱৰ্ত্তিতৱ্যং ন ৰাৱণাদিৱদিত্যাদিকৃত্যাকৃত্যপ্ৰবৃত্তিনিবৃত্ত্যুপদেশদ্বাৰেণ সুপ্ৰতীতৈৱ" ( সাহিত্য দৰ্পণ, ১ )।*

এনে আলঙ্কাৰিকসকলৰ মতৰ আলম লৈ উত্তম কলা ৰূপে কোনো কাব্যক নিৰ্ণয় কৰাৰ পাচতো তাৰ অন্তৰ্নিহিত আদৰ্শৰ মান চাই আমি তাৰ তাৰতম্য নিৰ্দ্দেশ কৰিব পাৰোঁ। পশ্চিমীয়া critic সকলৰ ভিতৰত Walter Pater-এও আমাক এনে ধৰণৰ কথাকে কৈছে। তেওঁ Renaissance নামৰ গ্ৰন্থত প্ৰথমে প্ৰতিপাদন কৰিলে যে কলা কলাৰ কাৰণেই আৰু অনুভূতিক তীব্ৰ ভাৱে জগাই তুলি এটি মুহূৰ্ত্তক চৰম আনন্দৰে অভিষিক্ত কৰিব পৰাতেই কাব্যৰ সাৰ্থকতা। "Only be sure it is passion—That it does yield you this fruit of a quickened, multiplied, consciousness. Of such wisdom, the poetic passion, the desire of beauty, the love of art for its

---

* এই কথা দেখাত আখৰে আখৰে মম্মটভট্টৰ অনুকৰণ যেন লাগে। পূৰ্ব্ববৰ্ত্তী মম্মটই কাব্যপ্ৰকাশৰ প্ৰথম উল্লাসত কৈছে—"ৰসাঙ্গভূত… ব্যাপাৰপ্ৰৱণতয়া……তৎ কান্তেৱ-সৰসতাপাদনে নাভিমুখীকৃত্য 'ৰামাদিৱৎ প্ৰৱৰ্ত্তিতব্যং ন ৰাৱণাদিৱৎ' ইত্যুপদেশং চ ···· কৰোতি।" কিন্তু মম্মটভট্টয়ো ব্যুৎপত্তি আৰু প্ৰীতিক সমান পৰ্য্যায়ত ধৰা নাই। তেওঁ অভিনৱৰ দৰে প্ৰীতিকহে প্ৰাধান্য দিছে। কিয়নো ৰসাস্বাদনজনিত আনন্দক তেওঁ কাব্যৰ সকলো প্ৰয়োজনৰ ভিতৰত প্ৰধান বুলি কৈছে। তুলনীয়—"সকল প্ৰয়োজন মৌলিভূতং সমনন্তৰমেৱ ৰসাস্বাদন-সমুদ্ভূতং ৱিগলিত বেদ্যান্তৰমানন্দম." ইত্যাদি।
( কাব্যপ্ৰকাশ, ১ )।"

own sake, has most. For art comes to you proposing frankly to give you nothing but the highest quality to your moments as they pass, and simply for those moments' sake" (পৃঃ ২৩৮—২২৯)। কিন্তু পাছত পেটাৰে Appreciations নামৰ গ্ৰন্থত স্পষ্ট ভাৱে প্ৰতিপাদন কৰিলে যে কাব্যৰ মহত্ত্ব নিৰ্ভৰ কৰে তাৰ বিষয়-বস্তুৰ মহত্ত্বৰ ওপৰতহে, কেৱল অনুভূতিক জগাই তোলাৰ সাৰ্থকতাতে নহয়। বিষয় বস্তুৰ বলতে, এটা অন্তৰ্নিহিত মহান আদৰ্শৰ আলমতে 'good art' 'great art' ৰূপে পৰিগণিত হ'ব পাৰে।" ...... The distinction between great art and good art depending immediately, as regards literature at all events, not on its form, but on the matter. Thackeray's Esmond, surely, is greater art than Vanity Fair by the greater dignity of its interests. It is on the quality of matter it informs or controls its compass, its variety, its alliance to great ends, or the depth of the note of revolt or the largeness of hope in it that the greatness of literary art depends, as the Divine Comedy, Paradise Lost, Les Misérables, The English Bible are great art."

আমি এতিয়া মূল কথালৈ আহোঁ। কেৱল ৰস—চিত্ৰনৰ পটুতাৰ কাৰণেই আনন্দবৰ্দ্ধনে কালিদাসক মহাকবিত্ব দিলেও এক মহান আদৰ্শৰ বাঞ্জনাৰ বাবে তেওঁ মহাকবিসকলৰ ভিতৰতো মহত্তম। সেই আদৰ্শ হৈছে কৰ্ম্মযোগৰ আদৰ্শ। এই কৰ্ম্মযোগৰ আদৰ্শৰ প্ৰতিপাদক প্ৰধান গ্ৰন্থ হৈছে শ্ৰীমদ্ভাগৱত গীতা। গীতাৰ অধ্যয়নৰপৰাই আমি কৰ্ম্ম আৰু যোগ—এই পদ দুটিৰ তাৎপৰ্য্য নিৰ্ণয় কৰিব পাৰোঁহঁক। প্ৰথমে কৰ্ম্ম শব্দৰে নানা অৰ্থ। ই যাগ-যজ্ঞ আদি বৈদিক কৰ্ম্ম, ক্ষত্ৰিয়ৰ যুদ্ধ, বৈশ্যৰ বাণিজ্য আদি স্মৃতি শাস্ত্ৰত উপদিষ্ট স্মাৰ্ত্ত কৰ্ম্ম, ব্ৰত উপবাস আদি পুৰাণত নিৰ্দ্দিষ্ট পৌৰাণিক কৰ্ম্ম, স্নান সন্ধ্যা আদি নিত্য কৰ্ম্ম, গ্ৰহ শান্তি আদি নৈমিত্তিক কৰ্ম্ম, আৰু বিশেষ লাভৰ কামনাৰে কৰা সত্যনাৰায়ণ পূজা আদি কাম্য কৰ্ম্মকো বুজাব পাৰে। গীতাত কৰ্ম্মপদৰ তেনে সঙ্কুচিত অৰ্থ গ্ৰহণ নকৰি কৰ্ম্মপদৰদ্বাৰা খোৱা-শোৱাৰপৰা আৰম্ভ কৰি স্মৃতিশাস্ত্ৰৰদ্বাৰা চতুৰ্ব্বৰ্ণৰ কাৰণে বিহিত অধ্যয়ন যুদ্ধ বাণিজ্য আদি সকলো কৰ্ম্মকে বুজাইছে। তাৰ প্ৰমাণ যেনে,

নৈৱ কিঞ্চিৎ কৰোমীতি যুক্তো মন্যেত তত্ত্ববিৎ।
পশ্যন্ শৃণ্বন্ স্পৃশন্ জিঘ্ৰন্নশ্নন্ গচ্ছন্ স্বপন্ শ্বসন্॥
প্ৰলপন্ বিসৃজন্ গৃহ্নন্নুন্মিষন্নিমিষন্নপি।
ইন্দ্ৰিয়াণীন্দ্ৰিয়াৰ্থেষু ৱৰ্ত্তন্ত ইতি ধাৰয়ন্॥
ব্ৰহ্মণ্যাধায় কৰ্ম্মাণি সঙ্গং ত্যক্ত্বা কৰোতি যঃ।
লিপ্যতে ন স পাপেন পদ্মপত্ৰমিৱাম্ভসা॥
ইত্যাদি (গী ৫।৮-১০)

সেইদৰেই যোগ শব্দৰ নানা অৰ্থ থাকিলেও গীতাত তাৰ সাধাৰণ অৰ্থ হৈছে ফলৰ আসক্তি ত্যাগ কৰি কৰ্ম্ম কৰোতে সিদ্ধি আৰু অসিদ্ধিৰ প্ৰতি সমভাৱৰ মনোবৃত্তিয়েই যোগ।

যোগস্থঃ কুৰু কৰ্ম্মাণি সঙ্গং ত্যক্ত্বা ধনঞ্জয়।
সিদ্ধ্যসিদ্ধ্যোঃ সমো ভূত্বা সমত্বং যোগ উচ্যতে॥
(গী, ২।৪৮)

কৰ্ম্ম আৰু যোগ এই দুই পদৰ সমন্বয়ৰদ্বাৰা কৰ্ম্মযোগৰ অৰ্থ হ'ল ব্যক্তিগত জীৱনৰ নিত্য কৰ্ত্তব্যৰ লগে লগে শাস্ত্ৰবিহিত গৃহস্থ ধৰ্ম্ম, ৰাজধৰ্ম্ম আদিৰ ফলাশা নিৰপেক্ষ একনিষ্ঠ আচৰণ।

কালিদাসৰ কাব্যত নানা অৰ্থান্তৰন্যাস অলঙ্কাৰৰ



দ্বাৰা যদিও ভাৱবি আদিৰ দৰে নানা অৰ্থগৌৰৱপূৰ্ণ কথাৰ প্ৰয়োগ দেখা যায়, তথাপি কেউখন কাব্যৰদ্বাৰা প্ৰতিপাদিত এক সঙ্গতিপূৰ্ণ মহান আদৰ্শ হ'ল কৰ্ম্মযোগৰ আদৰ্শ। কালিদাসে অৱশ্যে অনাসক্ত কৰ্ম্ম বা ফলাশা ত্যাগৰ কথা কোৱা নাই, কিন্তু কৰ্ম্ম যে ত্যাগ কৰিব নালাগে সেই কথাৰ নিৰ্দ্দেশ দিছে। এই বিষয়ত তেওঁ গীতাৰ "কৰ্ম্মণ্যেৱাধিকাৰস্তে", "মা তে সঙ্গোঽস্ত্বকৰ্ম্মণি" * (গী/২)", "নিয়তং" কুৰু কৰ্ম্ম ত্বং কৰ্ম্ম জ্যায়ো হ্যকৰ্ম্মণঃ "(গী/৩)" স্বকৰ্ম্মণা তমভ্যৰ্চ্চ্য সিদ্ধিং বিন্দতি মানৱঃ" (গী/১৮) ইত্যাদি বাক্যৰ অনুসৰণ কৰা যেন লাগে। তেওঁ দেখুৱাইছে যে কৰ্ম্মযোগৰ অনাচৰণৰদ্বাৰা শ্ৰেয় হানি হয়, দোষ হয়। অতিথি শুশ্ৰূষা ৰূপ কৰ্ত্তব্য নকৰাত শকুন্তলাক দুৰ্ব্বাসাই শাপ দিলে। নিজ কৰ্ত্তব্যৰ প্ৰতি অৱহেলা কৰাত মেঘদূতৰ যক্ষৰ ৰামগিৰি আশ্ৰমত এবছৰ ধৰি নিৰ্ব্বাসন হ'ল। দেৱগাভী সুৰভিক সম্মান নেদেখুৱাৰ কাৰণে ৰজা দিলীপৰ সন্তান নহৈছিল। (ৰঘুবংশ, ১/৭৫-৭৭)। কিয়নো পূজনীয় জনৰ পূজা কৰাটো শাস্ত্ৰবিহিত কাম। তাক নকৰিলে শ্ৰেয়ঃ লাভত বাধা হয়। "প্ৰতিবধ্নাতি হি শ্ৰেয়ঃ পূজ্যপূজ্যা ব্যতিক্ৰমঃ।" কালিদাসৰ সমাজ ব্যৱস্থাত ৰজাৰ কৰ্ম্মৰপৰা অৱসৰ নাই। কৰ্ত্তব্য পালনৰ দায়িত্বত ৰজাও ক্লান্ত। পূজ্যপূজা ব্যতিক্ৰমৰপৰা নিষ্কৃতি পাবলৈ ৰজা দিলীপেও বনে বনে গৰখীয়াৰ দৰে ঘূৰি ফুৰিছে। অথচ তেওঁ যে সকলো প্ৰজাৰ অধিপতি সেই কথা ৰঘুবংশৰ দ্বিতীয় সৰ্গৰ পাতনি মেলোতেই কালিদাসে অতি স্পষ্ট ভাৱে উল্লেখ কৰিছে।—

অথ প্ৰজানামধিপঃ প্ৰভাতে জায়া প্ৰতিগ্ৰাহিত গন্ধমাল্যাম্।
ৱনায় পীত প্ৰতিবদ্ধৱৎসাং যশোধনো ধেনুমৃষের্ম্মোচ॥
(ৰঘু, ২।১)

আকৌ, ভ্ৰাম্যমান সূৰ্য্যৰ দৰে প্ৰবাহমান বায়ুৰ দৰে ধৰণীধাৰণ-নিৰত শেষ নাগৰ দৰে কালিদাসৰ ৰজাই অহৰ্নিশে ৰাজধৰ্ম্মত ব্যস্ত থাকিব লাগে।

ভানুঃ সকৃদ্যুক্ততুৰঙ্গ এৱ ৰাত্ৰিন্দিৱং গন্ধৱহং প্ৰয়াতি।
শেষঃ সদৈৱাহিত ভূমিভাৰঃ ষষ্ঠাংশবৃত্তেৰপি ধৰ্ম্ম এষঃ॥
(শকুন্তলা, ৫)

কালিদাসে এইদৰে কৰ্ত্তব্য কৰ্ম্ম কৰিবলৈ প্ৰকাৰান্তৰে উপদেশ দিছে, আৰু কৰ্ম্ম নকৰিলে ইহ জন্মত শ্ৰেয়ঃ লাভত বাধা হয় বুলিও দেখুৱাইছে। কিন্তু কৰ্ম্ম কৰিলে যে নিঃশ্ৰেয়স্ বা মোক্ষ নামৰ পৰম পুৰুষাৰ্থ লাভ হয় তাক কোৱা নাই। এই কাৰণে কালিদাসে কৰ্ম্মযোগৰ আদৰ্শ দাঙি ধৰোতে গীতা শাস্ত্ৰৰ অনুসৰণ কৰা নাই যেন লাগে। অৱশ্যে মোক্ষই যে পৰম অভিলষণীয় পুৰুষাৰ্থ সেই কথাও কালিদাসে স্পষ্ট ভাৱে দেখুৱাই গৈছে। শকুন্তলাৰ সপ্তম অঙ্কৰো শেষত দুষ্মন্তই যেতিয়া স্ত্ৰী-পুত্ৰ উভয়কে লাভ কৰি পৰম কৃতাৰ্থ হ'ল তেতিয়া তেওঁ নিজৰ কাৰণে কামনা কৰিবলগীয়া বস্তু থাকিল কেৱল মোক্ষ। তেওঁ অৱশেষত ঋষি মৰীচিৰপৰা এই বৰ প্ৰাৰ্থনা কৰিলে বোলে, "ৰজা প্ৰজাৰ হিতৰ অৰ্থে হওক, বেদ বিদ্যাৰদ্বাৰা গৰীয়সী সৰস্বতী পূজিতা হওক আৰু নীলকণ্ঠই মোকো পুনৰ্জ্জন্ম বিনাশ কৰি মোক্ষ প্ৰদান কৰক।"

* বিহিত কৰ্ম্মৰ অনুষ্ঠান নকৰিলে ইহ জন্মত শাপ আদি আৰু শ্ৰেয়ঃ হানি হয় বুলি কালিদাসে দেখুৱাইছে, কিন্তু কৰ্ম্মৰ আচৰণৰদ্বাৰা মোক্ষ বা শ্ৰেয়ঃ লাভৰ কথা ক'তো কোৱা নাই। সেই দৰেই, শঙ্কৰাচাৰ্য্যৰ মতে বৰ্ত্তমান শ্লোকত অৰ্জ্জুনক কৰ্ম্মহে কৰিবলৈ কোৱা হৈছে কিন্তু তাৰদ্বাৰা শ্ৰেয়ঃ প্ৰাপ্তিৰ কথা কোৱা নাই।" "অৰ্জ্জুনায় চ 'কৰ্ম্মণ্যেৱাধিকাৰস্তে', 'মা সঙ্গোঽস্ত্বকৰ্ম্মণি' ইতি কৰ্ম্মৈৱ কৰ্ত্তব্যমুক্তবান্ যোগবুদ্ধিমাশ্ৰিত্য, ন তত এৱ শ্ৰেয়ঃপ্ৰাপ্তিমুক্তবান্" (গী/শাঙ্কৰ ভাষ্য তৃতীয় অধ্যায়)।

প্ৰৱৰ্ত্ততাং প্ৰকৃতিহিতায় পাৰ্থিৱঃ, সৰস্বতী শ্ৰুতিমহতী
মহীয়তাম্।
মমাপি চ ক্ষপয়তু নীললোহিতঃ, পুনৰ্ভৱং পৰিণত-
শক্তিৰাত্মভূঃ॥ (শকুন্তলা, ৭)

গীতাৰ যি কৰ্ম্মযোগ, মোক্ষৰ প্ৰতি তাৰ পূৰ্ব্বভাৱিতাৰ বিষয়ে সম্প্ৰদায় বিশেষে দুটা মত। বাল গঙ্গাধৰ তিলকৰ "গীতা ৰহস্য বা কৰ্ম্মযোগ শাস্ত্ৰ" নামৰ গ্ৰন্থত নানা যুক্তিৰে দেখুৱাই দিছে যে মোক্ষৰ প্ৰতি জ্ঞানযোগ আৰু কৰ্ম্মযোগ উভয়ৰে কাৰ্য্যকাৰিতা আছে। তত্ত্বজ্ঞান লাভ কৰি সকলো কৰ্ম্ম ত্যাগ কৰি সন্ন্যাস গ্ৰহণ কৰাতকৈ কৰ্ম্মযোগৰ অনুশীলন কৰাই শ্ৰেয়।

সন্ন্যাসঃ কৰ্ম্মযোগশ্চ নিঃশ্ৰেয়সকৰাৱুভৌ।
তয়োস্তু কৰ্ম্ম সন্ন্যাসাৎ কৰ্ম্মযোগো ৱিশিষ্যতে॥
(গী/৫/২)

তদুপৰি আসক্তি আৰু ফলাশা-ত্যাগেই যথাৰ্থ ত্যাগ। বিহিত নিত্যকৰ্ম্মৰ আসক্তি আৰু ফলাশা-ৰহিত অনুষ্ঠান কেৱল কৰ্ত্তব্য বুলিয়েই সদায় কৰি থাকিব পাৰি।

কাৰ্য্যমিত্যেৱ যৎ কৰ্ম্ম নিয়তং ক্ৰিয়তেঽৰ্জ্জুন।
সঙ্গং ত্যক্ত্বা ফলং চৈৱ স ত্যাগঃ সাত্ত্বিকো মতঃ॥
(গী, ১৮/৯)

এই সম্প্ৰদায়ে আৰু যুক্তি দেখুৱায় যে জনক আদি ৰাজৰ্ষিসকলে বিহিত শ্ৰৌত, স্মাৰ্ত্ত আৰু নিত্য কৰ্ম্মসমূহৰ আজীৱন অনুষ্ঠানৰদ্বাৰাই সিদ্ধি লাভ কৰিছিল। "কৰ্ম্মণৈৱ হি সংসিদ্ধিমাস্থিতা জনকাদয়ঃ।" (গী, ৩০/২০)। গতিকে এই সম্প্ৰদায়ৰ অভিমত এয়ে যে আজীৱন কৰ্ম্মযোগৰ অনুষ্ঠান কৰিলেই সিদ্ধিলাভ কৰা যায়। কৰ্ম্ম ত্যাগ কৰি সন্ন্যাস গ্ৰহণ কৰাৰ আদৰ্শ গীতাই প্ৰতিপাদন কৰা নাই।*

আমি যদি ধৰি লওঁ যে কালিদাসেও গীতাৰ কৰ্ম্মযোগৰ এনে ধৰণৰ তাৎপৰ্য্যকে অনুসৰণ কৰিছিল, তেতিয়া কৰ্ম্মযোগৰ কাব্যিক উপদেশৰ লগতে তাৰ ফলস্বৰূপ মোক্ষৰ নিৰ্দ্দেশ থকাটোও বাঞ্ছনীয়। কিন্তু পূৰ্ব্বতেই উল্লেখ কৰা হৈছে যে বিহিত কৰ্ম্মৰ অনুষ্ঠানৰ দ্বাৰা মোক্ষপ্ৰাপ্তিৰ কথা কালিদাসৰ কাব্যত নাই।

শঙ্কৰাচাৰ্য্যই, আন হাতে গীতাৰ ভাষ্যত দৃঢ়কণ্ঠেৰে উল্লেখ কৰিছে যে কেৱল তত্ত্বজ্ঞানৰপৰাহে মোক্ষ প্ৰাপ্তি হয়। তত্ত্বজ্ঞানৰ লগে লগে মোক্ষ প্ৰাপ্তিৰ কাৰণে কৰ্ম্মৰো অনুষ্ঠান কৰি থকাৰ কোনো প্ৰয়োজন নাই। এই তত্ত্বজ্ঞানৰ লগে লগেই বৰং সৰ্ব্বকৰ্ম্মসন্ন্যাস অৰ্থাৎ সকলো কৰ্ম্মৰেই ত্যাগ হে প্ৰয়োজনীয়। তুলনীয় "...সংসাৰ ৱীজভুতৌ শোক মোহৌ, তয়োশ্চ সৰ্ব্বকৰ্ম্মসন্ন্যাসপূৰ্ব্বকাৎ আত্মজ্ঞানাৎ নান্যতো নিৱৃত্তিঃ" (গীতা ভাষ্য, ১, অৱতৰণিকা) জ্ঞান আৰু কৰ্ম্ম দুয়োটাৰ সমন্বয়ক বুলিছে জ্ঞানকৰ্ম্ম সমুচ্চয়। মোক্ষৰ কাৰণে জ্ঞান কৰ্ম্মৰ সমুচ্চয়ৰ প্ৰয়োজনীয়তা নাই। "তস্মাৎ গীতাশাস্ত্ৰে ঈষন্মাত্ৰেণাপি শ্ৰৌতেন স্মাৰ্ত্তেন বা কৰ্ম্মনা আত্মজ্ঞানস্য সমুচ্চয়ো ন কেনচিদ্দৰ্শয়িতুং শক্যঃ।" "তস্মাদ্ গীতাসু কেৱলাদেৱ তত্ত্বজ্ঞানা-ন্মোক্ষপ্ৰাপ্তিঃ, ন কৰ্ম্মসমুচ্চিতাদিতি নিশ্চিতোঽৰ্থঃ।" (গী ভাষ্য অৱতৰণিকা)। পূৰ্ব্বতে জনকাদিয়ে কৰ্ম্মৰদ্বাৰা সিদ্ধি লাভ কৰাৰ যি উদাহৰণ দেখুৱা হ'ল, সেই প্ৰসঙ্গত শঙ্কৰাচাৰ্য্যই কয় যে গীতাৰ ৩/২০ শ্লোকৰ ব্যাখ্যা দুই ৰকমে হ'ব পাৰে। যদি ধৰি লোৱা হয় যে জনকাদিয়ে ইতিমধ্যেই তত্ত্বজ্ঞান সম্যক্ ৰূপে লাভ কৰিছিল, তেতিয়া কব পাৰি যে জ্ঞানৰ মাহাত্ম্যৰদ্বাৰাই সন্ন্যাস অৱলম্বন নকৰাকৈয়ে সিদ্ধি লাভ কৰিছিল। তেওঁলোকে যি কৰ্ম্মৰ আচৰণ কৰিছিল, সি কেৱল লোকসংগ্ৰহাৰ্থ অৰ্থাৎ লোকসমূহক অসন্মাৰ্গৰপৰা নিবৃত্ত কৰিবৰ কাৰণে। গতিকে এই দৰেও সিদ্ধিৰ কাৰণে জ্ঞানৰ হেতুত্ব থাকিয়ে

* তিলকৰ "গীতাৰহস্য"ৰ "সন্ন্যাস আৰু কৰ্ম্মযোগ" নামৰ একাদশ প্ৰকৰণ দ্ৰষ্টব্য।



গ'ল।† আকৌ যদি ধৰি লোৱা হয় যে জনক আদিৰ সম্যক্ জ্ঞান হোৱা নাছিল, তেতিয়া এই শ্লোকৰ অৰ্থ হ'ব যে তেওঁলোকৰ কৰ্ম্মৰদ্বাৰা সত্ত্বশুদ্ধি, সত্ত্বশুদ্ধিৰদ্বাৰা তত্ত্বজ্ঞান আৰু তত্ত্বজ্ঞানৰ দ্বাৰাহে সিদ্ধি লাভ হৈছিল। গতিকে মোক্ষৰ প্ৰতি পৰম্পৰাক্ৰমে হে কৰ্ম্মৰ হেতুত্ব। সাক্ষাৎ হেতু হ'ল তত্ত্বজ্ঞানেই। "অথাপ্ৰাপ্ত সম্যগ্দৰ্শনা জনকাদয়স্তদা কৰ্ম্মণা সত্ত্বশুদ্ধি সাধনভূতেন ক্ৰমেণ সংসিদ্ধিমাস্থিতা ইতি ৱ্যাখ্যেয়ঃ শ্লোকঃ।" (শাঙ্কৰ ভাষ্য, গী/৫/২০) শঙ্কৰাচাৰ্য্যৰ ব্যাখ্যাত মোক্ষলাভৰ কাৰণে সন্ন্যাস অৱশ্যে গ্ৰহণীয় আৰু তত্ত্বজ্ঞানৰ হেতুভূত সত্ত্বশুদ্ধিৰ জনক ৰূপেহে কৰ্ম্মৰ উপযোগিত্ব।

আমি যদি কালিদাসেও গীতাৰ অৰ্থ এনে দৰেই বুজিছিল বুলি ধৰি লওঁ, তেতিয়া হলে য'ত কৰ্ম্মনিষ্ঠাৰ আদৰ্শ দাঙি ধৰিছে তাত মোক্ষৰ বিষয়ে উল্লেখ কৰিবৰ কাৰণে বাস্তৱিকতে কোনো প্ৰসঙ্গ নাই।

কালিদাসে গীতাৰ আৰ্হিতেই কৰ্ম্মযোগৰ আদৰ্শ দাঙি ধৰিছে বুলি আমি যদি ধৰি লওঁ, তেনেহ'লে তেওঁ শঙ্কৰাচাৰ্য্যৰ ব্যাখ্যাৰ দৰেহে গীতাৰ মৰ্ম্ম বুজিছিল বুলি ধৰি লোৱাই বাঞ্ছনীয়। শঙ্কৰাচাৰ্য্যৰ যি ব্যাখ্যা সি যথেষ্ট পৰিমাণে স্মৃতি শাস্ত্ৰৰ অনুকূল। আন হাতে কালিদাসৰ কাব্যত স্মৃতি শাস্ত্ৰৰ প্ৰভাৱ অতিশয় স্পষ্ট। তিলকে কৱিজনাৰ উল্লেখ কৰোতে এঠাইত 'স্মাৰ্ত্তমাৰ্গীয় কালিদাস' বুলিয়েই কৈছে। (গী, ৰহস্য। ১১)। শঙ্কৰাচাৰ্য্যৰ মতে মোক্ষলাভৰ কাৰণে সন্ন্যাসাশ্ৰমৰ আচৰণ একান্ত বাঞ্ছনীয়। স্মৃতি-শাস্ত্ৰতো সেইদৰে কৈছে যে ব্ৰহ্মচাৰী, গৃহস্থ, বানপ্ৰস্থ আৰু যতি—পৃথক পৃথক এই চাৰি আশ্ৰমেই গৃহস্থাশ্ৰমৰপৰা ওলোৱা। এই চাৰি আশ্ৰমৰ যথাক্ৰমে সেৱা কৰিলে বিপ্ৰই পৰম গতি লাভ কৰে। (মনুসংহিতা ৬।৮৭, ৮৮)। আকৌ "এই দৰে সৰ্ব্ব কৰ্ম্ম ত্যাগ কৰি, আত্মসাক্ষাৎকাৰৰূপ কৰ্ম্মত মাত্ৰ নিৰত হৈ স্বৰ্গাদিতো নিস্পৃহ হৈ সন্ন্যাসৰদ্বাৰা পাপ নাশ কৰি পৰম গতি লাভ কৰে।"

"এৱং সংন্যস্য কৰ্ম্মাণি স্বকাৰ্য্যপৰমোঽস্পৃহঃ।
সন্ন্যাসেনাপহত্যৈনঃ প্ৰাপ্নোতি পৰমাং গতিম্॥
(মনু সং, ৬।৯৬)।

ইয়াৰ পিছত কালিদাসেনো কি ভাৱে স্মৃতি শাস্ত্ৰক অনুসৰণ কৰিছে, তাক কেইটিমান উদাহৰণৰদ্বাৰা পৰীক্ষা কৰি চাব পাৰি।

অসংশয়ং ক্ষত্ৰপৰিগ্ৰহক্ষমা যদাৰ্যমস্যামভিলাষি মে মনঃ।
সতাং হি সন্দেহপদেষু ৱস্তুষু প্ৰমাণমন্তঃ কৰণ
প্ৰৱৃত্তয়ঃ॥ (শকু ১)

শ্লোকত দুষ্যন্তই অন্তঃকৰণ প্ৰবৃত্তিক অৰ্থাৎ নিজৰ সাধু মনৰ সন্তুষ্টিকেই প্ৰমাণ বুলিছে। এই কথাক সমৰ্থন কৰিছে মনু স্মৃতিৰ ২।৬ আৰু ২।১২ শ্লোকে, যথা— বেদোঽখিলো ধৰ্ম্মমূলং স্মৃতিশীলে চ তদ্বিদাম্।
আচাৰশ্চৈৱ সাধুনামাত্মনস্তুষ্টিৰেৱ চ॥ আৰু
ৱেদঃ স্মৃতিঃ সদাচাৰঃ স্বস্য চ প্ৰিয়মাত্মনঃ।
এতচ্চতুৰ্ৱিধং প্ৰাহুঃ সাক্ষাদ্ধৰ্ম্মস্য লক্ষণম্॥

শকুন্তলাৰ ৬ষ্ঠ অঙ্কৰ "শহজে কিল জে ৱিনিন্দিদে নহু শে কৰ্ম্ম ৱিৱজ্জণী অএ" ইত্যাদি পদ্যত যাৰ যি বৰ্ণ সেই অনুযায়ী যি বিহিত কৰ্ম্ম সি নিন্দনীয় হ'লেও অপৰিত্যাজ্য বুলি কালিদাসে কৈছে। এনে দৰে স্বধৰ্ম্মৰ প্ৰশংসা মনুস্মৃতিতো আছে। যথা—

যাত্ৰা মাত্ৰপ্ৰসিদ্ধ্যৰ্থং স্বৈঃ কৰ্ম্মভিৰগৰ্হিতৈঃ।
অক্লেশেন শৰীৰস্য কুৰ্ব্বীত ধনসঞ্চয়ম্॥
(মনু ৪।৩) আকৌ
ৱৰং স্বধৰ্ম্মো ৱিগুণো ন পাৰক্যঃ স্বনুষ্ঠিতাৎ।
পৰধৰ্ম্মেণ জীৱন্ হি সদ্যঃ পতিত জাতিতঃ॥
(মনু ১০।৯৭)

† জনকাদীনাং সত্যপি জ্ঞানিত্বে প্ৰাৰব্ধকৰ্ম্মৱশাৎ কৰ্ম্মাপৰিত্যজ্যৈৱ লোকসংগ্ৰহাৰ্থং প্ৰৱৰ্ত্তমানানাং জ্ঞান মাহাত্ম্যাদুপপন্না সংসিদ্ধিৰিত্যৰ্থঃ।" (আনন্দগিৰি টীকা। গী, ৩/২০)

[স্মৃতিশাস্ত্ৰৰ মতে ঋষিঋণ, দেৱঋণ আৰু পিতৃঋণ, এই তিনি ঋণ শোধ কৰাৰ পিছতহে মনুষ্যই মোক্ষৰ চিন্তা কৰিব লাগে। সেই তিনি ঋণ শোধ নকৰাকৈ মোক্ষৰ চিন্তা কৰিলে অধোগতিহে হয়।

ঋণানি ত্ৰীণ্যপাকৃত্য মনো মোক্ষে নিৱেশয়েৎ।
অনপাকৃত্য মোক্ষন্তু সেৱমানো ব্ৰজত্যধঃ ॥

( মনু, ৬৩৫ )* তাৰে অন্ততঃ পিতৃঋণ শোধ কৰাৰ দায়িত্বৰ কথা কালিদাসে বাৰে বাৰে উল্লেখ কৰিছে। উদাহৰণ যথা—

"অসহ্যপীড়ং ভগৱন ঋণমন্ত্যমৱেহি মে।
অৰুন্তুদমিৱালানমনিৰ্ব্বাণস্য দন্তিনঃ ॥

( ৰঘু ১।৭১ ) আৰু

ন চোপলেভে পূৰ্ব্বেষামৃণনিৰ্ম্মোক্ষসাধনম্।
সুতাভিধানং স জ্যোতিঃ সদ্যঃ শোকতমোপহম্ ॥

( ৰঘু ১০।২ )

কালিদাসৰ কাব্যত মনু স্মৃতিৰ ইমানেই প্ৰভাৱ যে আন কি কোনো কোনো শ্লোকৰ ভিতৰত আখৰৰ মিল পৰ্য্যন্ত পোৱা যায়। যথা—

সমীক্ষ্য স ধৃতঃ সম্যক্ সৰ্ব্বা ৰঞ্জয়তি প্ৰজাঃ।
অসমীক্ষ্য প্ৰণীতস্তু ৱিনাশয়তি সৰ্ব্বতঃ ॥

( মনু ৭।১৯ ) ইয়াৰ প্ৰতিধ্বনি আমি শুনিবলৈ পাওঁ কালিদাসৰ—

যথা প্ৰহ্লাদনাচ্চন্দ্ৰঃ প্ৰতাপাত্তপনো যথা।
তথৈৱ সোঽভূদন্বৰ্থো ৰাজা প্ৰকৃতিৰঞ্জনাৎ ॥

( ৰঘু ৪।১২ ) এই শ্লোকত।

এই কালিদাসে স্মৃতিশাস্ত্ৰৰ চতুৰ্ব্বৰ্ণৰ ব্যৱস্থা আৰু ব্ৰহ্মচৰ্য্যাদি চাৰি আশ্ৰমৰ ব্যৱস্থা সম্পূৰ্ণৰূপে মানি লৈছে।]

স্মৃতিৰ মতে ক্ষত্ৰিয়ৰ যুদ্ধ, বৈশ্যৰ বাণিজ্য আদি বিহিত কৰ্ম্ম গৃহস্থাশ্ৰমতে শেষ হ'ব। গৃহস্থই যেতিয়া দেখিব যে তেওঁৰ ছাল সোতোৰাসোতোৰ হৈছে, চুলি পকিছে আৰু পো নাতি হৈছে, তেতিয়া তেওঁ ঘৰ আৰু ভাৰ্য্যাক পুতেকৰ হাতত দি অৰণ্যত প্ৰৱেশ কৰি সন্ন্যাস গ্ৰহণ কৰি গৃহস্থাশ্ৰমৰ বিহিত কৰ্ম্মসমূহ ত্যাগ কৰিব।

গৃহস্থস্তু যদা পশ্যেদ্বলীপলিতমাত্মনঃ।
অপত্যস্যৈৱ চাপত্যং তদাৰণ্যং সমাশ্ৰয়েৎ ॥

( মনু ৬।২ )

কালিদাসৰ কাব্যতো ৰঘুবংশীয় আদৰ্শ ৰজাসকলে বাল্যকালত বিদ্যালাভ, যৌৱনত গৃহস্থাশ্ৰম, বৃদ্ধকালত মুনিবৃত্তি গ্ৰহণ কৰি অৱশেষত যোগবলত তনুত্যাগ কৰে। তুলনীয়

"শৈশৱেঽভ্যস্তৱিদ্যানাং যৌৱনে বিষয়ৈষিণাম্।
বাৰ্দ্ধকে মুনিবৃত্তীনাং যোগেনান্তে তনুত্যজাম্ ॥"

ইত্যাদি। ( ৰঘু, ১৮ )

কালিদাসীয় কাব্যৰ ৰঘুবংশীয় ৰজাসকলে নিজ তনয় উপযুক্ত হোৱাৰ পাছত গৃহস্থাশ্ৰম পালন কৰি নাথাকে। তুলনীয়—

"প্ৰথমপৰিগতাৰ্থস্তং ৰঘুঃ সন্নিবৃত্তং,
ৱিজয়িনমভিনন্দ্য শ্লাঘ্যজায়াসমেতম্।
তদুপহিতকুটুম্বঃ শান্তিমাৰ্গোৎসুকোঽভূৎ,
ন হি সতি কুলধুৰ্য্যে সূৰ্য্যৱংশ্যা গৃহায় ॥

( ৰঘু ৭।৭১ )

আকৌ শকুন্তলা নাটকৰ চতুৰ্থাঙ্কত শকুন্তলাই কণ্বমুনিক সুধিলে বোলে "পিতা, আকৌ কেতিয়া তপোবনলৈ আহিম?" তাৰ উত্তৰত মুনিয়ে ক'লে "বহু বছৰ ধৰি দিগন্তপৰ্য্যন্ত পৃথিৱীৰ সপত্নী হৈ দুষ্যন্তৰ পুত্ৰক জন্ম দি তেওঁৰ ওপৰত ৰাজ্যভাৰ দি শান্তিলাভৰ কাৰণে স্বামীৰ সৈতে পুনৰ তপোবনলৈ আহিবাঁ।"

"ভূত্বা চিৰায় সদিগন্তমহীসপত্নী দৌষ্যন্তিমপ্ৰতিৰথং তনয়ং প্ৰসূয়।

* দ্ৰষ্টব্য, মনু, ৬।৯৪।



তৎসন্নিৱেশিতধুৰেণ সহৈৱ ভৰ্ত্ৰা, শান্তে্য
কৰিষ্য সি পদং পুনৰাশ্ৰমেঽস্মিন্ ॥" শকু ।৪

এই বিশ্লেষণৰপৰা আমি বুজিব পাৰিলোঁ যে কালিদাসে নিজৰ কাব্যত ষাইকৈ স্মৃতিৰ সমাজ ব্যৱস্থাটিকে চিত্ৰিত কৰিছে। এই ফালৰপৰা চাবলৈ গ'লে শঙ্কৰাচাৰ্য্যৰ ব্যাখ্যা অনুযায়ী নিঃশ্ৰেয়স লাভৰ কাৰণে কালিদাসেও যে সন্ন্যাসৰ আদৰ্শকে দাঙি ধৰিছে, তাত সন্দেহ নাই। এই বিষয়ত অলপতে উদ্ধৃত কৰা ৰঘু ।৭ আৰু শকুন্তলা ।৪ ৰ শ্লোক দুটিৰ "শান্তিমাৰ্গোৎ সুকোঽভূৎ" আৰু "শান্তে্য কৰিষ্যসি পদং" এই কথা দুটিয়েই যথেষ্ট প্ৰমাণ দিয়ে। কিয়নো শান্তি বা পৰাশান্তিয়েই হৈছে মোক্ষ। মোক্ষৰ প্ৰতি সত্ত্বশুদ্ধিৰ হেতু ৰূপে বিহিত কৰ্ম্মৰ অনুষ্ঠান শঙ্কৰাচাৰ্য্যই প্ৰতিপাদন কৰাৰ দৰে স্মৃতিতো কৈছে যে তপঃ আচৰণৰদ্বাৰা পাপ নাশ হয় আৰু তত্ত্বজ্ঞানৰদ্বাৰা অমৃত ( মোক্ষ ) লাভ হয়।

"তপো ৱিদ্যা চ ৱিপ্ৰস্য নিঃ শ্ৰেয়সকৰং পৰম্।
তপসা কিল্বিষং হন্তি ৱিদ্যয়ামৃতমশ্নুতে ॥

( মনু, ১২।১০৪ )

এই শ্লোকত তপঃ শব্দৰ অৰ্থ স্বধৰ্ম্মৰ অনুষ্ঠান অৰ্থাৎ আশ্ৰমবিহিত কৰ্ম্মৰ অনুষ্ঠান।* এই স্মৃতি বাক্যৰ লগত মিল ৰাখিয়েই শকুন্তলাৰ দ্বিতীয় অঙ্কত ঋষিকুমাৰ দুজনে এই কথা কৈছে যে আশ্ৰমৰক্ষা ৰূপ স্বধৰ্ম্মৰ † অনুষ্ঠানৰদ্বাৰাই দুষ্যন্তই নিতৌ তপঃ আচৰণ কৰিছে। তুলনীয়—

অধ্যাক্ৰান্তা ৱসতিৰমুনাপ্যাশ্ৰমে সৰ্ব্বভোগ্যে ৰক্ষা-
যোগাদয়মপি তপঃ প্ৰত্যহং সঞ্চিনোতি।
অস্যাপি দ্যাং স্পৃশতি ৱশিনশ্চাৰণদ্বন্দ্বগীতঃ
পুণ্যঃ শব্দো মুনিৰিতি মুহুঃ কেৱলং ৰাজপূৰ্ব্বঃ ॥ (শকু ।২)

এই শ্লোকৰ "ৱশিনঃ" পদটি লক্ষ্য কৰিব লগীয়া। ঋষিকুমাৰসকলৰ দৃষ্টিত দুষ্যন্তৰ দৰে এজন আদৰ্শ কৰ্ম্মতৎপৰ ৰজা বশী অৰ্থাৎ ইন্দ্ৰিয়বিজয়ী হোৱাই বাঞ্ছনীয়। এই ইন্দ্ৰিয়জয়ৰ অভাৱতে যক্ষ, দুষ্যন্ত, শকুন্তলা আদিৰ বিৰহ-কষ্ট হৈছিল। বিশেষকৈ ৰজা যে ইন্দ্ৰিয়বিজয়ী হ'ব লাগে তাৰ বিষয়ে মনুসংহিতাত এনে দৰে আছে—

ইন্দ্ৰিয়ানাং জয়ে যোগং সমাতিষ্ঠেদ্দিৱানিশং।
জিতেন্দ্ৰিয়ো হি শক্লোতি বশে স্থাপয়িতুং প্ৰজাঃ ॥

( মনু, ৭/৪৪ )

কালিদাসে এই দৰেই অনাসক্তভাৱেই বিহিত কৰ্ম্ম কৰি থকাৰ আদৰ্শ দাঙি ধৰিছে। তেওঁৰ মতে মনোবিকাৰ হ'বৰ নানা কাৰণ থকাতো যাৰ সংযম অটুট থাকে তেৱেঁই ধীৰ। 'ৱিকাৰ হেতৌ সতি ৱিক্ৰিয়ন্তে যেষাং ন চেতাংসি ত এৱ ধীৰাঃ ॥'

( কুমাৰ ১/৫৯ )

এই দৰে ইন্দ্ৰিয়সংযমপূৰ্ব্বক বিহিত কৰ্ম্ম একনিষ্ঠ ভাৱে পালন কৰাৰ যি আদৰ্শ, সেইটো স্মৃতিৰদ্বাৰা অনুপ্ৰাণিত হোৱা বুলি ধৰি ললেও তাক আমি 'কৰ্ম্মযোগ'ৰ আদৰ্শ বুলিয়েই অভিহিত কৰিব পাৰোঁ। কিয়নো মনুসংহিতাৰ ১২/২, ১২/০৭, ১২/১১৯ আদিত 'কৰ্ম্মযোগ' পদটি ব্যৱহৃত হৈছে "কৰ্ম্মসম্বন্ধ" অৰ্থত।*

এই খিনিতে লক্ষ্য কৰিবলগীয়া যে গীতাশাস্ত্ৰৰ মতেই হওক বা স্মৃতিশাস্ত্ৰৰ মতেই হওক সন্ন্যাসীসকল হ'ব লাগিব সুখ, দুখ এই উভয় অৱস্থাতে নিৰ্লিপ্ত।†

* "তপঃ স্বধৰ্ম্মবৃত্তিত্বমিতি ভাৰতদৰ্শনাৎ আশ্ৰমৱিহিতং কৰ্ম্ম" ( কুল্লুকভট্টৰ টীকা )

† "স্বে স্বে ধৰ্ম্মে নিৱিষ্টানাং সৰ্ব্বেষামনুপূৰ্ব্বশঃ। বৰ্ণানামাশ্ৰমাণাঞ্চ ৰাজা সৃষ্টোঽভিৰক্ষিতা ॥" (মনু, ৭।৩৫)

* "আত্মৈৱ দেৱতাঃ সৰ্ব্বাঃ সৰ্ব্বমাত্মন্যৱস্থিতম্। আত্মা হি জনয়ত্যেষাং কৰ্ম্মযোগং শৰীৰিণাম্" ( মনু, ১২/১১৯ ) আদি পদৰ কুল্লুকভট্টকৃত টীকা দ্ৰষ্টব্য ॥

† গীতা, ২/৫৬, মনু, ৬/৭২-৮১ ইত্যাদি দ্ৰষ্টব্য।

কিন্তু কুমাৰসম্ভৱত "ৱিকাৰহেতৌ সতি" ইত্যাদি কৈছে যদিও কালিদাসৰ সন্ন্যাসীসকল জাগতিক সুখ দুখৰ অৱস্থাত সম্পূৰ্ণৰূপে নিৰ্ব্বিকাৰ হৈ থাকিব পৰা নাই। কুমাৰসম্ভৱত উমাৰ প্ৰতি শিৱৰ যি দুৰ্ব্বলতা তাক হয়তো আমি উমাৰ তপস্যাৰ ফল বুলিয়েই ব্যাখ্যা কৰিব পাৰোঁ। (ক্ৰীতস্তপোভিৰিতি বাদিনি চন্দ্ৰমৌলৌ। কুমাৰ, ৫।৮৬।) কিন্তু শকুন্তলাৰ বিদায় বেলাত কণ্বমুনিৰ যি শোকাবেগ সি এক সম্পূৰ্ণৰূপে মানৱীয় অনুভূতি। মুনিৰ হৃদয় শোকে খুন্দা মাৰি ধৰিছে। তেওঁৰ মাত থোকাথুকি হৈছে আৰু নিজেই ভাবিছে যে অৰণ্যবাসী মুনিৰে এনে অৱস্থা হ'লে গৃহস্থৰ যে কি দুৰ্দশা ন'হব! তেওঁ কৈছে "যাস্যত্যদ্য শকুন্তলেতি হৃদয়ং সংস্পৃষ্ট-মুৎকণ্ঠয়া অন্তৰ্ব্বাষ্প ভবোপৰোধি গদিতং চিন্তাজড়ং দৰ্শনম্। ৱৈকল্যং মম তাৱদীদৃশমহো স্নেহাদৰণ্যৌকসঃ পীড্যন্তে গৃহিণঃ কথং নু তনয়া বিশ্লেষ দুঃ খৈৰ্নৱৈঃ॥" (শকু/৪) কণ্বই নিজেই এই কথা কৈছে যে "বনবাসী হ'লেও তেওঁলোক লৌকিকাচাৰৰ বিষয়ে অভিজ্ঞ।" ("ৱনৌকসোঽপি বয়ং লোকজ্ঞা এৱ" শকু/৪)।

মুনিৰ হৃদয়ৰ এই যি অনুভূতি সি দৰাচলতে কৰিব নিজৰে অনুভূতি। কন্যাবিদায়ৰ সময়ত পিতৃ-হৃদয়ৰ যি শোক, তাক কৰিয়ে প্ৰথমে নিজেই এক বিশাল সহানুভূতিৰে অনুভৱ কৰিছে। অভিনৱ গুপ্তৰ গুৰু ভট্ট টৌতৰ মতে নায়ক, কৱি আৰু দৰ্শক বা কাব্যৰ পাঠকৰ একে ধৰণৰ অনুভূতি হয়। "নায়কস্য কৱেঃ শ্ৰোতুঃ সমানোঽনুভৱস্ততঃ"। গতিকে মানুহৰ সুকুমাৰ অনুভূতিবিলাকৰ প্ৰতি সম্পূৰ্ণ সচেতন কবি জনাই এজন মুনিৰ চৰিত্ৰ অঙ্কন কৰাৰ সময়তো তেওঁক নিৰ্ব্বিকাৰ ৰূপে চিত্ৰিত কৰিব পৰা নাই। আদৰ্শবাদী হ'লেও কালিদাস Wordsworth ৰ skylark টোৰ দৰে "true to the kindred points of heaven and home"। সেই কাৰণেই নিঃসন্তান দিলীপৰ হৃদয়তন্ত্ৰীত যি বেদনাৰ সুৰ, তাকো তেওঁ এক বিশাল সহানুভূতিৰে ৰূপ দিব পাৰিছে। আচলতে এনে সহানুভূতিৰ এক সাৰ্থক ৰূপায়ণ থাকে কাৰণেই কাব্য কাব্য, শাস্ত্ৰ নহয় আৰু এক বিশাল আদৰ্শৰ প্ৰতিপাদনৰদ্বাৰা কালিদাসৰ কাব্যই শাস্ত্ৰৰ মৰ্য্যাদা লাভ কৰিছে যদিও সি আমাৰ ইমান আদৰণীয়॥

---

> "যি সকলে মাত্ৰ এই সসীম পৃথিৱীৰ বন্দনা কৰে তেওঁলোক অন্ধকাৰতে থাকে, যি সকলে কেৱলমাত্ৰ অসীমৰ আৰাধনা কৰে তেওঁলোক আৰু বেচি অন্ধকাৰত প্ৰৱেশ কৰে। যি জনে এই দুয়োকো গ্ৰহণ কৰে, তেওঁ এটাৰ জ্ঞানেৰে মৃত্যুৰপৰা উত্তীৰ্ণ হয় আৰু আনটোৰ জ্ঞানেৰে অমৃতত্ব লাভ কৰে।"
>
> —ঈশ উপনিষদ।

# তীৰ্থ ভ্ৰমণ ঃ কেদাৰ-বদৰী

পণ্ডিত ৺প্ৰতাপচন্দ্ৰ গোস্বামী
বিদ্যাবিনোদ, ধৰ্ম্ম ভূষণ

[ ভ্ৰমণ কাহিনীয়ে পাঠকৰ গতিশীল মনত আনন্দৰ হিল্লোল তোলে, "তীৰ্থ ভ্ৰমণে"ও সেই উদ্দেশ্য সাধন কৰিব বুলি অধ্যাপক প্ৰমোদচন্দ্ৰ ভট্টাচাৰ্য্য দেৱৰ যোগেদি পোৱা স্বৰ্গীয় পণ্ডিত প্ৰতাপচন্দ্ৰ গোস্বামী দেৱৰ উত্তৰ ভাৰতৰ তীৰ্থ ভ্ৰমণৰ বিৱৰণ ছোৱা ছোৱাকৈ সাহিত্য সভা পত্ৰিকাত প্ৰকাশ কৰিবলৈ লোৱা হৈছে আৰু তাৰে প্ৰথম ছোৱা এই সংখ্যাত প্ৰকাশ কৰা হল।
—সম্পাদক, সা. স. পত্ৰিকা ]

* * * * *

অসম সাহিত্য সভাৰ সংগঠনৰ কামত কামৰূপ আৰু গুৱালপাৰাত ভ্ৰমণ কৰোঁতে পণ্ডিত শ্ৰীপ্ৰতাপচন্দ্ৰ গোস্বামী বিদ্যাবিশাৰদ ধৰ্ম্মভূষণদেৱে তেওঁৰ নিজ-হাতে লেখা (১৯৪৭ ইং খৃষ্টাব্দত) তীৰ্থ ভ্ৰমণ: কেদাৰ বদৰী নামৰ এই অসম্পূৰ্ণ পুথিখন অসম সাহিত্য সভা পত্ৰিকাত ছপাবৰ কাৰণে মৰম কৰি দিছিল। পুথিখনৰ এটি প্ৰতিলিপি কৰি ৰাখিলোঁ। যদিও পত্ৰিকাখনৰ নিয়মিত প্ৰকাশ, সম্পাদনাৰ ক্ষেত্ৰত কিছু আহকাল ঘটা বাবে লেখকৰ জীৱিতকালত ইয়াক ছপাব পৰা নহ'ল। স্বৰ্গীয় পণ্ডিতপ্ৰবৰৰ পৱিত্ৰ স্মৃতিত আন্তৰিক শ্ৰদ্ধা তৰ্পণ আগবঢ়াই সাহিত্য সভা পত্ৰিকাত এই পুথি এতিয়া ছোৱা ছোৱাকৈ প্ৰকাশ কৰিবলৈকে আগবঢ়োৱা হ'ল।

গোস্বামীদেৱৰ অসমীয়া সাহিত্য, সমাজ আৰু বৈষ্ণৱ ধৰ্ম্মৰ হকে ৰৰঙণি মহান্। তেওঁ নিজে আছিল এটা সাংস্কৃতিক কেন্দ্ৰত। নলবাৰী সত্ৰৰ চৈতন্যপন্থী বৈষ্ণৱ সত্ৰৰ অধিকাৰ ৰূপেই নহয়, নলবাৰীৰ আধুনিকীকৰণ আৰু নৱনিৰ্ম্মাণত এইজনা পণ্ডিতপ্ৰবৰৰ অপৰিসীম দান আছে। দ্বাদশ প্ৰবন্ধ, ভাওঁৰী কীৰ্ত্তন, চৈতন্যচৰিত আদি কমসংখ্যক প্ৰকাশিত পুথি আৰু তীৰ্থ ভ্ৰমণ: কেদাৰ-বদৰী, ভাগৱত ধৰ্ম্ম, আচাৰ্য্য শঙ্কৰ, আত্ম-জীৱনী আদি অপ্ৰকাশিত পুথি তথা অসম সাহিত্য সভা পত্ৰিকা, আসাম বান্ধৱ, আৱাহন আদিৰ চিন্তাশীল প্ৰবন্ধ লেখক আৰু অনুসন্ধানকাৰী ৰূপে গোস্বামীদেৱৰ অসমীয়া সাহিত্য সমাজত স্বকীয়া বৈশিষ্ট্য আছে।

বিশেষকৈ ভাটীৰ ৰংপুৰ কোচবিহাৰত অসমীয়া সাহিত্যৰ অনুসন্ধান কাৰ্য্যই তেওঁৰ অসমীয়া ভাষা-সাহিত্য-সংস্কৃতি প্ৰীতিৰ পৰিচয় দিয়ে। কোচবিহাৰ আৰু ৰংপুৰত অসমীয়া পুথি পত্ৰৰ অনুসন্ধান তালিকা নিৰ্ম্মাণৰ উপৰিও প্ৰাচীন কমতাপুৰৰ ধ্বংসাৱশেষ, কামৰূপৰ বুৰঞ্জীৰ আহিলা, কামৰূপৰ সত্ৰানুষ্ঠান আদি সম্বন্ধে তেওঁৰ লেখাবোৰ তত্ত্বপৰিপূৰ্ণ।

এইজনা পণ্ডিতৰ সোঁৱৰণী ৰক্ষাৰ বাবে তেওঁৰ স্বৰচিত গ্ৰন্থাৱলীৰ সংকলন প্ৰকাশ আৰু স্মাৰক গ্ৰন্থ প্ৰকাশৰ বাবে সংশ্লিষ্ট সুধীবৰ্গ আৰু অনুষ্ঠানৰ দৃষ্টি আকৰ্ষণ কৰিলোঁ।

—শ্ৰীপ্ৰমোদচন্দ্ৰ ভট্টাচাৰ্য্য

(১)

শ্ৰীমদ্ভাগৱত প্ৰভৃতি শাস্ত্ৰত পৃথিৱীক সপ্তদ্বীপ-ময়ী বুলি বৰ্ণনা কৰিছে; যেনে জম্বুদ্বীপ, প্লক্ষদ্বীপ, ক্ৰৌঞ্চদ্বীপ, শাকদ্বীপ, শ্বেতদ্বীপ ইত্যাদি। ইয়াৰ ভিতৰত আমাৰ পৰিদৃশ্যমান পৃথিৱীক জম্বুদ্বীপ বোলে। এচিয়া, ইউৰোপ, আমেৰিকা আৰু অষ্ট্ৰেলিয়া জম্বুদ্বীপৰ অন্তৰ্গত। জম্বুদ্বীপ তিনি ভাগত বিভক্ত; যেনে অশ্বক্ৰান্তা, ৰথক্ৰান্তা, বিষ্ণুক্ৰান্তা। এচিয়াৰ নাম অশ্বক্ৰান্তা, আমেৰিকাৰ নাম ৰথক্ৰান্তা আৰু ইউৰোপৰ নাম বিষ্ণুক্ৰান্তা, অষ্ট্ৰেলিয়াও ইয়াৰ অন্তৰ্গত। জম্বুদ্বীপৰ অশ্বক্ৰান্তা আদি তিনিভাগৰ কথা তন্ত্ৰশাস্ত্ৰত উক্ত আছে। সেই দেখিয়ে জম্বুদ্বীপবাসী হিন্দুসকলে

স্নানৰ সময়ত পৃথিৱীক "অশ্বক্ৰান্তে ৰথক্ৰান্তে বিষ্ণুক্ৰান্তে বসুন্ধৰে" ইত্যাদি মন্ত্ৰেৰে স্তুতি কৰে।

জম্বুদ্বীপ প্ৰধান তিনিভাগত বিভক্ত হলেও ই আৰু ন খন বৰ্ষত ভাগ হৈছে—ভাৰতবৰ্ষ, কেতুমালবৰ্ষ, ইলাবৃত্তবৰ্ষ ইত্যাদি। ভাৰতবৰ্ষ আৰু প্ৰধান দুই ভাগত বিভক্ত; আৰ্য্যাৱৰ্ত্ত আৰু দাক্ষিণাত্য। হিমালয় আৰু বিন্ধ্য পৰ্ব্বতৰ মাজডোখৰ আৰ্য্যাৱৰ্ত্ত, বিন্ধ্য পৰ্ব্বতৰ দক্ষিণ অংশ দাক্ষিণাত্য।

ভাৰতবৰ্ষ এখন বিশাল দেশ। ইয়াক মহাদেশো বুলিব পাৰি। ভাৰতবৰ্ষৰ সীমা উত্তৰে হিমালয়, দক্ষিণে কন্যাকুমাৰী, পূব আৰু পশ্চিম ফালে সাগৰ। পশ্চিমে আফগানিস্থান বা কাবুল পূবে ব্ৰহ্ম দেশ বা মানদেশ প্ৰাচীনকালত ভাৰতবৰ্ষৰ অন্তৰ্গত আছিল।

ভাৰতবৰ্ষ কৰ্ম্মভূমি। পুণ্যস্থান। ভাৰতবৰ্ষত অশেষ পুণ্যৰ ফলতহে মানুহে জন্মলাভ কৰে। দেৱতা সকলেও ভাৰতবৰ্ষত জন্মলাভ কৰিবৰ বাঞ্ছা কৰে। ভাৰতবৰ্ষৰ লোকে নিজৰ পূৰ্ব জন্মৰ সুকৃতি দুষ্কৃতিৰ ফলত শুভ বা অন্য ফল ভোগ কৰে।

সমস্ত ভাৰতবৰ্ষ নানা তীৰ্থস্থানেৰে পৰিপূৰ্ণ। সাধু সন্তসকলে তীৰ্থ ভ্ৰমণ উদ্দেশ্যে সমস্ত ভাৰতবৰ্ষ পৰিভ্ৰমণ কৰি নিজৰ জীৱন ধন্য কৰে।

"অযোধ্যা মথুৰা মায়া কাশী কাঞ্চী অৱন্তিকা।
পুৰী দ্বাৰাৱতী চৈব অষ্টৈতে মোক্ষদায়িকা॥

অযোধ্যা, মথুৰা, মায়াপুৰ, * কাশী, কাঞ্চী, অৱন্তীনগৰ, জগন্নাথপুৰী আৰু দ্বাৰকা এইসকল তীৰ্থ মোক্ষদায়ক। এইসকল তীৰ্থ পৰিভ্ৰমণ কৰিলে ভাৰতবৰ্ষও পৰিভ্ৰমণ কৰা হয়।

গোটেই জম্বুদ্বীপ নহলেও জন্মভূমি ভাৰতবৰ্ষ পৰিভ্ৰমণ কৰা জীৱনত শ্ৰেষ্ঠ উদ্দেশ্য বুলি সকলোৱে ভবা উচিত আৰু পাৰিলে ভ্ৰমণো কৰিব লাগে। দেশ ভ্ৰমণ তীৰ্থ পৰ্য্যটন আদিৰ উপকাৰিতাৰ কথা ইয়াত নকলেও হব।

হৰিদ্বাৰৰপৰা উত্তৰে সমস্ত হিমালয় প্ৰদেশ উত্তৰাখণ্ড, উত্তৰপথ, তপোভূমি ইত্যাদি নামত পৰিচিত। এই উত্তৰাখণ্ডৰ মাহাত্ম্য আৰু সমস্ত তীৰ্থাদিৰ বিৱৰণ স্কন্দ পুৰাণৰ কেদাৰখণ্ডত বাইশ হেজাৰ শ্লোকেৰে বৰ্ণোৱা আছে। উত্তৰাখণ্ডৰ সীমা দক্ষিণে হৰিদ্বাৰ উত্তৰে তিব্বত দেশ বা কিংপুৰুষবৰ্ষ; পূব আৰু পশ্চিমে সাগৰ। প্ৰাচীন কালত ঋষি মুনি সকল ভাষা আৰু কৃষ্টি শিক্ষাৰ বাবে উত্তৰাপথলৈ যোৱাৰ কথা শাস্ত্ৰত উক্ত আছে। এনেকি ভগৱান শ্ৰীকৃষ্ণও ভাষা শিক্ষাৰ বাবে উত্তৰাপথলৈ গমন কৰাৰ কথা পোৱা যায়। ভগৱানৰ অৱতাৰ নৰনাৰায়ণ ঋষি উত্তৰাপথত বদৰিকাশ্ৰমৰ ওচৰত নৰনাৰায়ণ পৰ্ব্বতত তপস্যা কৰিছিল। নাৰদ, উদ্ধৱ প্ৰভৃতি মহাভক্তসকলো উত্তৰাপথত বদৰিকাশ্ৰমত বাস কৰাৰ কথা পোৱা যায়। ভগৱান বেদব্যাসেও উত্তৰাপথৰে বদৰীবনত আশ্ৰম স্থাপন কৰি মহাভাৰত, ভাগৱত আৰু অন্যান্য পুৰাণ ৰচনা কৰিছিল। এই উত্তৰাপথকে তপোভূমিও বোলে বুলি পূৰ্ব্বতে উল্লেখ কৰিছোঁ। সাধু-সন্তসকলৰ মুখত শুনিবলৈ পোৱা যায় উত্তৰাখণ্ড বা তপোভূমিত একলক্ষ পচিশ হেজাৰ প্ৰয়াগ * আৰু দুই লক্ষ পচিশ হেজাৰ তপোভূমি বা তীৰ্থস্থান আছে।

এই তীৰ্থসকলৰ ভিতৰতে শ্ৰেষ্ঠ স্থান বদৰিকাশ্ৰম, কেদাৰনাথ, গঙ্গোত্তৰী যমুনোত্তৰী প্ৰভৃতি বৰ্ত্তমান গাঢ়োৱাল ৰাজ্যৰ ভিতৰত পৰে।

* মায়াপুৰ স্থান—হৰিদ্বাৰ আৰু কামৰূপ।

* নদীৰ সঙ্গম স্থানক প্ৰয়াগ বোলে।



( ২ )

গাঢ়োৱাল ৰাজ্য দুই ভাগত বিভক্ত। বৃটিছ গাঢ়োৱাল আৰু স্বাধীন গাঢ়োৱাল। অৱশ্যে এতিয়া বৃটিছ গাঢ়োৱাল ভাৰতীয় ইউনিয়নত পৰিছে। স্বাধীন গাঢ়োৱালেও ভাৰতীয় ইউনিয়নত যোগ দিছে। স্বাধীন গাঢ়োৱালক তিহৰী ৰাজ্য বোলে। তিহৰীৰ বৰ্ত্তমান ৰাজধানী নৰেন্দ্ৰনগৰ। আগেয়ে শ্ৰীনগৰত ৰাজধানী আছিল। এতিয়াও শ্ৰীনগৰ এখন ডাঙৰ চহৰ। গাঢ়োৱাল * ৰাজ্যৰ চমু পৰিচয় তলত উল্লেখ কৰিলোঁ।

ইংৰাজী ১৮০৩ চনত নেপালী গুৰ্খাবিলাকে গাঢ়োৱাল ৰাজ্য আক্ৰমণ কৰে। ৰজাই উপায় নাপাই বৃটিছৰ অৰ্থাৎ ইষ্ট ইণ্ডিয়া কোম্পানীৰ সাহায্য প্ৰাৰ্থনা কৰে। ইষ্ট ইণ্ডিয়া কোম্পানীয়ে ৰজাৰ প্ৰাৰ্থনা অনুসাৰে ৰজাক সহায় কৰে আৰু ১৮১৫ চনত গুৰ্খাসকলৰপৰা গাঢ়োৱাল ৰাজ্য উদ্ধাৰ কৰে। ফলত গাঢ়োৱাল ৰাজ্যৰ অৰ্দ্ধাংশ বৃটিছৰ ভাগত পৰে। এয়ে বৃটিছ গাঢ়োৱালৰ উৎপত্তিৰ চমু ইতিহাস। তীৰ্থস্থানবিলাক স্বাধীন গঢ়োৱাল আৰু বৃটিছ গাঢ়োৱাল দুয়োভাগতে আছে।

বৃটিছ গাঢ়োৱালৰ পৰিমাণ ৫৬২১ বৰ্গমাইল। লোকসংখ্যা ১৯৪১ চনৰ লোকগণনা অনুসাৰে ৬ লক্ষ। গাঁৱৰ সংখ্যা ৪৫২৩। স্বাধীন গাঢ়োৱালৰ আয়তন ৪৫০০ মাইল। লোকসংখ্যা ৫৩৯৯৮৯। গাঁৱৰ সংখ্যা ২৪৫৬।

গঙ্গাৰ উৎপত্তিস্থান গঙ্গোত্ৰী আৰু যমুনাৰ উৎপত্তিস্থান যমুনোত্ৰী স্বাধীন গাঢ়োৱাল বা তিহৰী ৰাজ্যত। কেদাৰনাথ আৰু বদৰীনাথ বৃটিছ গাঢ়োৱালত। ইয়াৰ বাহিৰেও গাঢ়োৱালত হিমালয়ৰ বহুতো উচ্চ শৃঙ্গ আছে; যেনে নন্দাদেৱী ৫৬৪৫ ফুট। ত্ৰিশূল ২৩৩৬০ ফুট। দুনাগিৰি ২৩৬৬০ ফুট। যানা ২৩৮৬০ ফুট ইত্যাদি। পাশ্চাত্য দেশৰপৰা প্ৰসিদ্ধ পৰ্ব্বত আৰোহীসকল আহি ওপৰত উল্লেখ কৰা শৃঙ্গবিলাকৰ অনেক শৃঙ্গত আৰোহণ কৰি জগতক চমৎকৃত কৰিছে।

গাঢ়োৱালৰ জলবায়ু অতি উত্তম। যোৱা-অহাৰ সুবিধা থাকিলে স্বাস্থ্য-নিবাসত পৰিণত হল হয়। এতিয়া ঠায়ে ঠায়ে মটৰ যাব পৰা আলিবাট হৈছে আৰু হবৰ উপক্ৰম হৈছে। আশা কৰিব পাৰি আৰু দুই চাৰি বছৰৰ পাছত যাতায়াতৰ অসুবিধা দূৰ হব। তেতিয়া গাঢ়োৱাল এখন সুন্দৰ স্বাস্থ্য-নিবাসত পৰিণত হব। কিন্তু তেতিয়া তীৰ্থ মাহাত্ম্য অনেক কম হব যেন লাগে। এতিয়া দুঃসাহসী পৰ্ব্বত-আৰোহীসকল আৰু পুণ্যাকাঙ্ক্ষী তীৰ্থযাত্ৰী, পৰিত্ৰহৃদয় সাধুসন্তসকলৰ বাহিৰে আন মানুহ কষ্ট কৰি যাব নোখোজে। বাটৰ অসুবিধা দূৰ হলে তীৰ্থস্থান আদিলৈ অধোগামী আৰু দুষ্কৃতিপৰায়ণ লোকসকলে বহু পৰিমাণে যাতায়াত কৰিব। গতিকে সেইসকল লোকৰ বাক্য আৰু কাৰ্য্যৰ ফলত তীৰ্থ মাহাত্ম্য কম হব বুলি অনুমান কৰা অযৌক্তিক নহব।

গাঢ়োৱালক প্ৰাচীন কালত কুবেৰ ভাণ্ডাৰো বুলিছিল। মহাভাৰতত পোৱা যায়—মধ্যম পাণ্ডৱ অৰ্জ্জুনে যুধিষ্ঠিৰ ৰজাৰ ৰাজসূয় যজ্ঞৰ কাৰণে অলকা-পুৰীৰপৰা কুবেৰক খুজি অনেক ধন সংগ্ৰহ কৰিছিল। অলকাপুৰী বদৰীকাশ্ৰমৰ ওচৰত। এতিয়াও গাঢ়ো-ৱালত অনেক মূল্যৱান গছ, অনেক ঔষধি পোৱা যায়। যাতায়াতৰ অসুবিধাৰ কাৰণে ঔষধিবিলাক পাহাৰতে জন্মে আৰু পাহাৰতে মৰে। এতিয়াও সম্পূৰ্ণৰূপে লোকৰ উপকাৰত লগা নাই। গছৰ ভিতৰত পাইন গছ কৰতেৰে ফালি অলকানন্দা আৰু মন্দাকিনীৰ স্ৰোতত ভহাই হৰিদ্বাৰলৈ আনে।

* বহুতো সৰু সৰু গড় থকাৰ বাবে নাম হল গড়ৱাল বা গাঢ়োৱাল ( কাৰো কাৰো মত )।

কাঠ ফলা কৰতৰ কল গাড়োৱালত আছে। আন গধুৰ আৰু ভাল কাঠ পানীত ভাহি নহাৰ কাৰণে আনিব নোৱাৰে। মোটৰ-ৰাস্তা হলে সেইবোৰ কাঠো মোটৰ লৰীৰে আনি গাড়োৱালৰ শ্ৰীবৃদ্ধি কৰিব পাৰিব। ইয়াৰ বাহিৰেও অনেক মূল্যৱান ধাতু-উপধাতু গাড়োৱালৰ পৰ্ব্বতত থকা বুলি তাৰ শিক্ষিত মানুহে অনুমান কৰে।

গাড়োৱালত অনেক উচ্চ জলপ্ৰপাত আছে। শুনিব পালোঁ নায়াৰ নদীত বাঁধ ( বান্ধ ) দি বিজুলী উৎপাদন আৰু জলসিঞ্চনৰ ব্যৱস্থাৰ বাবে এটা পৰিকল্পনা তৈয়াৰ কৰিছে। এই পৰিকল্পনাত ১৮ কোটি টকা খৰচ হব। এই কাৰ্য্য হৈ উঠিলে গাড়োৱালৰ আৰ্থিক উন্নতি বহু পৰিমাণে বৃদ্ধি হব।

গাড়োৱালৰ আধুনিক শিক্ষাৰ অৱস্থা বেয়া। সমস্ত গাড়োৱালৰ ভিতৰত এজন মাত্ৰ বাৰিষ্টাৰ আছে। ইংৰাজী জনা লোকৰ সংখ্যাও কম। এম-এ, বি-এ, বা বি-এল, কিমান আছে মানুহক সুধি পুচিও জানিব নোৱাৰিলোঁ। অলপ সংস্কৃত, কিছু হিন্দী বহুতে জানে। ঠায়ে ঠায়ে সংস্কৃত পাঠশালা আছে। এতিয়া হিন্দী মিডিল স্কুলো দুই চাৰিখন হব ধৰিছে। হাইস্কুলো আৰম্ভ হৈছে।

গাড়োৱালৰ অধিবাসী ব্ৰাহ্মণ আৰু ক্ষত্ৰিয় মাত্ৰ বুলিলেও বেছি কোৱা নহয়। আন জাতিৰ লোক সামান্য দুই চাৰিজন আছে। লোকসকল হৃষ্টপুষ্ট আৰু সৌন্দৰ্য্যশালী। মুনিহ আৰু তিৰোতা সমানে সুন্দৰ। কাকো কম বেছি বুলিব নোৱাৰি। কিন্তু থকা মেলাত অপৰিষ্কাৰ। কাপোৰ বৰ ময়লা। ধোৱাৰ ব্যৱস্থা নাই। কিন্তু বাচন বৰ্ত্তন সুন্দৰ পৰিষ্কাৰ।

প্ৰায় সকলোৰে পোছাক পাহাৰী ধৰণৰ। ভুটীয়াসকলৰ অনুৰূপ। কিন্তু চহৰবিলাকত যেনে শ্ৰীনগৰ, গুপ্তকাশী, পিপলবটী আদি ঠাইত আধুনিক শাড়ী আৰু চোলাৰো ব্যৱহাৰ দেখিলোঁ। এইবিলাক পোছাক পৰিষ্কাৰো। এনেকুৱা ঠাইত অনেক মুনিহেও কোট পেণ্ট ব্যৱহাৰ কৰে।

কাপোৰ আৰু গা নোধোৱাৰ কাৰণ জাৰ আৰু কাপোৰৰ কমতিয়ে প্ৰধান। অনেক লোকৰ মাত্ৰ একোটা কম্বলৰ পোছাক আৰু তাৰ দাম কমপক্ষেও ৬০।৭০ টকাৰ কম নহব। ইয়াকো মানুহে কিনি লব নোৱাৰে। ঘৰতে উৎপন্ন কৰি লয়। বছৰত প্ৰতিঘৰ মানুহে ভেৰাৰ নোম সংগ্ৰহ কৰি সূতা কাটি কাপোৰ বই এখনৰ বেছি কম্বল তৈয়াৰ কৰিব নোৱাৰে। গতিকে এঘৰ মানুহত পাঁচটা কৈ ধৰিলেও জনেপ্ৰতি প্ৰতি পাঁচ বছৰত এজনে মাত্ৰ পোছাক পাব পাৰে। এই কম্বলৰ পোছাক ধুই থলে কোমল ৰ'দত এদিনত কেতিয়াও শুকাব নোৱাৰে। বিশেষত গাড়োৱালত প্ৰায় বতৰ ডাৱৰীয়া। কাপোৰ নুশুকালে পিন্ধিবলৈ আৰু বেলেগ কাপোৰ নাথাকে, বোধকৰো ইত্যাদি কাৰণতে কাপোৰ ধুই লব নোৱাৰে।

তিৰোতাবিলাক অলঙ্কাৰপ্ৰিয়। তেওঁলোকে নানা প্ৰকাৰ ৰূপৰ আৰু কম পৰিমাণে সোণৰ অলঙ্কাৰ ব্যৱহাৰ কৰে।

তিৰোতাবিলাকৰ কাপোৰ ময়লা হলেও তেওঁলোকৰ সৌন্দৰ্য্য চাবলগীয়া।

মানুহৰ স্বভাৱ অতি শিষ্ট। টান মুখৰ মাত প্ৰায় শুনা নাযায়। সত্যবাদী আৰু সহানুভূতিশীল। নিজেও বিশ্বাসী আৰু আনলোককো বিশ্বাস কৰে। দোকানীবিলাকে অনেক সময়ত দোকানৰ বস্তু গ্ৰাহকক জুখি আনিব দিয়ে। দাম লবৰ সময়ত গ্ৰাহকক সুধি দাম লয়। কোনে কি বস্তু নিলে, তাৰ হিচাপ নাৰাখে।

মাজ হিমালয়ৰ অন্তৰ্গত গাড়োৱালৰ পৱিত্ৰ তীৰ্থ কেদাৰনাথ বদৰীনাথ আদি চাবৰ বহুদিনৰ হেঁপাহ আছিল। কেইবাবাৰো যাবৰ মন কৰিও ভগৱানৰ কৃপা নোহোৱাত যাব পৰা নাছিলোঁ। এইবাৰ



অৰ্থাৎ ১৮৬৯ শকৰ বহাগ মাহত শ্ৰীশ্ৰীভগৱানৰ কৃপাত যোৱা হৈ উঠিল। নিৰাপদে অতি সুখত চিৰাকাঙ্ক্ষিত বদৰীনাৰায়ণ আৰু কেদাৰনাথ দৰ্শন কৰি পৰম শান্তিলাভ কৰিলোঁ। যাত্ৰা স্থানৰ বিৱৰণ আৰু সেই সকল স্থান দেখি মোৰ মনত যি ধাৰণা হৈছিল ভগৱানৰ কৃপা হলে সেইবিলাক কথা কবৰ চেষ্টা কৰিম।

মূকং কৰোতি ৱাচালং পঙ্গুং লঙ্ঘয়তে গিৰিম্।
যৎ কৃপা ত্বমহং ৱন্দে পৰমানন্দমাধৱম্ ॥

১৮৬৮ শকৰ কাতি মাহ। এদিন শ্ৰীমান গঙ্গানাথ শৰ্ম্মাই মোৰ ঘৰত বহি কথা-প্ৰসঙ্গত কলে। তেওঁ কোচবিহাৰৰপৰা ৫।৬ জনমান যাত্ৰী লৈ শ্ৰীশ্ৰী৺বদৰিকাশ্ৰমলৈ যাব আৰু বহাগ বিহুৰ দিনাখন হৰিদ্বাৰত স্নান কৰিব পৰাকৈ কোচবিহাৰৰ পৰা যাত্ৰা কৰিব। যিহেতু মেষাৰ্কত হৰিদ্বাৰত গঙ্গাস্নান অতি পৱিত্ৰ। বহাগৰ অক্ষয় তৃতীয়াৰ দিনা বদৰিকা যাত্ৰা আৰম্ভ হব।

শ্ৰীমান গঙ্গানাথক দক্ষিণাই অলপ দিলোঁ। গঙ্গানাথ আমাৰ গাঁৱৰে বামুণ। বয়সত মোতকৈ ৮।১০ বছৰমান সৰু হব। স্বভাৱ অতি সুন্দৰ, হৃদয় উদাৰ। শত্ৰু-মিত্ৰ জ্ঞান নাই। সকলোকে সমান দেখে। বছৰৰ ভিতৰত ৪ মাহমান আৰ্জে আৰু ৮ মাহমান বহি খায়। ব্যৱসায় পৌৰোহিত্য। কোচবিহাৰত বিলাত কৰি যজমান যজে। সময়ে সময়ে ১০।১২ জন যাত্ৰী যোগাৰ কৰি তীৰ্থ-ভ্ৰমণ কৰে। নিজে দুখীয়া, গতিকে ধন খৰচ কৰি তীৰ্থ ভ্ৰমণ কৰিব নোৱাৰে বাবে যাত্ৰীসকলৰ খৰচতে অহা-যোৱা কৰে। গঙ্গা, গয়া, কাশী, প্ৰয়াগ, মথুৰা বৃন্দাবন, বৈদ্যনাথ, জগন্নাথ পুৰী আৰু কালীঘাট পৰ্য্যন্ত, তেওঁৰ অহা-যোৱা আছে। বদৰিকাৰ ফালে যোৱা নাই।

শুনামাত্ৰে মোৰ মন নাচি উঠিল। ময়ো কলোঁ বোলো শ্ৰীভগৱানে করুণা কৰিলে মোৰো যাবৰ মন আছে। তেওঁ ভাল পালে। যিহেতু বদৰিনাথলৈ যাব খুজিলেও বাট-পথৰ কথা নজনাত আৰু দুৰ্গম স্থলত কেইজনমান মানুহ লৈ যাবলৈ তেওঁ ভয় কৰিছিল। গতিকে মোৰ যাবৰ কথা শুনি তেওঁ আনন্দ লাভ কৰা স্বাভাৱিক।

মই আগৰপৰাই তিনি চাৰিবাৰো যাবৰ মন কৰি বঙালী লোকে লিখা কেইবাখনো কেদাৰ-বদৰী তীৰ্থৰ ভ্ৰমণকাহিনী পঢ়িছিলোঁ। সেই অভিজ্ঞতাৰপৰা তেওঁক কিছু কথা কলোঁ আৰু এখন বদৰীযাত্ৰাৰ পুথি দিলোঁ। তেওঁ মোক লগ পাই সাহস পালে।

মই মনে মনে টকাকড়ি সংগ্ৰহ কৰিব ধৰিলোঁ। মোৰ হিচাপ মতে মোক ২৫০০৲ আঢ়ৈ হাজাৰ মান টকাৰ আৱশ্যক বুলি অনুমান কৰিলোঁ। দূৰবৰ্ত্তী দুৰ্গম স্থান। লগতো কিছু বেছি টকা নিয়া আৱশ্যক। ধাৰ কিছু আছে—তাকো মৰা ভাল। লৰাবিলাকৰ তিনি মাহমানৰ পঢ়া খৰচ আৰু সেই পৰিমাণ কালৰ ঘৰ-খৰচ আদিৰো জোগাৰ দি যাব লাগিব। খাগৰা বাৰীৰ খাটৰ কিছু মাটি বেচিবৰ বন্দবস্ত কৰি ২৫০০ আঢ়ৈ হাজাৰ টকা গোট কৰিলো। এইদৰে টকাৰ লেঠা ভগাত যাত্ৰাৰ আন আন প্ৰয়োজনীয় কাৰ্য্যত লাগি গলোঁ। কিন্তু সকলো কথা গোপনে আৰম্ভ কৰিলোঁ। শ্ৰীমান মণিৰাম দাস প্ৰভৃতি দুইএজন অন্তৰঙ্গ বন্ধুক মাত্ৰ মোৰ যোৱাৰ ইচ্ছা থকাৰ কথা কলোঁ। তেওঁলোকে উৎসাহ দিলে।

ক্ৰমে যিমানে দিন যাই আছে তিমানে মোৰ উৎকণ্ঠা বাঢ়ে। অথচ কৰিবলৈয়ো একো নাই। ৺ জলধৰ সেনৰ হিমালয়ৰপৰা আৰম্ভ কৰি বদৰি-নাৰায়ণ তীৰ্থভ্ৰমণৰ যি যি বঙালী কিতাপ পালোঁ, তাকে পঢ়ো আৰু বাট-পথৰ কঠোৰতাৰ কথা ভাবি ভাবি ভয় আশঙ্কা আৰু উদ্বেগত কষ্ট পাওঁ।

সমশেষত 'মহাপ্ৰস্থানের পথে' বুলি এখন ভ্ৰমণকাহিনী মূলক উপন্যাস পঢ়ি একেবাৰে কিংকৰ্ত্তব্যবিমূঢ় হৈ পৰিলোঁ। যাওঁ নে নেযাওঁ একো স্থিৰ কৰিব নোৱাৰা হলোঁ। এই কিতাপ পঢ়িব কৈছিল মোৰ তৃতীয় পুত্ৰ শ্ৰীমান প্ৰসন্নচন্দ্ৰ গোস্বামী এম, এচ, চিয়ে। একোবাৰ ভাবো এইখন কিতাপ নপঢ়াই ভাল আছিল আৰু একোবাৰ ভাবো পঢ়াই ভাল হল। সমস্ত কথা জানিলোঁ। এনেকৈ থাকোতে আহি মাঘ মাহ পৰিল। মাঘ মাহত যোৱাটো একোবাৰে স্থিৰ সিদ্ধান্ত কৰি ঘৰৰ চাকৰবাকৰ ঠিক কৰিলোঁ। শ্ৰীমান জালীৰাম নামে এজন পুৰণা বিশ্বস্ত লগুৱা আছে, সি এই মাহৰপৰা যাব খুজিছিল। তাক মোৰ মনৰ কথা খুলি কলোঁ আৰু এই বছৰো তাক থাকিব কলোঁ। মোৰ ঘৰত তাৰ ১১ বছৰ চাকৰি হৈছে। সি কলে ১১ বছৰ যাতে থাকিব পাৰিছো আৰু এবছৰ থাকিম। আপুনি নিশ্চিন্ত মনে যক। মনে মনে তাক আশীৰ্ব্বাদ কৰিলোঁ।

মাঘত গঙ্গানাথলৈ চিঠি লিখিলোঁ। গঙ্গানাথে উত্তৰ দিলে "আপুনি নিশ্চিন্ত হৈ থাকক। মই ইয়াৰ পৰা গৈ দুই চাৰি দিন ঘৰত থাকি আপোনাক লৈ আহিম।" তথাপি মোৰ মনত শান্তি নাই। কিজানি কিবা প্ৰকাৰে গঙ্গানাথৰ যোৱা নহয়। তলে তলে আৰু লগ বিচাৰ কৰিলোঁ। অসমৰ মাৰোৱাৰী আৰু নেপালীৰ বাহিৰে আন যাত্ৰী বদৰিকাশ্ৰমলৈ যোৱা অতি কম। গতিকে মাৰোৱাৰীসকলৰ ভিতৰত এই বছৰত কোনোবা যাত্ৰী যায়নে অনুসন্ধান কৰিলোঁ। জানিব পাৰিলোঁ—নলবাৰীৰে এজন মাৰোৱাৰী ভদ্ৰলোক আৰু তেওঁলোকৰ ঘৰৰ এগৰাকী মহিলা যাব। মোৰ হৃদয় আনন্দত ডগ্‌মগ্ ডগ্‌মগ্‌কৈ নাচি উঠিল। বদৰিকা শ্ৰমলৈ যাই জানিব পাৰিছোঁ তাত তেওঁলোকৰ এটা ধৰ্ম্মশালা আছে। এওঁলোক হৈছে ঠাকুৰী দাস চিমনীৰাম ফাৰ্ম্মৰ মালিক। ঠাকুৰীদাস চিমনীৰাম আৰু গিৰিধাৰী লাল তিনিও ভায়েক একেলগে যাই এই ধৰ্ম্মশালা স্থাপন কৰি অশেষ কীৰ্ত্তি আৰু পুণ্যসাধন কৰিছে।

চ'ত মাহত নিশ্চিন্তৰূপে জানিব পাৰিলোঁ তেওঁলোকৰ এই বছৰত যোৱা নহব। কিবা ঘৰুৱা লেঠাৰ বাবে। মনস্থিৰ কৰিলোঁ। প্ৰতিজ্ঞা কৰিলোঁ— কোনো দৈৱিক বিপদ নহলে অকলে হলেও যাম। অসুখ-বিসুখ হলে হাস্পাতালত পৰি থাকিম। ৰান্ধি বাঢ়ি খাব পৰা অৱস্থা নাথাকিলে যাত্ৰী সকলক খুজি-মেলি খাম। আৰু ভাবিলোঁ শ্ৰীশ্ৰীভগৱন্ত পুৰুষে যাক যেনেকৈ ৰাখিব লাগে, যাক যেনেকৈ খুৱাব লাগে, যাক যলৈ নিব লাগে সকলো কথাকে মীমাংসা কৰি থৈছে। জ্ঞান নথকাৰ বাবে আমি সেই কথা জানিব নোৱাৰোঁ। ইয়াকে ভাবি একান্তমনে ভগৱানৰ চৰণত আত্মসমৰ্পণ কৰি শান্তিলাভ কৰিলোঁ। চত মাহৰ ১০।১৫ দিনমান থকাত আকৌ গঙ্গানাথলৈ চিঠি লিখিলোঁ। গঙ্গানাথৰ-পৰা চিঠিৰ উত্তৰ পালোঁ। তেওঁ লিখিলে মোৰ যাত্ৰী কেইজনৰ ভিতৰত একজন মাত্ৰ যাব। বাকীকেইজন যাব নোৱাৰে। তেওঁলোকৰ ঘৰত হাইজা হৈ মানুহ মৰিছে। আপুনি ভয় নকৰিব বহাগৰ আদিতে নহলেও বহাগৰ মাজত গৈ মই আপোনাক নিশ্চয় লৈ আহিম।" ভগৱানৰ কৃপাত মোৰ মন আগতে শান্ত হৈছে আৰু মোৰ শেষ মীমাংসাও স্থিৰ আছে। গতিকে গঙ্গানাথৰ এই চিঠি পায়ো মোৰ মন আগৰ নিচিনা উদ্বেগপূৰ্ণ নহ'ল।

১৮৬৯ শকৰ বহাগ পৰিল। দোমাহীলৈ গঙ্গানাথ আহিব বুলি ভাবিছিলোঁ। নহা দেখি আৰু মন বেয়া হল। তথাপি মই যোৱাৰ দিহা পোহা কৰিলোঁ। ধাৰ ধুপাৰ যি আছিল মাৰিলোঁ।



পিতলৰ ঘটি বাটি আৰু পানীতোলা জাৰিকে আদি কৰি যি যি বস্তু আৱশ্যক বুলি কিতাপে পত্ৰে পঢ়িছিলোঁ— তাৰ প্ৰায় সকলোবোৰ জোগাৰ কৰিলোঁ। কিছু কিছু ঔষধপত্ৰও লগত ললোঁ। অৱশ্যে পাছত জানিব পাৰিছিলোঁ এইবোৰ বস্তুৰ কোনো আৱশ্যক নাই।

কলেজ বন্ধ হোৱাত মোৰ তৃতীয় পুত্ৰ শ্ৰীমান প্ৰসন্ন ঘৰলৈ আহিল। প্ৰসন্নই তিনি বছৰ আগৰ পৰাই গুৱাহাটীৰ কটন কলেজত অধ্যাপক কাম কৰিছে। সি অহাত বৰ ভাল পালোঁ। সমস্ত ঘৰৰ লেঠা তাৰ মূৰত জাপি দিলোঁ।

এতিয়াও গঙ্গানাথৰ কোনো খবৰ নাই; গতিকে ১৫ বহাগত দিন ধাৰ্য্য কৰি গঙ্গানাথক আহিবলৈ লিখিলোঁ। তেওঁ আকৌ এ সপ্তাহমান পলম কৰিব কলে। পুনঃ মই ২৪ বহাগত যাত্ৰাৰ দিন স্থিৰ কৰি লিখিলোঁ আৰু লিখিলোঁ এইবাৰ নহলে মই অকলে যাম।

২৪ বহাগৰপৰা পাছলৈ নাযাম বুলি নিশ্চিত-ৰূপে স্থিৰ কৰি শ্ৰীমান মণিৰামক জনালোঁ। মণিৰামে মোৰ প্ৰথম পুত্ৰ শ্ৰীমান প্ৰফুল্লকে লগত নিবলৈ পৰামৰ্শ দিলে। প্ৰফুল্লৰ ভ্ৰমণৰ অনুৰাগ আৰু অভিজ্ঞতাও আছে। এই সময়ত শ্ৰীমান মণিৰামৰ দ্বিতীয় পুত্ৰ শ্ৰীমান হৰিপ্ৰসন্নই এম-এ পৰীক্ষা দি ঘৰতে আছে। সিও মোৰ পুত্ৰতুল্য।

(ক্ৰমশঃ)

---

# আহোম গদ্যসাহিত্য

শ্ৰীবিমলাকান্ত বৰুৱা

চাও লুঙ্ ছুকাফাৰ লগত অহা টাইসকলৰ বংশধৰসকলে অসমত কিছুকাল ৰাজত্ব কৰাৰ পাছত আহোম নাম পায় আৰু তেওঁলোকে কোৱা ভাষাটোৱেও আহোম ভাষা নাম পায়। অসম ইংৰাজৰ হাতলৈ যোৱাৰ পাছত আহোমৰ দেওধাই বাইলুং আদিয়ে ধৰ্ম্মকাৰ্য্য সমাধা কৰোঁতে এই ভাষা ব্যৱহাৰ কৰাৰ বাহিৰেও বুৰঞ্জী লেখাৰ প্ৰথা চলাই আছিল। ১৮৪০ চনত পিয়লী ফুকনৰ ফাঁচীৰ বিৱৰণ লেখা আহোম ভাষাৰ লিট্ বুৰঞ্জীয়েই ইয়াৰ প্ৰমাণ। প্ৰথমে স্বৰ্গদেৱসকলে আহোম ভাষাতেই তামৰ ফলি লেখাইছিল আৰু মোহৰো মৰাইছিল। স্বৰ্গদেৱ গৌৰীনাথ সিংহই ১৭০৮ শকত তামৰ ফলিত আহোম ভাষাৰ ব্যৱহাৰ কৰাইছিল। সেই সময়তেই আহোম অভিধান সঙ্কলন কৰাইছিল। ইংৰাজৰ দিনত সকলোৱে এই ভাষালৈ আওকাণ কৰিলে, কাৰণ এই ভাষাই কাৰো পেট্ প্ৰবৰ্ত্তন আৰু যশ উপাৰ্জ্জনত সহায় নকৰে। ভাৰতলৈ ইংৰাজ অহাৰ ফলত যেনেকৈ সংস্কৃতৰ চৰ্চ্চা আগৰ দৰে নোহোৱা হ'ল আহোম ভাষাৰো তেনে অৱস্থা হল। ইংৰাজ চৰকাৰৰ দিনত ৰায়চাহাব ৺গোলাপ বৰুৱাই পাঁচজন আহোম পণ্ডিতৰ সহায়ত মূল আহোম বুৰঞ্জীখন অসমীয়ালৈ অনুবাদ কৰিলে আৰু তেখেতে তাকে ইংৰাজীত অনুবাদ কৰিলে। কিন্তু দুখৰ বিষয় যে যি কেইজন আহোম পণ্ডিতৰদ্বাৰা বুৰঞ্জীখন অনুবাদ কৰোৱাইছিল

সেই কেইজন পণ্ডিতৰ নাম প্ৰকাশিত "আহোম বুৰঞ্জী"খনত দেখা নগল। তেওঁলোকৰ নাম হৈছে ঃ—

১। যজ্ঞোৰাম বৰুৱা—আথৈয়া গাঁও।

২। পঞ্চৰাম ফুকন— "

৩। লেপেশ্বৰ বৰুৱা—হাতীবৰুৱাগাঁও।

৪। বঙ্গালি মহৰি দেওধাই ফুকন—জঙ্গলিগাঁও।

৫। গদাই বানতুঙ্গীয়া বৰুৱা—ঘোগোৰামুখ।

ৰায় চাহাব ৺গোলাপ বৰুৱাৰ পাছত চৰকাৰী কামৰপৰা অৱসৰ পোৱাৰ পাছত যোৰহাটৰ ৺ঘনকান্ত বৰুৱা বি-এ, বি-টি, দেৱে নিজঘৰতে আহোম পণ্ডিত ৰাখি আহোম ভাষা আয়ত্ত কৰি "আহোম প্ৰাইমাৰ" লেখে। এই দুজনৰ বাহিৰে অসম ইংৰাজৰ তললৈ যোৱাৰ পাচৰপৰা কোনো প্ৰসিদ্ধ সাহিত্যিকে আহোম ভাষা চৰ্চ্চা কৰা আৰু তাত থকা বস্তুবাজি প্ৰকাশ কৰিবলৈ যত্ন কৰা নাই। আহোম ভাষাৰ পুথিৰ অভাৱত যে এনে কাম হোৱা নাই এনে নহয়। এতিয়াও অসমত অসংখ্য আহোম পুথি আছে। বুৰঞ্জী আৰু পুৰাতত্ত্ব বিভাগত আহোম ভাষাৰ অনেক সাঁচিপতীয়া পুথি সংৰক্ষিত হৈছে। বৰ্ত্তমান ইয়াৰ চৰ্চ্চা আৰম্ভ হৈছে। আহোম ভাষাত যে কেৱল বুৰঞ্জীয়েই লেখিছিল এনে নহয়, এই ভাষাত ধৰ্ম্মপুথি, বিজ্ঞান, জ্যোতিষ, নিদান আৰু গল্প আদি লেখা হৈছিল। এইবিলাক ৰচনা হৈছিল গদ্যতেই।

আহোমসকলে ত্ৰয়োদশ শতিকাৰ আৰম্ভণিতে এই দেশলৈ অহাৰপৰা টাই ভাষা সেই সময়ৰ নানান জাতিৰ নানান ভাষাৰ সংস্পৰ্শত আহে। দুই ভাষাৰ সংস্পৰ্শ হলে অজানিতে ইটিৰ ভাষাই সিটিৰ ওপৰত প্ৰভাৱ বিস্তাৰ কৰে আৰু ইটো ভাষাৰ শব্দ সিটো ভাষাত সোমাই পৰি গোজেই গজালি হয়। কাল ক্ৰমত গোজ আৰু গজালি চিনি উলিয়া টান হৈ পৰে। ভালে কেইজন লব্ধপ্ৰসিদ্ধ সাহিত্যিকে অসমীয়া ভাষা আৰু সাহিত্যৰ গৱেষণা কৰিছে। কিন্তু তেখেতসকলে ভৈয়ামৰ আহোম, কচাৰী চুটিয়া, (দেউৰী), মৰাণ, বৰাহী, মিৰি, মিকিৰ লালুং, খামটি, ফাকিয়াল নৰা আদি আৰু পৰ্ব্বতৰ ভোট, অকা, মনপা, দফলা, আবৰ, মিৰি, মিচিমি, নগা খাচিয়া, জয়ন্তীয়া গাৰো আদিৰ ভাষাই অসমীয়াৰ ওপৰত কি প্ৰভাৱ পেলাইছে আৰু অসমীয়া ভাষাই সেই ভাষাবিলাকৰ ওপৰত কি প্ৰভাৱ পেলাইছে তাৰ সম্যক আলোচনা কৰা নাই। এই আলোচনা নহলে অসমীয়া ভাষাৰ গৱেষণা কেতিয়াও সম্পূৰ্ণ হব নোৱাৰে। ডাঃ বাণী-কান্ত কাকতিদেৱে অসমীয়া ভাষাত আহোম ভাষাৰ প্ৰভাৱৰ বিষয়ে উদ্‌ঘাটন কৰিবলৈ চেষ্টা কৰিছিল কিন্তু তাৰপৰা বিশেষ কোনো ফল নধৰিলে, কাৰণ তেখেতে আহোমভাষা আয়ত্ত কৰিবলৈ সময় নেপালে। তেখেতৰ এই ভাষা শিকিবলৈ অনেক ধাউতি থকা সত্বেও অকালমৃত্যুৱে বঞ্চিত কৰিলে। তেখেতে মাথোন ওপৰা-উপৰিকৈ কৈ গল যে আহোমসকলে যদিও ছশ বছৰ কাল ৰাজত্ব কৰিলে তত্ৰাচ আহোম ভাষাই অসমীয়া ভাষাৰ ওপৰত বিশেষভাৱে কোনো ছাপ বহুৱাব নোৱাৰিলে। তেখেতে মাথোন কেইটামান প্ৰচলিত আহোম শব্দহে উদাহৰণ দিব পাৰিলে। অসমীয়া ভাষাত অসংখ্য আহোম শব্দ আছে। আহোম ভাষাৰ চৰ্চ্চা নকৰিলে এই শব্দ বিলাক বিচাৰি উলিয়াব নোৱাৰি। সেইদৰে অকল অসমীয়াতেই নহয়, নগা ভাষাটো অসংখ্য আহোম শব্দ পোৱা যায়। ইয়াৰপৰাই আমি নগাসকলৰ লগত আহোমৰ কি এটা সম্বন্ধ আছিল তাক সহজে অনুমান কৰিব পাৰো। স্বৰ্গদেও গদাধৰ সিংহৰ কাহিনী এতিয়া নগাপৰ্ব্বতত আখ্যানত পৰিণত হৈছে।

বুৰঞ্জী লেখাৰ প্ৰথা টাইসকলৰ মাজত অতীজৰ পৰা প্ৰচলিত আছিল। সেই প্ৰথামতে আহোম



সকলে অসমত আহোম ৰাজত্বৰ আৰম্ভণিৰপৰাই শেষলৈকে টাই ভাষাত বুৰঞ্জী লেখিছিল। এই বুৰঞ্জীবিলাক গদ্যত লেখিছিল। পঞ্চদশ শতিকাৰ আগৰ কোনো অসমীয়া পুথিৰ নমুনা আমাৰ হাতত এতিয়ালৈকে পৰা নাই।* প্ৰথম অসমীয়া সাহিত্য পদ্যহে। পঞ্চদশ শতিকাৰ মাধৱ কন্দলীয়েই আদি কৰি। তাৰ পাছত অসমীয়া গদ্য সাহিত্যৰ জন্ম। পঞ্চদশ শতিকাৰ আগতে অসমত টাই ভাষাৰ নানান পুথিৰ বাহিৰে অন্য ভাষাত পুথি নাছিল। সেই পুথিবিলাক প্ৰায় গদ্যতেই লেখিছিল। এতেকে দেখা গল যে অসমীয়া গদ্য সাহিত্যৰ কেবা শতিকাৰ আগতে টাই বা অহোম গদ্য সাহিত্যৰ জন্ম। সপ্তদশ শতিকাৰপৰা এই আহোম ভাষাৰ বুৰঞ্জীবিলাক অসমীয়া ভাষালৈ অনুবাদ কৰা হয়। সেই অনুবাদ কৰা কাম আহোম ভাষাবিদ পণ্ডিতৰদ্বাৰা হৈছিল। তাৰ ফলত আহোম ভাষাৰ গদ্যৰ ঠাঁচ অসমীয়া গদ্যত পৰে। তাৰ উপৰিও অনেক আহোম শব্দ অসমীয়া গদ্যত সোমাই গল। এই খিনিতে এটা কথা কোৱা বিশেষ প্ৰয়োজন যে যিহেতু বুৰঞ্জীবিলাক অসমীয়ালৈ অনুবাদ হল তেতিয়া কিছুমান হিন্দু পণ্ডিতে অসমীয়া বুৰঞ্জীবিলাক "শ্ৰীকৃষ্ণায় নমঃ" বুলি লেখিবলৈ আৰম্ভ কৰিলে। কিন্তু সেইবিলাক কথা অতীজৰ আহোম বুৰঞ্জীৰপৰা অনুবাদ কৰিছিল বুলিলে ভুল হব। সিয়েই নহয় কিছুমান "হিন্দুমতে" আৰু কিছুমান "আহোমমতে" আহোমৰ উৎপত্তি বুলি পুৰাণৰপৰা বশিষ্ঠ মুনিৰ অলৌকিক আখ্যান আনিও বুৰঞ্জীৰ মাজত সুমুৱাই দিলে। সেইবিলাকৰ লগত মূল আহোম বুৰঞ্জীৰ ঘটনাৰ কোনো সম্পৰ্ক নাই।

ষোড়শ শতিকাৰ আগৰ আমাৰ অসমীয়া গদ্যৰ কোনো পুথি নাই। তাৰ আগৰ যি দুই এটা নমুনা পোৱা গৈছে সেইবিলাক সংস্কৃতত হে লেখা। কিন্তু ইয়াৰপৰা আমি বুজিব নেলাগিব যে আমাৰ কথিত ভাষা সংস্কৃত আছিল। সংস্কৃত ভাষা সেই কালত দুই এজন সংস্কৃত পণ্ডিতৰ মাজত হে চৰ্চ্চা হৈছিল। জনসাধাৰণৰ লগত কোনো সম্পৰ্ক নাছিল। (১) ভাৰতৰ আন আন দেশৰ লগত চিঠি-পত্ৰ লেখাৰ সুবিধাৰ্থে হে এই ভাষাৰ ব্যৱহাৰ হৈছিল। ভট্টদেৱে ষোড়শ শতিকাত কথা গীতাখন অসমীয়া গদ্যত লেখিছিল আৰু তাত অনেক সংস্কৃত শব্দ আৰু ব্যাখ্যা প্ৰয়োগ কৰিছিল। তাৰ ভাষা কৃত্ৰিম আছিল বুলি ডাঃ কাকতিদেৱে মত দিছে। সেই ভাষা কথিত ভাষাও নাছিল। কিন্তু বুৰঞ্জী গদ্যৰ ভাষা সম্পূৰ্ণ কথিত আছিল। এই আহোম বুৰঞ্জী গদ্যৰ প্ৰভাৱ আমাৰ অসমীয়া ভাষাৰ ওপৰত এনেদৰে পৰিছিল যে মূল আহোম বুৰঞ্জী গদ্যৰ লগত অসমীয়া বুৰঞ্জী গদ্যৰ বিশেষ পাৰ্থক্য লক্ষ্য কৰা নাযায়। যি ঠাঁচত আহোম বুৰঞ্জী গদ্যত লেখা হৈছে, প্ৰায় একে ঠাঁচতেই অসমীয়া বুৰঞ্জীৰ গদ্যও লেখা হৈছিল।

এই খিনিতে এটা কথা কোৱা প্ৰয়োজন হৈছে যে আমাৰ বৰ্ত্তমান কথিত ভাষাটোৰ নাম "অসমীয়া" কেতিয়াৰপৰা হল। আগতে ইয়াৰ কি নাম আছিল? এই প্ৰশ্নৰ উত্তৰ আজিলৈকে কোনোৱে দিব পৰা নাই। Linguistic Survey of Indiaৰ মতে অসমত ১২০ টা সৰু সুৰা ভাষা আছে। আমি বিশেষ গভীৰ গৱেষণাত নোসোমাই সাধাৰণ জ্ঞানেৰে কথাষাৰ ভাবি চালেও দেখা পাওঁ যে এই পৰ্ব্বত ভৈয়ামৰ বিভিন্ন ভাষাভাষী জাতি-সমূহে নিজ নিজ ভাষাত নিজৰ এলেকাত কথা-বতৰা হৈছিল। কিন্তু ভৈয়ামেই হৈছিল সকলো কেন্দ্ৰৰ স্থল। সেই সুকীয়া ভাষাভাষী লোকবিলাকে ভৈয়ামত আহি কথা-বতৰা হব

* কথাষাৰ সত্য নহয়—স. সা. প.

(১) প্ৰমাণসাপেক্ষ—স. সা. প.

লগীয়াত এটা সাধাৰণ সমূহীয়া ভাষাই গঢ় ললে। এইটোৱেই আমাৰ অসমীয়া ভাষাৰ আদি। যেই গতিকে এই ভাষাত সকলো জাতিৰ যে একোটা অৱদান থাকিব, তাক কোনোৱে নুই কৰিব নোৱাৰে। এই ভাষাটো প্ৰথমতে মাগধী প্ৰাকৃত ভাষাৰ প্ৰভাৱৰপৰা হোৱা বুলি ভাষাবিদসকলে মত দিছে। এই প্ৰভাৱটো অকল মগধতেই পৰিছিল এনে নহয় ইয়াৰ প্ৰভাৱ বঙ্গ, উৰিষ্যা, নেপাল আৰু অসমতো পৰিছিল। সেই গতিকে এই দেশ কেইখনৰ ভাষাৰ লগত আমাৰ অসমীয়া ভাষাৰ অনেক মিল দেখা যায়। কিন্তু সেই কালৰ আমাৰ প্ৰচলিত ভাষাটো কেনে আছিল, আমাৰ তাক জানিবৰ উপায় নাই। কাৰণ তাৰ কোনো লিপিবদ্ধ পুথি আমাৰ হাতত নাই। সপ্তদশ শতিকাৰ পাছৰ বুৰঞ্জী গদ্যৰপৰা অসমত যি এটা অসমীয়া গদ্যত ৰাজকাৰ্য্যৰ চিঠি-পত্ৰ আদি লেখা প্ৰথা আৰম্ভ হল তাৰ ফলত কচাৰী, কোঁচ আৰু জয়ন্তীয়া ৰাজ্যত অসমীয়া গদ্যৰ প্ৰচাৰ হল আৰু গোটেই অসমৰ পৰ্ব্বত ভৈয়ামৰ মাজত অসমীয়াই জাতীয় ভাষাত পৰিণত হল। আগতে এই ৰাজ্যসমূহৰ মাজত ৰজাঘৰীয়া চিঠি-পত্ৰ আদিত সংস্কৃত হে ব্যৱহাৰ হৈছিল। বুৰঞ্জীৰ গদ্যই এনে এটা পৰিবৰ্ত্তনৰ মূল কাৰণ। এই গদ্যই আহোম ৰাজশাসনৰ জৰিয়তে সমগ্ৰ পৰ্ব্বত আৰু ভৈয়াম একত্ৰ কৰি এটা জাতি গঠন কৰিবলৈ শক্তি পালে। যিহেতু দেশখনেও অৱশেষত অসম নাম পালে ভাষাটোৰ নামো "অসমীয়া" হল।

এই "অসমীয়া" জাতীয় নামটোৱে বিশেষকৈ আমাৰ মনত জাতীয় চেতনা আনিছিল ইংৰাজ শাসনৰ আৰম্ভণিতে যেতিয়া বঙলা ভাষাই আমাৰ এই ভাষাটো গ্ৰাস কৰিব খুজিছিল আৰু সেই জাতীয় প্ৰেৰণাই তাক ব্যৰ্থ কৰিলে।

* * * *

তলত আহোম বুৰঞ্জীৰপৰা কিছুমান আহোম গদ্যৰ চানেকি উদ্ধৃত কৰি তাৰ অসমীয়া ভাঙনি দি আহোম গদ্যৰ ঠাঁচ অসমীয়া ভাষাত কি দৰে পৰিছে দেখুৱা হৈছে :—

১। জিম্-মু ফা টেক্ ৰিক্ প্লুং খুন্ লং খুন্ লাই।

অতীজতে চৰগ ফালি মাতি আনি নমাই পঠালে খুনংলংখুন্ লাইক।

২। চাও লুং ছুকাফা মা মুংডুন্। পা মা চুম্-ফা-ৰুং ছেং মুং। চাওলুং চুকাফা চাম্ হেউ হিত্ ছেক্ অন্ তাং।

চাওলুং চুকাফা আহি মুংডুন্ পালেহি। লগত লৈ আহিছিল চোমদেও ছেংদেও। চাও লুং ছুকাফাই যুঁজ কৰিব লগীয়া হৈছিল বাটত।

৩। লুক্-মান্ চাও ছু-খুং-ফা পিন্ চাও। লাক্নি ৰুংকেউ চাম্ মৃ দিন্ ছিপ্ ইত্ খেন্ ৰেণ্ মাই-হ। লাক্নি টেউ-চেউ খুট নাম্-খুম্ জয় সাগৰ।

পুতেক চাও ৰুদ্ৰসিংহ ৰজা হল। ১৬১৮ শকত আহিন মাহত উঠিলে শিঙৰী ঘৰত। ১৬১৯ শকত খনালে পুখুৰী জয়সাগৰ।

৪। মুং ৰাম্ ক লুংছি পি জাউ।

দেশখন অৰাজকত পৰিল চাৰি বছৰ।

৫। লাক্ নি প্লেক্-ভি চাম্ চাও লুং টাও ছু-খাম্-ফা ৰাইছি মুং। চু মান্ চাও ডাই কিণ্ মুং চাম্ থুন্ ছাম্ ছিপ্ পাই ছং পি জাউ। ১২৮৬ চাও লুং চাও।

ছুখাম্ ফাক দেশে হেকৰালে ( ঢুকাল )। তেওঁ ৰাজ্য খাইছিল পুৰা ত্ৰিশ বছৰ পাৰ হৈ আৰু দুবছৰ গল। ( ৩২ বছৰ )।

৬। লাক্নি কা প্লাউ চাম্ ফাং চাং টাংবুক্ টাং নাম্ ক লাইমা জু ছুপ্ ভৰলি। ক্ষেউ চাং ফাং ক হিত্ থু হিত্ ৰিং তান্ কুন্-ৰাও জু টা-ফাক্ ভৰলি। কু-মু-কু-বান্ নে কুন্-ৰাও ডে হিত্ কাণ্ বাউ জাউ।

১৫৫৩ শকত মুছলমানবিলাকে মাটিয়ে পানীয়ে পুনৰ আহি বলহি ভৰলি মুখত। তাহাঁতে তাতে কোঠ মাৰিলে আমাৰ মানুহো বৈছিলহি ভৰলি দাঁতিতে। প্ৰত্যেক দিনেই মুছলমানবিলাকৰ আমাৰ মানুহৰ লগত যুঁজ লগা-লগি হৈ আছিল।

৭। খুন্ ৰাম হিং চাং হিত্ বউ ডাই। লাক্নি ডাপ্ ৰাও দিন্-হা জন্ কা-জু-দিন্ দেং জাউ। থাম্ কাম্ ডাই ভিন্ ফুকন্-লুং ৰাং-কান্-প্লং-কান্ ডই পুঞ্ থাও কে টাং-লাই লে টি ৰাম দে হোডৰ দে খাউ ছং কুন্ চাম্ চাং চেউ হেউ মা লাউ-টি চাওফা কয়। খুন্ ৰাম্ হিং লুকা পাংকা নাম্ ডাই ভিন লে ফা-মুন্-ঞাউ চাম্ হিত্-মুন্-খেন্ চেউ ৰুং কয়।

ৰাজা ৰামসিংহ আৰু সমুখ হব নোৱাৰিলে। ১৫৯৩ শকৰ চ'ত মাহত পিচ হুইকি বলগৈ ৰঙ্গামাটিত। সেই ৰামসিংহৰ অনিষ্টৰ বাতৰি পাই বৰ ফুকনে আলোচনা কৰি ডাঙৰীয়াসকলৰ লগত ৰাম আৰু সুন্দৰ দুজন কটকীক পঠাই দিলে বাতৰি দিবলৈ স্বৰ্গদেৱক। ৰামসিংহৰ পৰাজয়ৰ বাতৰি পাই স্বৰ্গদেৱে হিয়া উজ্বলাই ৰং ধেমালি কৰি আনন্দ কৰিবলৈ দিলে।

৮। পয় জুং থেং চাওফা মান্ তা-ৰা ফান্ খাম্ হেউ চাও থুম্ লুং আলুমিঙি ফান্ খাম্ হেউ লা-মাউ চিত্ পাক্ থুন্ কুন্ চাম্ মুং-ডুন-ছুন-খাম্ লুং মা থুং জয়পুৰ।

তেতিয়া বাতৰি গৈ পালে মান ৰজা হুকুম দিলে চাও থুম্-লুং আলুমিঙিক হুকুম দিলে মান সেনা দিবলৈ পুৰা ৭০০ আসামলৈ নামি আহি পালেহি জয়পুৰ।

* * *

৯। ১৭০৮ শকৰ তামৰ ফলিৰ আহোম গদ্যৰ চানেকি।—

লাক্নি ৰুং ছেউ চাম্। চাও-মুন্-ঞাউ ছুহিত্-পেঙ্-ফা থুন্ ঞাউ লে। প মান্ ছু-ঞেউ-ফা ভাম্ মুঙ্ লে ছং খাইফা লে উম্ হেউ অ। ফু-কে-লুং লে নাম্-টি ফি খুং-খাম্ জু লে। ডিন্ চাম্ কুন্ চাম্। চাও-ফা ছু-হিত-পেং লে পেঞ্-টং নিং ৰাই হেউ কয়। ডিন্ চাম্ ছং ছাউ ৰ। কুন্ চাম্ পাক্ লেং পাই ছাউ ছিপ্ ৰুক্ খিং। ডাই লে কুন্ টাং খুম্ চাম্ লুক্ চাম্ লান্ জু মুং চাম্। চাও মু ৰু জু খাউ ছু নি কয়।

১৭০৮ শকত বৰ গোঁসাইক আগত ৰাখি স্বৰ্গদেৱ গৌৰীনাথ সিংহই তেওঁৰ পিতাক স্বৰ্গদেউ ছু ঞেউফা এই দুই ৰজাৰ নামত উছগা কৰি নামতীয়াল বৰ বৰুৱাক দ'ল কৰাই থাকিবলৈ দিলে। মাটি আৰু মানুহ দিলে। চাওফা গৌৰীনাথ সিংহই তামৰ ফলিত লেখাই দিলে। মাটি দুকুৰি পুৰা। মানুহ এশৰ উপৰিও একুৰি ষোলটা ( ১৩৬ টা ) দিলে। মানুহৰ হতুৱাই পুখুৰী খনাই দিলে নাতিপুতিলৈকে। মূৰৰ ওপৰৰ দেৱতাই মঙ্গল কৰি স্বৰ্গদেৱক ৰাখিবৰ কাৰণে তেওঁলোকে প্ৰাৰ্থনা কৰি থাকিবলৈ।

* * *

কিছুমান আহোম গদ্যৰ বাক্যবিন্যাস আহোম বুৰঞ্জী গদ্যৰ লগত অনেক অমিল দেখা যায়। এই বিলাক বোধ হয় বুৰঞ্জী লেখাৰ অনেক কাল আগতে ৰচিত। কিমান পুৰণি তাক ঠিৰাংকৈ কোৱা টান। এনে ধৰণৰ ভাষা বিশেষকৈ ধৰ্ম্মসম্বন্ধীয় পুথিতহে পোৱা যায়। ইয়াক পদ্যৰ লগতো তুলনা কৰিব পাৰি। তলত দিয়া চানেকিৰপৰাই সহজে বুজিব পৰা যাব।

১০। জিম্-মু ৰাউ মি ফি মি ছাঙ্ ছাক্ কুন্। লালা জু ছি প্লাউ॥ ৰউ মি লুম্ য়াং মি ছিঞ্ তু চেউ মুঙ্ ছেঙ্। য়াং মি ছেং ডিন্ ছেং বান্ য়াং কুপ্ ডাও। য়াং মি তেউ-ফা পাই-মি দিন্।

অতীজতে নাছিলে দেৱতা নাছিলে জাক মানুহৰ। মহাসাগৰে আগুৰি আছিল শূন্যত। নাছিলে বতাহ নাছিলে জন্তু আৰু দেশ। নাছিলে

মাটি নাছিলে বজা নাছিলে বেলি জোন আৰু তৰা। নাছিলে স্বৰ্গ-মৰ্ত্ত্য নাছিলে মাটি।

*         *         *         *

ডেন্ লেন্ ফা-তু-ছিং-ক্রং-হুম্। জু ছেউ ৰাও খেন্ ক্লাং ৰাও নাং ক্রেং।

তেতিয়া পৰমেশ্বৰো। আছিল সোমাই মাজত আকাশত ওলমি মৌ চাকৰ নিচিনাকৈ।

*         *         *         *

য়াং মি ৰু মি তিন্ ফক্ তান্ কান্ লাং মি পাক্ খান্ ছেঙ্। লুট্ পুট্ বউ মি ফ্রা।

নাছিলে মূৰ নাছিলে ভৰি নাছিলে মুখ কথা কবলৈ। লুট্‌পুটীয়া আকাৰত ওলমি আছিল আকাশত।

*         *         *         *

১১। **মুদ্রাত আহোম গদ্যৰ চানোক :—**

এপিঠিত—চাও-ফা ছু রেন্ মুঙ্ পিন্ চাও লাক্-নি প্লেক্-নি = অৰ্থাৎ স্বৰ্গদেৱ গড়গঁঞা ৰজা সিংহাসনত উঠিল ১৪৬৬ শকত।

ইপিঠিত—কাও বই-ফা তাৰা হে উ-চু। অৰ্থাৎ মই স্বৰ্গলৈ হাতযোৰ কৰি তাৰাৰ নামত উচৰ্গা কৰিলোঁ।

*         *         *         *

## ১৭০০ খৃষ্টাব্দৰ পাচত লেখা অসমীয়া বুৰঞ্জী গদ্যৰ চানেকি।

"লাক্‌নি খুত্‌ত্তি শকত কাতিৰ দিনত বঙ্গাল আহিল। আঘোণৰ দিনত ৰজাদেও ভটিয়াই গৈ পুহৰ দিনত আগিয়া বন্ধাত ৰলগৈ। তাৰে পৰা ডাঙৰীয়া সকলে ভটিয়াই গৈ ভৰলী কোখৰত গড় বান্ধি ৰলগৈ। পুহৰ পাচ পক্ষত বঙ্গালে আহি ভৰলীমুখৰ সিপাৰে কোঠ দি ৰলহি। সেই থাইত থাকোতে বঙ্গালৰে আমাৰ যুদ্ধ লগালগি হৈ আছিল। পাচে বঙ্গালে ঘোৰা নাৱত তুলি বালিত উঠি ঘোৰা মেলি আমাৰ মানুহ কিছু কাটিলে।"

(দেওধাই অসম বুৰঞ্জী পৃঃ ৬০)

*         *         *         *

"জোঁৱাই হলে যেমনে শহুৰ, জেঠৈৰি, বৈনাই এই সকল সহিত দ্বন্দ কন্দল কৰিলে আপোনাৰ ভাৰ্য্যাও হৰায়, আৰু পখীয়ে তেনেৰূপে আপোনাৰ পোৱালি পাখিয়েৰে ঢাকি বাত-বৃষ্টি দুখৰ পৰা ৰক্ষা কৰি আহাৰ খুৱাই ডাঙৰ কৰে, সেইমতে দুয়ো ভায়েৰে প্রজাক ৰক্ষা কৰিবি, আৰু মিত্র সহিতে দ্বন্দ-কন্দল নকৰিবি। এইৰূপে শিকাই বুজাই বহু বিৰ্ত্তিয়াল লগত দি পঠালে। পাচে দুয়ো ভায়েক সোনৰ জখলাৰে নামি আহি পৃথিবীৰ ওপৰত অৰণ্যত ৰলহি।

(দেঃ অঃ বুঃ পৃ-২)

*         *         *         *

"আৰু আমাৰো নৰাৰো কটকী আঠ বছৰ অহাযোৱা নাই। আৰু মুং খাম্ জাং, মুং আইতন, মুং তিপাম, এই তিনিয়ে আঠ বছৰ আমাৰ ঠাইতো নৰা ৰজাৰ ঠাইতো কৰখুত দিয়া নাই, এই নিমিত্তে আমাৰ ছুডাংফা ৰজা দেৱে লাক্‌নি মুংৰাও শকত তাপং মাওৰ কটকীৰ হাতত যাঠীনালত কাকত ভৰাই দি চুকুংফানৰা ৰজাত কব দিলেগৈ, বোলে, "খাম্-জাং, আইতন, তিপাম, এই তিনিখন মোৰহে ৰাজ। ইহতে যে মোৰ ঠাইতো সি ঠাইতো খুত নিদি আছে, মই গৈ তিনিও খন ৰাজ্য মাৰিব কৰো।" এইৰূপে কাকত দিলে, কটকীয়েও মুখে কলে। পাচে চুকুংফা নৰা-ৰজাই এই কথা শুনি মুং খুবান্ নামে কটকীক পঠাই টাই তিপামৰ আগত কব দিলে, বোলে,—"ভাই তিপামে আচাম ৰজাক কৰ-খুত দিবনে নিদিব।" এই বুলি আমাৰ কটকী তাপং মাওক বিদায় দি নৰা ৰজাই সন্দেশ পত্র দি তাম্বুলু বানক পঠালে"—

(দেঃ অঃ বুঃ পৃ-১৩)

*         *         *         *

"স্বৰ্গদেৱে বোলে,—"অ' জানিলো, দুখীয়া সন্দিকাই, ধন ভৰিবলৈ নাই, এতেকেহে দুই ৰাজ্যত থাকিব পাই। বাৰু থাকাগই। তেওঁ মই অভয় বৰ দিছো, তিনি পুৰুষলৈ যুধ নাপাবা অনাযুধে খাবা। আৰু কাঠৰ গড় বান্ধিম পচিব, মাটিৰ গড় বান্ধিম খহিব। মই কথাৰ গড় বান্ধি দিলো প্রাণ পৰিভুগী হব।"

(দেঃ অঃ বুঃ পৃঃ-১৩১)

*         *         *         *

টাই বা আহোম ভাষাত শব্দৰ ৰূপান্তৰ নহয়। মূল শব্দটো সদায় একে হৈয়ে থাকে। কিন্তু ভৱিষ্যৎ কাল বুজোৱা "টি" বা "টাক" শব্দটো আৰু "মা" নোহোৱা অৰ্থ বুজোৱা শব্দ কেইটাৰ পাছত বহা শব্দটোৰ প্রথম আখৰটোৰ অনুযায়ী উচ্চাৰণৰ লৰ চৰ হয় যেনে :—

মা-কিন্ (নাখাও) মাতে মিকিন্।  
মা-লুক্ (নুঠো) মাতে মুলুক্।  
মা-ৰু (নাজানো) মাতে মুৰু।  
মা-তং (নুবুজোঁ) মাতে মতং।  
টি-ফাক্ (দাতিত) মাতে টাফাক্।  
টি-টাই (মৰিবলৈ) মাতে টাটাই।

সেই দৰে আমিও অসমীয়াত কওঁ নাখাওঁ, নাযাওঁ, নুশুনো নকৰোঁ, নুঠোঁ, নেলেখোঁ ইত্যাদি।

*         *         *         *

### "খালে" শব্দৰ ব্যৱহাৰ।

"কাম-কিন্"-কষ্ট খালে ; "কিন্-মুং = ৰাজ্য খালে, আমিও অসমীয়াত তেনেকৈয়ে প্রকাশ কৰোঁ।



"ক্ষা ট্ৰোক"—চৰগ ফলা, ১নং চানেকিত যি চৰগ্ ফালি অনাৰ কথা আছে আমিও অসমীয়াত কিবা এটা অসাধ্য কাম কৰিবলৈ বিচাৰিলে কওঁ "মই চৰগ্ ফালি আনিম নে ?"

"ৰাই-ছি-মুং"—দেশে হেৰুৱালে, ৰজা বা ডা-ডাঙৰীয়া কোনোবা ঢুকালে কয় দেশে হেৰুৱালে। আমিও অসমীয়াত তেনেকৈয়ে কওঁ, মৰিল বুলি কবলৈ বেয়া পাওঁ।

"আও-মা" (লৈ আহ, ল হি) ; "হেউ-মা"—(দে আহি) ; "কিন্-মা" (খা-আহি) ; "পাই-চু"—(গৈ-চা) ইত্যাদি যেনেকৈ কয় আমি অসমীয়াটো তেনেকৈ, লহি, দেহি, খা হি, চা গৈ ব্যাখ্যা কৰোঁ।

### "টু" আৰু "কি-টা"।

আহোম ভাষাত "টু" মানে জন্তু বুজায় আৰু জন্তু চৰাই আদিৰ পাচত ব্যৱহাৰ কৰে যেনে :—

নুক্-টু (চৰাইটো) ; হু-টু (গৰুটো) ; চাং-টু = (হাতীটো)—ইত্যাদি সেইদৰে অসমীয়াতো ব্যৱহাৰ হয়।

### "কি—টা"—

"কিটা" মানে কেইটা। সেইদৰে অসমীয়াতো ব্যৱহাৰ হয় যেনে মানুহ কিটা, গৰু কিটা।

### "যেন্" শব্দৰ ব্যৱহাৰ।

যেন্ মানে আকৃতি। আমি অসমীয়াত কওঁ, দেখিবলৈ কোমোবাটো যেন, অৰ্থাৎ কোমোৰাটো যেন আকৃতি।

### "নে" অব্যয়ৰ ব্যৱহাৰ—

"কিন্ নে মিকিন্"—(খান নে নাখাম) ;

"কা নে মাকা"—(যাম নে নাযাম)—আমিও অসমীয়াত "নে" অব্যয়ৰ তেনেকৈয়ে ব্যৱহাৰ কৰোঁ।

"বান্-টুক্"—( বেলি পৰিল ); "টুক্-জাক"—( কষ্টত পৰিল বা দুখত পৰিল ); "লুম্-খ্ৰাই"—( বেমাৰত পৰিল ); "টং-থাই"—( পেট জ্বলিছে ) অসমীতো হুবহু তেনেকৈ কয়।

কিছুমান আহোম শব্দৰ হুবহু অসমীয়া শব্দাৰ্থ যেনে :—চাপ-ফা = স্বৰ্গদেউ ; বাও-ফা = ডেকাৰজা : থুন্-পেঞ্ = পাটকোঁৱৰ ; ফুকিন্-মুং = ৰাজখোৱা ; ফু-টু-ছেউ = দুৱৰা ; ফু-কন, ফুকন্ বাও = ডেকাফুকন ইত্যাদি।

**"অক্-খম্"** = কথা উলিওৱা, আমি যেনেকৈ কওঁ, তেওঁৰপৰা কথা উলিয়াব লাগে।

**"অক্-মাক্-চা"** = আই ওলাল, আমিও তেনেকৈ কওঁ।

**"বান্ লা কা"** = বেলি পশ্চিমলৈ ( ভটীযাই ) গল। 'লা' মানে পশ্চিমলৈ গতি কৰা। আমি অসমীয়াত পশ্চিম ফালৰ দেশক সেই গতিকে ভাটী বোলো।

**"ঐ" শব্দৰ ব্যৱহাৰ।** "ঐ" শব্দৰ ব্যৱহাৰ আহোম ধৰ্ম্মপুথিত বিশেষভাৱে আছে। ই আন্তৰিকতা বুজায়। যেনে—চাও মু ক চাও কাও ঐ মোৰ মূৰৰ দেৱতা ঐ। আমিও অসমীয়াত কওঁ ঈশ্বৰ ঐ, দেহি ঐ, ঢুকাল ঐ, দে ঐ ইত্যাদি। এই "ঐ"ৰ ব্যৱহাৰ আহোম বুৰঞ্জী গন্থত পোৱা নাযায়।

**"কুন-থাও"** = মানুহবোৰ। আহোমত কোনো শব্দৰ ৰূপান্তৰ নহয় আৰু বহুবচন বুজাবলৈ শব্দৰ পাচত "থাও" ( বোৰ ) শব্দটো যোগ দিব লাগে। এই শব্দৰ ব্যৱহাৰৰ উদাহৰণ আহোম বুৰঞ্জীত অসংখ্য।

**"লে" অব্যয় ব্যৱহাৰ।**

'ভাই কিন্ লে উডি' = থালে ভাল।
'হিত ক লে' = কেলে ?
'লাই ছাং লে' = কেলে ?

এই 'লে' অব্যয় ব্যৱহাৰ আহোমত যেনেকৈ হয় আমি অসমীয়াতো তেনে ব্যৱহাৰ কৰোঁ। এই বুৰঞ্জী গন্থৰ কালৰ পৰাই অসমীয়াত 'লে' 'নে' 'বোৰ' আদিৰ ব্যৱহাৰ আৰম্ভ হৈছে।

'হেউ নাং জাউ = বহুৱালে। বুৰঞ্জীত 'নাং' ( বহুৱালে ) শব্দটো কোনো এজনক এঠাইত কামত নিযুক্ত কৰি বিষয়া পাতিলে ব্যৱহাৰ কৰিছিল। আমি অসমীয়াতো অমুকক তাতে পাতিলে বা বহুৱালে বুলি কওঁ।

'ছেউ আও মা' = ধৰি আনা।
'ছেউ ফিট্ = দোষ ধৰিলে
'বান্ অক্ = বেলি ওলাল।
'কুন্ অক্ বেণ্' = মানুহটো ঘৰৰপৰা ওলাল।
'কিন্ লাউ = শপত খালে।
'কুন্ ফাং লে কুন ছং কুন্ টুক = মুছলমান ছুটা ( যুদ্ধত ) পৰিল।

'পিন্ বেণ' = ঘৰ পাতিলে বা বিয়া কৰালে।

ওপৰুক্ত ব্যাখ্যাবিলাকৰ আহোম আৰু অসমীয়াৰ কোনো পাৰ্থক্য নাই। এই সকলোবিলাক আহোম বুৰঞ্জীৰপৰা অসমীয়া গন্থলৈ আহিছে। এনে ধৰণৰ ব্যাখ্যা আহোম বুৰঞ্জীত অসংখ্য আছে। আগলৈ ইয়াৰ বাহুল্য ভাৱে প্ৰকাশ কৰা যাব।

---

# অসমীয়া ভাষাত আহোম শব্দ

( প্ৰথমটো অসমীয়া আৰু পাছৰ কিটা
আহোম আৰু তাৰ শব্দাৰ্থ )

আ-কৰা—আ = মুখমেলা। আইচু = আহোম ডাঙৰীয়ানী। আট্লগা—আট = ককালত কচকা খোৱা। আপদেও—মাকৰ বায়েক। আপাদেউ = বাপেকৰ বায়েক। আকু—ঞা ফাং = কানি বিদেশী। উম লোৱা—উন্ = গৰম। এনাইদেউ—য়া-নাই = মাকৰ মাক। ওলমা—লম্ = ওলমা। এখেপ—খেপ = বেগেত। উজ্জট্খোৱা—জাট্ = উজুট খোৱা। উহুৱা—উ = উহুৱা। ককাই—কাই = বয়সে ডাঙৰ। কট্কিন অৱস্থা—কট্—কিন = কষ্টেৰে খোৱা। কন্ = বীজাণু কপ্ কৰে ধৰা—কপ = ধৰা। কাং = কোৱাবি। কাবেং = ৰাজপ্ৰসাদ। কাই = শৰীৰ। কান—সমনীয়া—কান্ = সমান। কাপখোৱা—কাপ = জোৰা-লগা। কাৰফাই ধনু—কাং—ফাই = জুইমৰা ধনু। কাউ থেকেৰা—কাও = কলাফুল সদৃশ। কাকিনি তামোল—কাই-কি-নি = বয়সত ডাঙৰ। কেন্কেনীয়া ভাব—কেঞ্-কেঞ্ = টানি বন্ধা। কেপ্কেপোৱা—কেপ্ = হাই কৰা। কেম্টাই পহু—কেম্·টাই = বনৰো। কেক্ক—কেঞ্—ক = কাণৰ বিন্ধাৰ অলঙ্কাৰ। কুটা—কুট্ = দাঁতেৰে কটা। কুট্ বুদ্ধি—কুট্ = কপটীয়া। কামোৰ—কাম = অনিষ্ট কৰা। কিটিৰকৈ কামোৰা—কিট্ = দাঁতেৰে কামোৰা। খং উঠা—খাং = উত্তেজিত কৰা। খাং—খাঙ = বাঁহৰ বস্তু থোৱা সজুলি। খামকাপোৰ—খাম্ = সোণালী ৰঙৰ মুগা কাপোৰ। কিটা—কি-টা = কেইটা। খৰা—খ্ৰং = এবিধ পাচি। খাউ খেৰেং = কুচি ফুল। খাটাং = হাতী বান্দা মৰা বেত। খাটাংকৈ কোৱা—খট্-টাং = কাটি মাৰি শেষ কৰা। খাপ—খাপ্ = খলপা। খিলাং = মঙ্গহ কুটাপাট। খিলঞ্জি = নিজৰ দেশতে হোৱা। খোক্—খুক্—কোঠা। খোবোং—খ্ৰং = সকগাঁত। খুকৰি লগা—খু-ক্যু = সততে সন্দেহ কৰি থকা। খুৰীয়েক-খুঞ-চাও = খুৰী। খোৰ-খ্ৰং = কোঠা। খ্ৰপ-তাং—প্ৰণাম কৰা, ঢোলৰ ছেও, ৰজা আৰু ডা-ডাঙৰীয়াৰ ঘৰত হুচৰি গোৱাই তেনে ঢোলৰ ছেৱত আৰম্ভ কৰিছিল। চাং-চাঙ = ওখ = চাং। চাং-মাই = বান্ধনি। **চাওদাং**। চপনীয়া—চাপ্ = চপনীয়া। **চপচপীয়া—ছপ্ = ছপছপীয়া**। চপা—চাপ্ = ওচৰলৈ অহা। চংদিয়া—ছঙ্—ভাও দিয়া। চেঞ—চুলিৰছেং। চেনাই—ছেঙ্—নাঙ্ = মৰমৰ গাভৰু। চুপমৰা—ছুপ্-ম্যু = মুখত হাত দিয়া। চৌখাম কৰা—চেউ—খাম্ = কটকী পঠাই বাতৰি দিয়া। চোকা—ছক্ ধাৰ থকা। ছিং = অস্ত্ৰ কৰা, ছিঙি পেলোৱা। ছিপ্ দিয়া-ছিপ্ = শূলত দিয়া। ছৈ ছৈ কৈ কটা—ছঞ = কুটা। জট্ বন্ধা—জট্ = জোট লগা। জক্ উঠা—জক্ = ভয় খোৱা। চোমদেও ছেঙ্দেও। চৌতাং চেউ তাং = নগাকটকী। ছাটি পেলোৱা—ছট্ = বিয়ালা। জক্মক্ কৰা—মক্ = চকুত জাল মৰা। জাং দীঘল—জাং = বেঙ্গা। জাক্ = থোক। জেঙ্গা—জেং = অসম্ভি জাই উঠা—চাই = খং উঠা। জাজুৰ খোৱা—জাং = হঠাতে উঠা। জীয়েক—জী = জীয়েক। জীণ যোৱা—জীণ্ = নিৰ্জ্জন। জান্ = তবদৰিয়লী। অমুকটো যেন—যেন = আকৃতি। য়াও !—য়াউ = ডাঙৰ, বৃহৎ। জা = গিৰিয়েকৰ ককায়েকৰ ঘৈণীয়েক। টং কৰা—টং =

বিবেচনা। টঙি ঘৰ—টং-নি = দূৰলৈ লক্ষ্য কৰা। টকৌ গছ—টং—ক = টকৌ। টা টা = সৰু লৰাক খোজ কাঢ়িবলৈ শিকোৱা। টাং টিঙ্গালি টাং বাং—টুং = মিছা-কথা কৈ ভুলোৱা। টেৰ পোৱা—টেন্ = চেতনা। টাটৰি টাটৰ—টাও-টিট্ = গাব মলি। টাপলি মৰা—টপ্ = টাপলি মৰা। টাহ খোৱা—টয় = আঙ্গুলিৰে টিপা। টান মৰা—টান্ = আজোৰ। টিটিকৈ চোৱা—টি = জুমি চোৱা। টিফাই = জুইশাল। টিপা মৰা—টিপ্ = অঙুলিৰে চেপা। টোকোন্—টাও = লাখুটি। টোকোনা—টাক্ = কষ্ট। টোকোৰা চৰাই (চুৱাৰ কৰা চৰাই)—টু = চুৱাৰ। টোকা—টোক্ = পানীটোকা। টৌ—টঙ্ = পিতলৰ ভাত বন্ধা চৰু। টুং কৰা—টুং = গছৰ গুটি ছিঙ্গা। টুপ্ = ঘৰৰ টুপ্। টুকটুকীয়া—টুক্-টুক্ = হৃষ্টপুষ্ট। টুখৰুং কৰা—টুক্-ৰুঙ্—কাটি ছিঙি শেষ কৰা। টোম্ = বাঁহৰ বস্তু খোৱা সজুলি। তাও কাপোৰ—তাও = ৰঙ্গাৰ কাপোৰ। তাও-বান্ = ৰজাই ব্যৱহাৰ কৰা বান বাটি। তাঙৰণ,—তা-ঙ-ৰন্, = ভাল কৰি জনোৱা। তুংতুঙ্গা—টুং = প্ৰশংসা কৰা। তিয়হ—টিং = তিয়হ থাক্ = খলপা। থাপমৰা—থাপ্ = থাপিয়া। থুপ খোৱা—থুপ্ = লগ লগা। থুমুপাক্ = এশটকীয়া। মোনা। থোঙ্গা—থুং = মোনা। ঠনধৰা—ঠন্ = গতলগা। ঠেকাপোৱা—ঠেক্ = ঠেকা। থপথপীয়া, লথপ্ থপ্—থাপ্ = বোকা। ডঁৰিকচৰাই—ডৈ-ৰিক্ = ডৰিক চৰাই। ডাং = চুৱাৰ ডাং। ডোঙা—ডুং = খাল। দা = ডাঙৰ কটাৰী। দেও = সম্বোধন বাচক শব্দ। ন্নুইকৰা = ন্নুঞ্ = দলিয়াই পেলোৱা। নিচাং = কাঠ বা বাহৰ চাং। পংকথা—প্ৰং = আলোচনা। পকোৱা—পক্ = মেৰোৱা। পমিযোৱা—পম্ = মিলহোৱা। পাংপতা—পাং = পৰামৰ্শ। পাট্-বেং—পাট্ = বেং। পিঙত দিয়া—পিং = খৰিকা। পুথা—পু-থাও = আজোককা। পুনাই = মাকৰ মাক। পেঘুমণি—পঙ্ = পেঘুমণি। পৈয়েক—পয় = বিয়া-কৰা। পামখেতিকৰা—পাম্ = জিৰীকানিৰ্ব্বাহ কৰা। পমখেদা—পম্ = গুৰি। পুলিন-পুথাও = উপৰি পুৰুষ, প্ৰপিতামহ। পটিং—প-টিং = জোঙা মাছমৰা যাঠী। ফকফকাই থকা—ফক্ = কথাকোৱা। ফফৰা ফ্ৰেউ = পোৰা। ফয় = ডাঙৰ জৰী। ফলা—ফা = ফলা। ফাং ফুং কৰা—ফাং = ফাকিদিয়া। ফাং = ফাচি, মুছলমান, বিদেশী, বঙালী। ফাইউঠা—ফাই = জুই (খং)। ফাক্ = দাব ফাক। ফাট্ = বেহা বেপাৰ কৰা ঠাই। ফ্ৰিংকৰিপৰা—ফ্ৰিং = উফৰি পৰা। ফেণা—ফেঞ্ = সাপৰ ফেণা। ফুকোৱা—ফুক্ = জন্ম দিয়া। ফুকন। ফুৰা—ফ্ৰাই = ফুৰা। ফকাম্—পে-কাঙ্ = ঘৰৰ চটিত থেকা দিয়া দাং। ফট্‌ফটোৱা—ফাট্ = পঢ়া। বংজৰী—বং = জৰী। বকা—বক্ = কথাকোৱা। বাইচাও = স্বামীৰ বায়েক। বাও = গছৰ কোমল বাকলি। বাওকণি—বাও = মতাৰ ঠিক নোহোৱা মাইকী। বানবাটি—বান্ = বাটি। বাৰেবাং কৰা—বাং = অনেক ধৰণৰ। বুৰঞ্জী = নজনাৰ শিকাৰ ভবাল। পেট বুট্‌বুট কৰা—বুট্ = পেট গোমোৱা। বেঙ্গা মেলা—বেং = বেঙ্গামেলা। বিতং—বি-টঙ্ = ফঁহিয়াই বিবেচনা কৰা। মট্‌মটাই যোৱা—মট্ = গা গধুৰাই যোৱা। মটং—ম-টঙ্ = ভাত বন্ধা চৰু। মইমতালি—মঞ = ময়মতালি। মন কৰিলেই ছন—ছন্ = শিকে। মৰং—মা-ৰং = শৌচাগাৰ। মহং = লোনপুং। মৈদাম—ময়-দাম্ = মৃত্যুকৰ ভেটি। মাই-ফাক্ = এবিধ বনৰীয়া গছ। মাইহাং, মেহেঙা = বান কাঁহী। মান—মান্-ত্ৰা = মানজাতি। মান্ = ভাত। মিট্-কটাৰী—মিট্ = কটাৰী। মোহন—ম-হুন = পণ্ডিত। মুলুং = অতি মুৰ্খ। ৰাইজাইলগা—ৰাই—ডাই = মৰা, হেৰোৱা। ৰা-বাহ—ৰা = ডাং। ৰাং—ফা = ঘৰৰ পাটৰ চটা। ৰাংপতা—ৰাং = তৰপ দিয়া। ৰাপ থকা—



ৰাপ্ = আগ্ৰহ। ৰিংমৰা—ৰিং = আটাহ পৰা। ৰিহা—ৰি-খাম্ = দীঘল মুগাৰ কাপোৰ। থাই লাং থাকে লাং = পিঠি থকেই বা নাথাকক (লাং = পিঠি)। লপ্‌লপা—লপ্ = লপ্‌লপোৱা। লুট্‌পুট্ = এচপৰা মাংসৰ নিচিনা কোমল আৰু আকাৰ নোহোৱা বস্তু। লগুৱা লিকচৌ—লিক্-চেউ = আলইপচান ধৰা লৰা। লাং = নঙলা। লাং-বাট্ = বনৰীয়া হাতীবন্ধা গড়। লাং চিং = হাতী চলোৱা লোৱ মাৰি। লাংথাই পৰা—লাং = পিঠিদি পৰা। লাইশাক, লাইঘিলা, লাইখুটা, লাইজাল—লাই = প্ৰধান, ডাঙৰ ইত্যাদি। লাওপানী—লাও = মদ। লাট্ ছিগা—লাট্ = কথা। লিগিৰা—লিক্ = আলপৈচান ধৰা। লেঙ্গা—লান্ = লঠা। লেট্‌খোৱা, লেটিলোৱা—ল্যাট্ = খচকা। লুকুমাই—লুবং-মাই = ছোৱালীৰ যৌতুকত দিয়া বাদ্ধ। লুখুৰাখন—লুক্—খা-খুন্ = চাকৰৰপৰা হোৱা লৰা। হাই কৰা ঃ—ৰং—হাই = চিঞৰা। হাদাম—হাং-ডাম্ = চাং। হিলৈ—হিন্-লয় = শিলে থেদিগৈ নষ্ট কৰে (বন্দুক)। হেংডান্ = তৰোৱাল। হুকহুককৈ কন্দা—হুক্ = কন্দা। হুক কথা (পকা কথা)—হুক্ = পকা।

আহোম নামৰ ঠাইবিলাক দিয়া নহল যিহেতু সেই বিলাক যোৱা "অসম সাহিত্য সভা পত্ৰিকা"ৰ একবিংশ বছৰ দ্বিতীয় সংখ্যাত শ্ৰীসৰ্ব্বানন্দ ৰাজকুমাৰৰ "অসমত আহোম নামৰ স্থান" প্ৰবন্ধত প্ৰকাশ পাইছে।

শ্ৰীবিমলাকান্ত বৰুৱা

---

# টমাছ মান ঃ যশস্বী কথাশিল্পী

শ্ৰীতাৰণচন্দ্ৰ পাঠক

বিংশ শতিকাৰ এজনা শ্ৰেষ্ঠ আৰু প্ৰতিভাশালী কথাশিল্পী হিচাপে টমাছ মানে সকলো দেশৰ পাঠক-সমাজৰপৰা স্বীকৃতি লাভ কৰিছে। আশী বছৰ বয়সত ১৯৫৫ চনত টমাছ মানৰ মৃত্যু হয়। প্ৰাচীনত্ব, প্ৰতিভা আৰু খ্যাতিসম্পন্ন মহৎ মনীষী এজনাৰ অৱসান ঘটিল। টমাছ মানৰ প্ৰতিভাৰ সম্যক পৰিচয় দিয়া সহজ নহয়। তেওঁৰ "মেজিক মাউণ্টেন" আৰু "বুডেন ব্ৰাক্‌ছ" পঢ়ি মুগ্ধ নোহোৱা পাঠকৰ সংখ্যা বিৰল। কল্পনাৰ বিশালতাত, নিৰ্ম্মাণ-কৌশলত আৰু অভিনৱ বিষয়-বস্তুৰ মাহাত্ম্যত এই দুয়োখন অনুপম উপন্যাসে পাঠকক মুগ্ধ কৰাটো তেনেই স্বাভাৱিক। জাৰ্ম্মানীৰ সৰ্ব্বশ্ৰেষ্ঠ কথা-সাহিত্যিক টমাছ মান বিংশ শতাব্দীৰ বিশ্ব-বন্দিত ঔপন্যাসিকসকলৰ ভিতৰত অন্যতম।

টমাছ মানে পঁচিশ বছৰ বয়সত "বুডেন ব্ৰুক্‌ছ" (Budden brooks) উপন্যাসখন ৰচনা কৰে। এই-খনৰ গলছ্‌ৱাৰ্ডিৰ "ফ'ৰচাইট্ ছাপা"ৰ সমজাতীয় বুলি কব পাৰি। কাৰণ দুয়োখনবে কথা হ'ল মধ্যবিত্ত শ্ৰেণীৰ ঐতিহাসিক উত্থান-পতন। কিন্তু টমাছ মানৰ "বুডেন ব্ৰুকছ্" জটিল ভাব-দ্বন্দ্বত বেচি বুদ্ধিদীপ্ত, আৰু অনুভূতিঘন অভিব্যক্তি। নিৰ্ম্মাণ-কৌশল, কাহিনীৰ অভিনবত্ব আৰু চিত্ৰাঙ্কনত "মেজিক

মাউণ্টেন" এই শতাব্দীৰ শ্ৰেষ্ঠ শিল্প-কীৰ্ত্তি। J. B. Priestby এ তেওঁৰ "Literature & Western Man" নামৰ গ্ৰন্থত এইখন উপন্যাসৰ বিষয়ে এইদৰে কৈছে : "The Magic Mountain is a great novel, representing in our time a great tradition, because it is satisfying on various levels...it offers us a symbolic drama of the artist in the world before 1914... The strength of the novel comes from the central conception of Magic Mountain itself,—a stroke of genius." টমাছ মানৰ শিল্প-কলা অনন্যসাধাৰণ, তেওঁৰ সুউচ্চ কল্পগজত মানৱিক আৱেগত স্পন্দিত, চঞ্চল। চৰিত্ৰ আৰু কাহিনীত তেওঁ এনেকুৱা গভীৰ আৱেগ সঞ্চাৰ কৰে যে সেইবোৰ সদায়ে জীৱন্ত। মানে উপলব্ধি কৰিছিল যে—জীৱন জিজ্ঞাসাৰ উত্তৰ অকল তত্ত্বকথা বা তৰ্কত পোৱা নাযায়। "মেজিক মাউণ্টেনৰ" নায়ক হানছ্ কাছট্ৰপক তেওঁ যাদুকৰৰ পাহাৰৰ ভাব-বিলাসৰ পৰা ঘূৰাই আনিলে কৰ্ম্মৰ ক্ষেত্ৰলৈ। টমাছ মান হাড়ে-হিমজুৰে জাৰ্ম্মান আছিল। জাৰ্ম্মান জাতিৰ গৰ্ব্বই তেওঁৰ চিন্তাক আচ্ছন্ন কৰি ৰাখিছিল প্ৰথম মহাসমৰৰ শেষলৈকে। তাৰ পিছত জাৰ্ম্মানী তথা গোটেই ইউৰোপত ৰাজনৈতিক ধুমুহা বৈ গ'ল। টমাছ মান কেন্দ্ৰচ্যুত হৈ পৰিল। কিন্তু তেওঁৰ শিল্প-চেতনা নতুন ৰঙত ৰঙীন হ'ল। গেটে হাইনে মাৰ্ক্ছ্ এঞ্জেলছ্ ঐতিহ্য পৰিপুষ্ট জাৰ্ম্মান সংস্কৃতিৰ মানৱিকতাৰ অনুশীলন আৰু সম্প্ৰসাৰণ আৰম্ভ হ'ল তেওঁৰ জীৱনত আৰু শিল্প-সাধনাত। তথাপি, টমাছ মানৰ সমাজ সচেতনতা প্ৰখৰ হলেও, তেওঁ শিল্পী-সত্তাত ৰোমান্টিক। তেওঁৰ মননশীলতা তত্ত্বাশ্ৰয়ী আৰু ৰূপকধৰ্ম্মী।

টমাছ মানে হিটলাৰী অভিযানৰ বিৰুদ্ধে, নাজ্জা ফেছিষ্ট ধূৰ্ত্ততাৰ বিৰুদ্ধে অভিযান আৰম্ভ কৰিলে। তেওঁৰ অভিযান মহৎ মানৱিক বেদনাদীপ্ত। "মেৰিও দি মেজিছিয়ান"ত তেওঁ ফেছিষ্টৰ বিৰুদ্ধে তীব্ৰ বিদ্ৰূপময় আক্ৰমণ চলালে। কিন্তু ইয়াৰ কিছুদিন পিছতে হিটলাৰৰ জাৰ্ম্মানীত তেওঁৰ ঠাই নহ'ল। জাৰ্ম্মানীৰ শ্ৰেষ্ঠ কথা-শিল্পীক স্বদেশৰপৰা নিৰ্ব্বাসিত কৰা হ'ল। নিৰ্ব্বাসিত হলেও পৰাজিত নহ'ল টমাছ মান। তেওঁ গভীৰ আত্ম-বিশ্বাসেৰে সৈতে কৈছিল—"মই য'তেই থাকিম, তাতেই জাৰ্ম্মান সংস্কৃতি জীয়াই থাকিব।"

গেটেৰ উত্তৰাধিকাৰী টমাছ মানৰ জীৱনৰ নতুন অধ্যায়ৰ সূচনা হ'ল এই নিৰ্ব্বাসনত। গোটেই ইউৰোপ জুৰি নাজীফেছিষ্ট বিভীষিকাৰ ৰাজত্বৰ অৱসান ঘটাবলৈ ডেকাসকলে দৃঢ় সংকল্প গ্ৰহণ কৰিলে। এনেকুৱা উৎসাহ দেখি টমাছ মানে আনন্দ পালে। জীৱনত যিমানে পৰিৱৰ্ত্তন নহওক, তেওঁ তেওঁৰ স্বভাৱ ধৰ্ম্ম—শিল্পীৰ নিৰাসক্তিৰপৰা বিচ্যুত হোৱা নাই। ফল স্বৰূপে, তেওঁৰ শিল্পীসত্তা সমাজ-সচেতন হলেও তেওঁৰ শিল্প-সৃষ্টিত বাস্তৱৰ যথাৰ্থ প্ৰতিফলন দেখা নাযায়। শেহলৈকে তেওঁৰ জীৱন-দৰ্শন তত্ত্বাশ্ৰয়ী।

আমেৰিকাত থকা কালছোৱাত টমাছ মানে বাইবেলৰ জোছেফক সমাজ সংগঠনৰ অভিজ্ঞতাৰ পথলৈ আগবঢ়াই আনিলে। তেওঁৰ কল্পিত জোছেফ কাহিনীৰ ( Joseph series ) সামাজিক তত্ত্ব আৰু আদৰ্শ মানে গ্ৰহণ কৰিলে আমেৰিকাৰ আদৰ্শৰপৰা।

কিন্তু টমাছ মানৰ শিল্পীসুলভ মনোভঙ্গীক একোৱেই আশ্বাস দিব নোৱাৰিলে। মাৰ্কিন "নৱ-বিধানে" মানৰ মহৎ মানৱিক বেদনাক দৃঢ় আশ্বাসবাণী শুনাব নোৱাৰিলে। সেয়ে তেওঁ আমেৰিকা এৰি আকৌ ইউৰোপ পালেহি। কিন্তু



যুদ্ধোত্তৰ জাৰ্ম্মানী তেওঁৰ চকুত বিকৃত আৰু অন্ধকাৰময় যেন লাগিল। ১৯৪৭ চনত তেওঁ ৰচনা কৰে তেওঁৰ বিখ্যাত ৰূপকধৰ্ম্মী উপন্যাস "ডক্টৰ ফাউষ্টাছ"। নিজৰ জীৱনৰ অভিজ্ঞতাৰ ওপৰত ভেটি কৰি এটা ভয়াবহ, মৰ্ম্মান্তিক চিত্ৰ আঁকিছে টমাছ মানে। বহুতো সমালোচকে এই উপন্যাসৰ বিৰূপ সমালোচনা কৰিছে। .কিন্তু শিল্পী নিৰ্ভীক। তেওঁ এবাৰ কৈছিল যে সুস্থ আৰু সৃষ্টিধৰ্ম্মী সাহিত্য অকল পশ্চিম ইউৰোপত নহয়, পূব ইউৰোপতো ৰচিত হৈছে। পূব জাৰ্ম্মানীৰপৰা তেওঁ অভিনন্দন গ্ৰহণ কৰিছিল।

টমাছ মানৰ প্ৰতিভা অনন্যসাধাৰণ। তেওঁৰ সুদীৰ্ঘ সাধনা কোনো মতবাদৰ ওপৰত প্ৰতিষ্ঠিত নাছিল "বুডেন ব্ৰুকচ্"ৰ পৰা "ডক্টৰ ফাউষ্টাছ্" পৰ্য্যন্ত তেওঁৰ শিল্প-সাধনাৰ অবিৰাম প্ৰয়াস দেখা যায়। এই প্ৰয়াস বিশ্বাস আৰু শান্তিৰ পথত আগবঢ়াৰ প্ৰয়াস। গুৰু মহাকৱি গেটেৰ প্ৰশান্তি অৰ্জ্জন কৰাৰ তেওঁৰ প্ৰচেষ্টা। কাৰণ গেটেৰ প্ৰশান্তি তেওঁৰ সাধনাৰ সামগ্ৰী। অৱশ্যে ছোপেন হাওৱাৰৰ বিষণ্ণতা আৰু অতৃপ্তি তেওঁৰ শিল্প-চেতনাৰ সকলো স্তৰতে—প্ৰথমৰপৰা শেহলৈকে পৰিলক্ষিত হয়। কিন্তু সেইবুলি টমাছ মানক জীৱন-বিমুখ শিল্পী বুলি অভিহিত কৰিলে অন্যায় হব। তেওঁৰ বেচি ভাগ লেখা ক্ষয় আৰু মৃত্যুৰ চেতনাত সকৰুণ, বিষাদময়। কিন্তু মানুহৰ মহৎ প্ৰয়াসক, সামগ্ৰিক জীৱনৰ উন্নতিৰ দাবীক তেওঁ কেতিয়াও অগ্ৰাহ্য কৰা নাই। সম-সাময়িক বহুত ইউৰুপীয় শিল্পীয়ে জীৱনৰ তুচ্ছতা, মূল্যহীনতাৰ ওচৰত আত্ম-সমৰ্পণ কৰা যেন লাগে। সমষ্টিজীৱন বহুত লেখকৰ মানত ভ্ৰম বা দুঃস্বপ্ন। কিন্তু টমাছ মানৰ কল্পলোক অনুভূতিঘন আৰু বিষণ্ণতাময় হলেও মানৱিক সত্যৰ মহৎ বেদনাত সমুজ্জ্বল আৰু বুদ্ধিদীপ্ত। তেওঁৰ মানত জীৱন অকল মায়া নহয়। তেওঁৰ জীৱন-দৰ্শন কাব্যধৰ্ম্মী, কিন্তু জয়েছ বা জিদৰ দৰে অসংলগ্ন, উদ্দেশ্যহীন নহয়। শিল্পীৰ নিৰাসক্তি বিকৃত হলে আমি শিল্পীক হয়তো নিন্দা কৰিব পাৰোঁ। কিন্তু টমাছ মানৰ নিৰাসক্তি শিল্পসৃষ্টিৰ একাগ্ৰ তন্ময়তা। গতিকে তেওঁ কোৱা কথাষাৰ—নিৰাসক্তি, শিল্পীয়ে অনুশীলন কৰা উচিত—অসত্য বুলি কব নোৱাৰি।

বাৰ্ণাৰ্ড শ্ব', ৰোঁমাৰোলাঁ বা ৰবীন্দ্ৰনাথ, টমাছ মানৰ দৰে অসাধাৰণ, বিস্ময়কৰ। কিন্তু তেওঁবিলাক আছিল আমাৰ তেনেই ওচৰত ; তেওঁবিলাকৰ লগত আমাৰ যেনে সহজ আত্মীয়তা, টমাছ মানৰ বেলিকা তেনে আত্মীয়তা অনুভৱ কৰিব নোৱাৰি। টমাছ মান মানৱতাবাদৰ শ্ৰেষ্ঠ ঐতিহ্যৰ উত্তৰাধিকাৰী বুলি পৰিগণিত হলেও মানুহক, জীৱনক তেওঁ মমত্ববোধেৰে অভিষিক্ত কৰিব পৰা নাই। কিন্তু শিল্পাৰ প্ৰতিভা আৰু প্ৰয়াস আছিল বিৰাট। তেওঁৰ সংকল্প আৰু সাফল্যও বিৰাট। টমাছ মান অকল এই শতিকাৰ শ্ৰেষ্ঠ জাৰ্ম্মান কথা-সাহিত্যিকেই নহয়, সেই যুগৰ ইউৰুপীয় মানসৰ তেওঁ প্ৰতিভূ। ১৮৭৫ চনত জাৰ্ম্মানীত জন্ম গ্ৰহণ কৰি চুইজাৰলেণ্ডত মৃত্যু বৰণ কৰে এইজন মহান্ শিল্পীয়ে স্বেচ্ছাকৃত নিৰ্ব্বাসনত। তেওঁৰ জীৱন আৰু শিল্প-কীৰ্ত্তিৰ লগত ৫০ বছৰৰ অধিক কালৰ ইতিহাস জড়িত হৈ আছে। সেই ইতিহাস আশা-নিৰাশাৰ, দ্বন্দ্ব-সংঘাতৰ এক সঙ্কটময় দীঘলীয়া ইতিহাস।

আমি আজি-কালি যাক সমাজবাদী বাস্তৱবাদ (social realism) বুলি অভিহিত কৰোঁ, সেই বাস্তৱবাদৰ প্ৰতি টমাছ মান অনুৰক্ত নাছিল যেন লাগে। তেওঁ আছিল মহান্ শিল্পী ; কিন্তু 'আৰ্টৰ বাবে আৰ্ট' এই মনোভঙ্গী তেওঁ গ্ৰহণ কৰা নাছিল। কি জীৱনদৰ্শন, কি শিল্প-সাধনাত তেওঁৰ এই মনোভঙ্গীৰ পৰিচয় পোৱা নাযায়। টমাছ মানে লেখকৰ সৃজনী শক্তি, কৰ্ত্তব্য আৰু দায়িত্ব সম্পৰ্কে

অলেখ আলোচনা কৰিছে তেওঁৰ নানা ৰচনাত। তেওঁৰ প্ৰথম কথা হ'ল শিল্প সৃষ্টিৰ বাবে শিল্পীয়ে সকলো ত্যাগ কৰিবলৈ সদায়ে প্ৰস্তুত থাকিব লাগিব। জীৱনৰ ৰহস্য উদ্ঘাটনত, মানৱিক সমস্যাৰ সমাধানত শিল্পী হব লাগিব উচ্ছ্বসিত প্ৰাণ স্বৰূপ। যৌৱন কালত ছোপেনহাওৱাৰৰ মহাবিষণ্ণতাই আৰু পৰিণত বয়সত গেটেৰ আশাবাদী জীৱনবোধে তেওঁৰ দীঘলীয়া চিন্তাধাৰাক অভিনবত্বৰ ৰূপ দিছে।

পোনপ্ৰথমে টমাছ মানে যেতিয়া লেখিবলৈ আৰম্ভ কৰে, তেতিয়া তেওঁ বিষয়-বস্তুৰ প্ৰাধান্য দিয়া নাছিল,—তেওঁৰ দৃষ্টি আছিল আঙ্গিকৰ কলা-কৌশলৰ পিনে। তেওঁ প্ৰথমতে গল্প লেখিছিল আৰু ফ্লবেয়াৰৰ ৰচনা-ৰীতি আছিল তেওঁৰ আৰ্হি বা আদৰ্শ। কিন্তু এই আদৰ্শ স্থায়ী নহ'ল। সেই সময়ৰ জাৰ্ম্মানীৰ মধ্যবিত্ত শ্ৰেণীৰ সঙ্কট-চেতনা তেওঁৰ নিজৰ পৰিয়ালৰ ঐতিহ্যৰ মাজেদি প্ৰখৰ হৈ উঠিল। নোভালিছৰ শিল্প-দৰ্শনৰ প্ৰেৰণাই তেওঁৰ কল্পনাক ৰোমাণ্টিক ৰূপত ৰঞ্জিত কৰিলে। ছোপেন-হাওৱাৰ অনুশীলনে তেওঁক দিলে প্ৰখৰ অনভূতি আৰু সেয়েহে কাহিনী ৰচনাত জটিল জীৱনদৰ্শনে দেখা দিলে। টমাছ মানৰ প্ৰত্যেকখন উপন্যাসতে আমি দেখোঁ একোখন সম্পূৰ্ণ জগত—যাৰ অস্তিত্ব সঙ্কটময়, ক্ষয় আৰু মৃত্যু চেতনাত বিক্ষুব্ধ, চঞ্চল। জগতৰ ভঙা-গঢ়া সম্বন্ধে টমাছ মানক নিৰাসক্ত বুলি কব পাৰি। তেওঁৰ মানৱতা বোধ গভীৰ কিন্তু সমবেদনাময় নহয়। তেওঁ অনুকম্পাৰে সৈতে মানুহৰ বেদনা আৰু বিড়ম্বনাৰ চিত্ৰ নিপুণ ভাৱে আঁকিছে।

টমাছ মানৰ "মেজিক মাউণ্টেন" অনন্যসাধাৰণ সৃষ্টি। এইখন বিৰাট উপন্যাসত নানা ধৰণৰ চৰিত্ৰ সমাবেশ কৰা হৈছে, ইয়াত তত্ত্ব আৰু তৰ্কৰ অজস্ৰ ধাৰা আছে, নেপোলিয়নৰ যুগৰপৰা প্ৰথম মহা-সমৰলৈকে ইউৰুপীয় মানসৰ যাৱতীয় সমস্যা আৰু জিজ্ঞাসা উত্থাপন কৰা হৈছে। এয়া অপূৰ্ব, বুদ্ধিদীপ্ত আলোচনা। তথাপি কব লাগিব যে "মেজিক মাউণ্টেন"ৰ লগত জীৱনৰ বাস্তৱতাৰ কোনো সম্বন্ধ নাই। শিল্পীয়ে তেওঁৰ সৃজন-ক্ষমতা সফল কৰাতহে যেন মগ্ন। ই'-তত্ত্বপ্ৰধান হলেও ইয়াক টমাছ মানৰ শ্ৰেষ্ঠ কীৰ্ত্তি-স্তম্ভ (masterpiece) বুলি স্বীকাৰ কৰা হৈছে। তেওঁৰ শিল্প-কৌশল সঁচাকৈয়ে অনন্য সাধাৰণ, অনুপম! ই এখন প্ৰতীকধৰ্মী উপন্যাস। Priestbyৰ ভাষাত কবলৈ হলে—"This is a novel of marvellous solidity, richness & complexity, in which, for once, the outer world is not wrecked or turned into a shadow show for the sake of the inner world, but both worlds are held together, to present one epic drama...".

মানৱ জীৱনৰ গভীৰ সমস্যাসমূহ লৈ টমাছ মানে গভীৰ ভাৱে চিন্তা কৰিছে। সেইবোৰৰ সামাজিক মূল্য আমাৰ মনত তেনেই সামান্য যেন লাগিব পাৰে। কিয়নো আমাৰ বহুতৰে ধাৰণা,—সমাজৰ আমূল পৰিবৰ্ত্তন হলেই ব্যক্তিৰ লগত সমাজৰ, জীৱনৰ লগত পৰিৱেশৰ সকলো দ্বন্দ্ব সংঘাত নাইকিয়া হৈ যাব; বাস্তৱ জীৱনত আশা আৰু নিৰাশাৰ বিচিত্ৰ প্ৰকাশৰ বেদনা নাথাকিব। কিন্তু এনে ধাৰণা সম্পূৰ্ণ সত্য নহয়। বিশ্বাস আৰু সংশয়—এই দুয়োটাৰে প্ৰয়োজন সুস্থ জীৱনৰ কাৰণে। টমাছ মানৰ কীৰ্ত্তি বিশ্বাস আৰু সংশয়, গভীৰ জীৱনবোধ আৰু অতৃপ্তি—এই দুটা মহৎ গুণৰ ওপৰত সুপ্ৰতিষ্ঠিত। আমাৰ সামগ্ৰিক চেতনাৰ ক্ষেত্ৰত ইয়াৰ মূল্য নিশ্চয় আছে আৰু থাকিব।

---

# অসমীয়া ভাগৱতী ধৰ্ম্মত ৰাধা-প্ৰসঙ্গ

শ্ৰীশুক্ৰেশ্বৰ বৰা

[ মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱৰ একশৰণীয়া ভাগৱতী ধৰ্ম্মত যুগল উপাসনাৰ বিধান নোহোৱাটো সকলোৱে জানে। কিন্তু অসমৰ কোনো এখন প্ৰখ্যাত সত্ৰত ৰাধা-কৃষ্ণৰ যুগল মূৰ্ত্তি থাপনা কৰা দেখা গৈছে। তেখেতসকলে ৰাধাক ভক্ত হিচাপেহে ঠাই দিয়া বুলি কয়।]

মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱৰ প্ৰৱৰ্ত্তিত নিৰ্ম্মল ভাগৱতী ধৰ্ম্মৰ নৱ বৈষ্ণৱবাদত পূৰ্ণব্ৰহ্ম শ্ৰীকৃষ্ণৰ উপাসনাত যে প্ৰেমময়ী ৰাধাৰ স্থান নাই, সি জনাজাত কথা। কিয়নো তেৰাৰ প্ৰচাৰিত ভাগৱতী ধৰ্ম্ম হৈছে দাস্যভাৱপ্ৰধান। কিন্তু আচৰিত কথা, তথাপি কোনো কোনোৱে এই ধৰ্ম্মত ৰাধা-কৃষ্ণ উভয়ৰে অৰ্থাৎ যুগল মিলনৰ স্থান আছে বুলি কব খোজে। প্ৰকৃততে এই ধৰ্ম্মত যে প্ৰেমময়ী ৰাধাৰ বা ৰাধা-কৃষ্ণ যুগল মূৰ্ত্তিৰ স্থান নাই, তাক সম্প্ৰতি সংক্ষেপে আলোচনা কৰিব খুজিছোঁ।

প্ৰথমে আমি ইয়াকে কব খোজোঁ যে এই প্ৰাচীন বিশাল হিন্দুধৰ্ম্মৰ ভিতৰত নিজৰ চিন্তাধাৰা আৰু দৰ্শনৰ ওপৰত ভিত্তি কৰি কত মহাজনে কতভাৱে যে ঈশ্বৰ ভজনৰ পথ প্ৰতিষ্ঠা কৰি গৈছে, তাৰ লেখ নাই। গতিকে ভাৰতৰ কোনো বৈষ্ণৱ সম্প্ৰদায়ে আদিৰস বা মধুৰ ভাৱৰ প্ৰাধান্য দি যদি যুগল মিলনৰ ভজনা কৰিব খোজে, বা কোনো জনে যদি তেনে ধৰণৰ কোনো ধৰ্ম্মপথ প্ৰতিষ্ঠা কৰিব খোজে, তেন্তে তাত আমাৰ কোনো আপত্তিৰ স্থান নাই। কিন্তু মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱৰ সুপ্ৰতিষ্ঠিত দাস্যভাৱ প্ৰধান নিৰ্ম্মল ভাগৱতী ধৰ্ম্মত ৰাধা-কৃষ্ণৰ যুগল মূৰ্ত্তিক প্ৰতিষ্ঠা কৰিবলৈ যোৱাটো থাপ নোখোৱা কথা।

সত্যক কোনেও ঢাকি ৰাখিব নোৱাৰে। সৌ সিদিনা দেশবৰেণ্য আচাৰ্য্য বিনোৱাজীয়ে পদ-যাত্ৰাত অসমৰ সত্ৰসমূহ ভালকৈ পৰ্য্যবেক্ষণ কৰি যি কৈছে, সি সকলোৰে প্ৰণিধানযোগ্য। তেখেতে কৈছে যে "চৈতন্যদেৱৰ প্ৰৱৰ্ত্তিত বঙ্গ দেশৰ বৈষ্ণৱ ধৰ্ম্মৰ লগত শঙ্কৰদেৱৰ প্ৰচাৰিত বৈষ্ণৱ ধৰ্ম্মৰ কোনো সম্পৰ্ক বা যোগাযোগ নাছিল। শঙ্কৰদেৱে ২০ বছৰৰো অধিক কাল ধৰ্ম্ম প্ৰচাৰ কৰাৰ পাচত হে শ্ৰীচৈতন্যদেৱে জন্ম-গ্ৰহণ কৰে। শ্ৰীচৈতন্যদেৱৰ প্ৰচাৰিত বৈষ্ণৱ ধৰ্ম্মত প্ৰধানতঃ ভক্তিৰ মধুৰ ভাৱ গ্ৰহণ কৰা হৈছে। এই কাৰণেই ইয়াত ৰাধা-কৃষ্ণ লীলা-প্ৰসঙ্গই প্ৰাধান্য লাভ কৰিছে। কিন্তু শঙ্কৰদেৱৰ প্ৰচাৰিত বৈষ্ণৱ ধৰ্ম্মত সেইটো নাই। সেই কাৰণে অসমৰ নাম-ঘৰত ৰাধা মূৰ্ত্তি—ৰাধা-কৃষ্ণৰ যুগল মূৰ্ত্তি ৰখা নহয়। অসমত থকা অসমীয়াভাষী হিন্দু থকা এনে এখন গাঁও নাই—য'ত নাম-ঘোষা আৰু কীৰ্ত্তন-ঘোষা, আৰু নাম-ঘৰ নাই। নাম-ঘোষা বৈষ্ণৱ পদাৱলীৰ নিচিনা; কিন্তু পদাৱলীতকৈ এই গ্ৰন্থৰ গুৰুত্ব আৰু বেচি।"

কোৱা বাহুল্য যে মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱৰ প্ৰতিষ্ঠিত মহাপুৰুষীয়া ধৰ্ম্ম ভাগৱত-ধৰ্ম্ম। এই ধৰ্ম্মৰ মূল ভেটি হৈছে শ্ৰীমদ্ভাগৱত। এই প্ৰসিদ্ধ বৃহৎ বৈষ্ণৱ-গ্ৰন্থৰ বাৰ স্কন্ধৰ কোনো এটি পাততে ৰাধা-কৃষ্ণ লীলা-প্ৰসঙ্গৰ কোনো উল্লেখ যে নায়েই শ্ৰীৰাধাৰ নাম

পৰ্য্যন্তও ক'তো নাই। মাত্ৰ 'ৰাধিকা' নামৰ এগৰাকী গোপীৰ নামহে লগৰ লগত উল্লেখ আছে।—

"অনেক সহস্ৰ গোপী ৰূপে অনুপাম।
শুনা তাৰ মুখ্য মুখ্য কিছু নাম॥

* * * *

ৰোহিণী, হৰিণী, সয়ম্বৰী বিদ্যাধৰী।
মাধৱী, ৰাধিকা, মধুমতী মন্দোদৰী॥"

ভাগৱত, দশমস্কন্ধ, ১১৭৯৮

মহাপুৰুষ বিৰচিত শ্ৰেষ্ঠগ্ৰন্থ "কীৰ্ত্তন" পুথিত ৰাধাৰ কোনো উল্লেখ নাই। বৈকুণ্ঠপতি নাৰায়ণৰ পদ-সেৱিকা লক্ষ্মীদেৱী আৰু লক্ষ্মীৰ অৱতাৰ ৰুক্মিণী দেৱীয়েহে শ্ৰীকৃষ্ণৰ প্ৰধান মহিষীৰূপে স্থান পাইছে। সেই বুলি তেওঁলোকক ভজনীয়া হিচাপে স্থান দিয়া নাই, স্থান দিছে প্ৰকৃতিস্বৰূপ জগতৰ লগত ভক্তৰ শাৰীত হে।

"ব্ৰহ্মা মহাদেৱ লক্ষ্মীদেৱী কায় বাক্য মনে স্থিৰ কৰি
পৰম আনন্দে সেৱন্ত চৰণ যাৰ॥"—

কীৰ্ত্তন-ঘোষা

* * * *

"তাতে শুতি আছা জগত পতি।
উপাসি আছন্ত ৰুক্মিণী সতী॥"—কীৰ্ত্তন।

এইদৰে বিচাৰি চালে মহাপুৰুষীয়া ধৰ্ম্মত কেৱল দাস্য ভাৱৰহে প্ৰাধান্য দেখিবলৈ পোৱা যায়। লক্ষ্মীদেৱী বিষ্ণুপ্ৰিয়া হলেও তেওঁ নাৰায়ণৰ ওচৰত প্ৰেমময়ী হৈ নেথাকি জগন্নাথৰ আৰু জগতৰ সেৱাত হে ৰত আছে। শ্ৰীকৃষ্ণৰ ওচৰতো ৰুক্মিণী দেৱীৰ স্থান তেনেকুৱাই। তেনেস্থলত দাস্যপ্ৰধান এই মহাপুৰুষীয়া ধৰ্ম্মত প্ৰেমময়ী ৰাধাৰ আবিৰ্ভাৱ এক বিষম সাঁথৰেই।

এইখিনিতে উল্লেখ কৰিবলগীয়া হ'ল যে ওপৰত উল্লেখ কৰা ৰাধিকা নামৰ সেই গোপী গৰাকীয়েই সম্ভৱ বৃন্দাবনৰ ৰাস-লীলাত শ্ৰীকৃষ্ণই আনসকলৰ অতৰ্কিতে হঠাতে অঁতৰাই নিয়া গোপী গৰাকী বুলি পৰৱৰ্ত্তী লিখকসকলে 'ৰাধা' বুলি এক চৰিত্ৰ অঙ্কণ কৰিছে। মহাপুৰুষ মাধৱদেৱেও এই গৰাকী ৰাধা সম্পৰ্কে নাটত কেইটিমান গীত সন্নিবিষ্ট কৰিছে। তাকে দেখি কোনো কোনো লোকে মহাপুৰুষীয়া ধৰ্ম্মত ৰাধা আৰু মধুৰ ভাৱৰ সমাবেশ আছে বুলি ভাঠি কৰ খোজে। কিন্তু এই খিনিতে আমি কব খোজোঁ যে নাট আদিত চৰিত্ৰ অঙ্কণ কৰোঁতে বিষয়-বস্তুত কল্পনাৰ ৰহণ সনা হয় আৰু তাত কম-বেচি পৰিমাণে নৱৰসৰ সমাবেশ কৰিবলৈ যত্ন কৰা হয় আৰু তাকে কৰাটো কলাৰ শিল্প-চাতুৰ্য্যও। মাধৱদেৱে গোপী ৰাধিকা বা ৰাধাৰ চৰিত্ৰ অঙ্কণ কৰিবলৈ যাওঁতে মধুৰ ৰস আদি নৱৰসৰ সৃষ্টি হব পাৰে, কিন্তু মহাপুৰুষীয়া ধৰ্ম্মাচৰণত সেই ৰস গ্ৰহণ কৰা নাই; কাৰণ মহাপুৰুষসকলে ৰচা বৰগীতসমূহৰ লগত নাটৰ এই গীতবিলাকে ঠাই পোৱা নাই — অৱশ্যে নাটত প্ৰসঙ্গৰ গীত হলে সংযোগ কৰা হয়। ৰাগ আৰু তাল-মান সম্বলিত উচ্চ থাপৰ অধ্যাত্ম-সঙ্গীতকে 'উচ্চ গীত' বা 'বৰগীত' বোলা হয় বুলিও যদি কোনো কোনো জনে এই ব্যাখ্যা দিছে, তথাপি বহু চিন্তাশীল লোকে তাক স্বীকাৰ কৰা নাই। কিন্তু এই 'বৰগীত'ৰ নামকৰণ সম্পৰ্কে আমাৰ সুচিন্তিত ধাৰণা এয়ে যে 'বৰগীত'ৰ অৰ্থ হৈছে ঈশ্বৰৰ ওচৰত বৰ লোৱা গীত বা আশীৰ্ব্বাদ বিচৰা গীত, অৰ্থাৎ প্ৰাৰ্থনা-সঙ্গীত। সেয়েহে মহাপুৰুষীয়া ধৰ্ম্মত প্ৰৱৰ্ত্তন কৰা লোকসকলে এই 'বৰগীত'বিলাকৰ-দ্বাৰাহে ঈশ্বৰ উপাসনা বা নিত্য-প্ৰসঙ্গাদি কৰে। সি যি হওক নাট উপলক্ষে ৰচিত গীতসমূহৰদ্বাৰা কোনো উপাসনা নহয়। গতিকে নাটৰ গীতত ৰাধাৰ নাম আৰু মধুৰ ৰস থাকিলেই মহাপুৰুষীয়া বৈষ্ণৱবাদত সি স্থান পাইছে বুলি কোৱাটো যুক্তিহীন।

বৈষ্ণৱবাদৰ সৃষ্টি-তত্ত্ব মতে ঈশ্বৰৰ ইচ্ছাত চৈতন্য



পুৰুষৰপৰা জড়-প্ৰকৃতি মহামায়াৰ উদ্ভৱ হৈ এই বিনন্দ-বিলাস জগতৰ সৃষ্টি হৈছে।

"সৃষ্টি কৰিবাক ঈশ্বৰৰ ইচ্ছা কাজ।
পুৰুষৰপৰা মহামায়া ভৈলা বাজ॥"

—অনাদিপাতন, ৪৫

মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱৰ বৈষ্ণৱবাদে কেৱল ঈশ্বৰ পৰম পুৰুষৰ ৰূপহে দৰ্শন লাভ কৰিছে।—

"অনন্ত জগত খনি তোমাত উদ্ভৱ ভৈলা
সন্ত হেন প্ৰকাশে সদায়।
কৰ্ম্ম-জড় মনুষ্যৰ মন মগ্ন ভৈলা তাতে
বেদৰ নুবুজে অভিপ্ৰায়॥
তোমাৰ অদ্বৈত ৰূপ পৰম আনন্দ ৰূপ
তাতে মোৰ মগ্ন হৌক চিত্ত।
ভৈলোহো দাসৰো দাস জানি এবে নৰহৰি
আমাক নেৰিবা কদাচিত॥"

—কীৰ্ত্তন, ১৭১২

গতিকে দেখা যায়, মহাপুৰুষৰ বৈষ্ণৱবাদে জগত উদ্ভৱ হোৱাৰ পাচতো ভগৱন্তৰ সেই অনাদি অদ্বৈত ৰূপহে দেখা পাইছে। সেই কাৰণে এই বৈষ্ণৱবাদত" এক দেউ, এক সেউ, এক বিনে নাই কেউ"—কৃষ্ণ ভিন্ন যুগ্ম উপাসনা বা কৃষ্ণৰ লগত ৰাধাৰ স্থান নাই। মহাপুৰুষে প্ৰতিপন্ন কৰি গৈছে—

"জগত কাৰণ সিটো প্ৰকৃতি পুৰুষ॥
তাহাৰ কাৰণ তুমি জানিলোঁ সম্প্ৰতি।
তোমাৰ অধীন দুয়ো পুৰুষ প্ৰকৃতি॥

—কুৰুক্ষেত্ৰ, ১৮৩৩৭

এই মত অনুসৰিয়েই ৰাধা কৃষ্ণৰ যুগল উপাসনা নকৰি "প্ৰকৃতি পুৰুষ দুইৰো নিয়ন্তা মাধৱ"ৰ অৰ্থাৎ যাৰপৰা প্ৰকৃতি পুৰুষ উদ্ভৱ হৈছে, আৰু যি জনে প্ৰকৃতি পুৰুষ উভয়কে চলাইছে সেই পৰম পুৰুষ বা মহাপুৰুষ মাধৱৰ হে উপাসনাৰ শিক্ষা দি গৈছে। এই কাৰণেই এই ধৰ্ম্মৰ নাম মহাপুৰুষীয়া ধৰ্ম্ম। এই মহাপুৰুষীয়া ধৰ্ম্মত জড়-প্ৰকৃতি ৰাধাক ভজনা কৰাৰ কোনো প্ৰসঙ্গ নাই।

কোনো কোনোৱে মহামায়া স্বৰূপ প্ৰকৃতি ৰাধাক চিৎ প্ৰকৃতি বুলি অভিহিত কৰিব খোজে। কিন্তু মহাপুৰুষৰ বৈষ্ণৱবাদত মহাপ্ৰকৃতি বা ৰাধাক চিৎ প্ৰকৃতি বুলি ধৰা নাই। শক্তি উপাসকসকলৰ মতেও স্বয়ং আদ্যাশক্তি ভগৱতী বিনাশী জড় প্ৰকৃতি। এই প্ৰসঙ্গ বিবিধ পুৰাণ আৰু বৈষ্ণৱ সাহিত্যতো উল্লেখ আছে।—

"শিৱৰ কণ্ঠত পেখি কাৰুণ্যে পুচিলা দুৰ্গা
মুণ্ডমালা লৱা প্ৰভু কাৰ?
শিৱে বোলে কন্ম অন্তে বিনাশক লভা প্ৰিয়া
মুণ্ডমালা জানিবা তোমাৰ॥"

—* প্ৰেমভূষণদেৱ।

মহাপুৰুষ মাধৱদেৱে এই জড় প্ৰকৃতিক ভজনা কৰাৰ বিৰুদ্ধে দৃঢ় মত প্ৰকাশ কৰি গৈছে।—

"মায়া আদি কৰি যত সমস্ত জগত জড়
কৃষ্ণ সে চৈতন্য আত্মা শুদ্ধ।
চৈতন্য কৃষ্ণক এৰি জড়ক ভজিয়া মৰে
কিনো লোক অধম মুগুধ॥"

—নাম-ঘোষা

তেনেহলে জড় প্ৰকৃতি ৰাধাক ভজনা কৰিবলৈ মহাপুৰুষীয়া ধৰ্ম্মত ক'ত স্থান আছে, বুজা দুঃসাধ্য। মহাপ্ৰকৃতি লক্ষ্মী আৰু ৰুক্মিণীক ঠাই দিয়া হৈছে, সি কেৱল জগতৰ ব্যৱহাৰ ধৰ্ম্মৰ কাৰণেহে, ভজনাৰ কাৰণে নহয়। মহাপুৰুষে কৈছে—

"প্ৰকৃতিত আছে মাত্ৰ ব্যৱহাৰ ধৰ্ম্ম।
তুমিসি (কৃষ্ণহে) স্বৰূপ পৰিপূৰ্ণ পৰম ব্ৰহ্ম।"

—কুৰুক্ষেত্ৰ, ৪৮৮

এইবিলাক জানি-শুনিও কোনো কোনোৱে প্ৰসঙ্গ তোলে যে শ্ৰীকৃষ্ণৰ লগত ৰাধা নেথাকিলে কৃষ্ণ পূৰ্ণকৃষ্ণ নহয়। ই এক অদ্ভুত উক্তি। আনৰ কথা

কৰ নোৱাৰোঁ. মহাপুৰুষীয়াসকলে হলে দৈৱকীনন্দন শ্ৰীকৃষ্ণকেই পূৰ্ণব্ৰহ্ম নাৰায়ণ মহাবিষ্ণু বুলি বিশ্বাস, উপলব্ধি আৰু ভজনা কৰি আহিছে। এই পূৰ্ণব্ৰহ্ম শ্ৰীকৃষ্ণতেই প্ৰকৃতি-পুৰুষ (মায়াশয্যা বা মায়াপুৰ প্ৰকৃতি আৰু তাত শুই থকা জনেই পুৰুষ) জল-স্থল বায়ু বৰুণ আদি সমস্ত দেৱতা আৰু লক্ষ্মী সৰস্বতী আদি সমস্ত দেৱী এই কৃষ্ণতেই লীলা কৰি আছে। শ্ৰীকৃষ্ণৰ লীলা-প্ৰসঙ্গত আছে যে যশোদাই যেতিয়া "কিয় মাটি খাইলি" বুলি শাসন-দণ্ড নিজে লৰ খুজিলে, তেতিয়া শিশু-কৃষ্ণই "মাটি নাই খোৱা" বুলি মুখখন মেলি দেখুৱাত—

'যশোদা সুন্দৰী দেখন্ত পাছে।
সমস্ত জগত গৰ্ভত আছে॥
সাতো খান দ্বীপ সাতো সাগৰ।
গিৰি বন নদী গ্ৰাম্য নগৰ॥
বায়ু সূৰ্য্য শশী দিশ আকাশ।
তাৰাগণো তৈতে কৰে প্ৰকাশ॥
সমস্তে জীৱ জ্যোতিস্তেজ জল।
সত্ত্ব ৰজ তম ইন্দ্ৰিয় বল॥
মন বুদ্ধি কাল কৰ্ম্ম যতেক।
সবাতো গৰ্ভত দেখে প্ৰত্যেক॥
যতেক ধেনু গোপ গোপী আৰু।
যশোদা তৈতে দেখে আপোনাক॥
পৰম শঙ্কাক পাইলন্ত সতী।
অদ্ভুত দেখিয়া বোলন্ত মাতি॥
কিবা ভ্ৰম ভৈলা মোহোক পায়া।
দেখিলোঁ। স্বপ্ন কিবা দেৱ মায়া॥
নুহিকন্ত মোৰ পুত্ৰ মানুষ।
এহেন্তেসে বিষ্ণু আদি পুৰুষ॥"

—কীৰ্ত্তন, ৬৭৬

যেতিয়া যশোদাই কৃষ্ণক পুত্ৰ বুলি পাহৰি "যিটো ব্ৰহ্ম নোহে তৰ্ক গোচৰ" সেই আদিপুৰুষ মহাবিষ্ণু বুলি একান্ত মনে স্তুতি কৰিবলৈ ধৰিলে, তেতিয়া—

"শুণন্ত শুনি ত্ৰিজগত পতি।
বিষ্ণু হেন মোক জানিলা সতী।
কৰিলা বৈষ্ণৱী মায়া বিস্তাৰ।
গুচিল বিষ্ণুজ্ঞান যশোদাৰ॥
কৃষ্ণত পুত্ৰ বুদ্ধি ভৈলা জাত।
ধূলা জাৰি তুলি লৈলা কোলাত॥"

—কীৰ্ত্তন, ৬৭৯

এয়েই হৈছে মহাপুৰুষীয়া ধৰ্ম্মৰ আৰাধ্য পূৰ্ণব্ৰহ্ম শ্ৰীকৃষ্ণ বা মোৰ আতা পূৰ্ণ-কৃষ্ণ। অকল এয়ে নহয়, কোটি কোটি ব্ৰহ্মাণ্ডও শ্ৰীকৃষ্ণৰ নোমৰ কূপত, আদি অন্ত সমস্তই তেওঁৰ গৰ্ভতেই আছে—

"চৌদ্ধয় ভূতক উদৰত দিলোঁ। ঠাই।
প্ৰকৃতি মায়াও আছে গৰ্ভতে লুকাই॥"

—অনাদিপাতন, ৪২

গতিকে দেখা যায়, মহামায়া স্বৰূপ ৰাধাও শ্ৰীকৃষ্ণৰ গৰ্ভতেই লুকাই আছে। শ্ৰীকৃষ্ণৰ কাষত ৰাধাৰ অৱস্থান হলেহে যে শ্ৰীকৃষ্ণ পূৰ্ণকৃষ্ণ হব এনে উক্তি নিৰৰ্থক।

---

# এখন পুৰণি অসম বুৰঞ্জী

(আগৰ সংখ্যাৰ পিছৰপৰা)

শ্ৰীলীলা গগৈ

## চিলাৰায়-নৰনাৰায়ণ মিলন

চিলাৰায়ো আপুনাৰ নগৰ পাই নৰনাৰায়নৰ দুই চৰণত ধৰি কান্দিব ধৰিলে। ৰাজাৰো ভায়েকৰ সিৰ ঘ্ৰান কৰি মুখত চুমা দি পূৰ্ব্ব দুখক সুমৰি ডিঙিত ধৰি কান্দিব ধৰিলে। পাছে কতো বেলি থাকি চিত্তক সামৰি ক্ৰন্দন এড়ি দুইকো দুয়ে সম্ভাসা কৰি সুখে ৰহিল। ৰাজা নৰনাৰায়নে ভায়েকৰ সুমঙ্গল চিন্তি অনেক দান-দখিনা কৰিলে।

## ৰঘুদেৱৰ বিদ্ৰোহ

পাচে নৰনাৰায়নৰ পুত্ৰ নহুৱৰ দেখি চিলাৰায়ৰ মধ্যম পুত্ৰ ৰঘুদেৱক পুত্ৰবোধে তুলিলে। কতো দিন থাকি দশ হাজাৰ টকাৰ ৰাখৰ, চোঁৱৰ, আনো ভোটান্তৰ অপূৰ্ব্ব বস্তু সম্ভাৰ দি চিলাৰায়ৰ প্ৰথম পুত্ৰক পাক্কি গৌড়েশ্বৰক ভেটি আহিব দিলেগৈ। পাচে কতো দিন থাকি চিলাৰাইৰ মৃত্যু হল। নৰনাৰায়নে ৰঘুদেৱক জুবৰাজ কৰি কতো দিন ৰাজ্য ভোগ্য কৰি আছে। এনেতে এক পাত্ৰে ৰাজাত গোচৰ কৰিলে বোলে,—"মহাৰাজা ৰঘুদেৱে তোমাক বিৰোধ কৰিবাৰ ইচা কৰে। এই কথা শুনি ৰাজাএ ৰঘুদেৱক মেললৈ আহিব নেদি আপুনাৰ ঘৰতে থাকিব দিলে। পাচে ৰঘুদেৱে বিধাৰণ কথা-বাৰ্ত্তা দেখি আপুনাৰ কুৰুমা কুকমি লৈ ফুকহা খাওঁগৈ বুলি বেহাৰৰপৰা আহি সোনকোঁহ নদিৰ পাৰ হই ঘিলাত নগৰ পাতি তৈতে আপুনি স্বতন্ত্ৰ ৰাজা হই কতো দিন থাকি ঢেকেৰা-ঢেকেৰি অনেক লোকক জতাই লৈ নৰনাৰায়নক জুধক মনে বেহাৰক প্ৰতি সোনকোহৰ পাৰ হই গল। নৰনাৰায়নেও এই কথা শুনি সাৱধান হই খেদি আহিল। এনেতে দুই বাপেক পুতেকৰ যুধ লাগিল। পাচে কতো দিন যুদ্ধ কৰি ৰঘুদেৱে বলে নোৱাৰি পলাই আহিল। নৰনাৰায়নে পাচে পাচে খেদি আনি ৰঘুদেৱৰ চত্ৰকো কাটি ৰাখিলে। ৰঘুদেৱে সোনকোহৰ পাৰ হই আপুনাৰ ঘিলা নগৰত ৰহিল। নৰনাৰায়নো সোনকোহৰ সিপাৰৰে পৰা উলটি বেহাৰলৈ গল।

## লক্ষ্মীনাৰায়ণ

বেহাৰতো ৰাজাৰ কুমৰ এটি উপজিল। নৰনাৰায়নে সেই কুমৰক লক্ষিনাৰায়ন নাম দি কতো দিন ৰাজ্য ভোগ কৰিচোতে ৰঘুদেৱে পুনৰ্ব্বাৰ সোনকোহৰ পাৰ হই খেদি গৈল। নৰনাৰায়নো বাৰ্ত্তা পাই যুদ্ধ সাজে খেদি আহিল। পাচে কিচোমান যুদ্ধ কৰি ৰঘুদেৱে ভঙ্গ খাই পুনৰ্ব্বাৰ নদি পাৰ হই ঘিলাত ৰহিলগৈ। নৰনাৰায়নে পাচে পাচে খেদি আনি সোনকোহৰ পাৰ হই আহিব ধৰিলে। পাচে ৰঘুদেৱে এড়াব নোৱাৰো হেন দেখি মন্ত্ৰণা কৰি আপুনাৰ মহাদৈসকলক ঘোড়াত তুলি আগ কৰি যুদ্ধক পঠালে। পাচে নৰনাৰায়নে বিস্মবিসা কৰি বোলে,—"পুত্ৰ বধু সকলে যে যুদ্ধক মনে আহিছে, ই কথা উচিত নহয়। মই বহাৱিসকলেৰে কেমনে যুদ্ধ কৰিবো। এই বুলি সোনকোহক সিমা কৰি ৰাজ্য এড়ি দি পুনৰ্ব্বাৰ বেহাৰলৈ গল। পাচে কতো দিন থাকি ১৫৩৪ শকৰ কাত্তিক মাসত ৰাজা নৰনাৰায়ন স্বৰ্গগামি হৈল। পাছে লক্ষ্মিনাৰায়নে বেহাৰত ৰাজা হই পিত্ৰিৰ সদকৰ্ম্ম কৰি সুমঙ্গলে ৰহিল।

## পৰীক্ষিত নাৰায়ণ

তাত পাচে এক বৎসৰ থাকি ঘিলা নগৰতো ৰাজা ৰঘুদেউ স্বৰ্গগামি হৈল। তেওঁৰে প্ৰথম পুত্ৰ পৰিক্ষিত নাৰায়ন ঘিলাত ৰাজা হৈল। সেই বেলা ৰঘুদেৱৰ

মহাদৈ মধ্যাক্ষিনিএ বিশ্বাসি দাসি পঠাই লক্ষ্মিনাৰায়নৰ ঠাইলৈ এইখান বুলি গল, বোলে—"আমাৰ ৰাজা মৃত্যু হল। পৰীক্ষিত নাৰায়নো সামৰ্থ নহয়। এই সময়তে ৰাজ্য লোকহি।" এই কথা স্তুনি লক্ষ্মিনাৰায়নে আথ-বেথ কৰি খেদি আহি বিজয়পুৰৰ গড়ত ধৰিলেহি। পৰিক্ষিতেও সেই গড়তে আগ বাঢ়ি গৈ যুদ্ধ ধৰিলে। তাতে দুই দিন যুদ্ধ কৰি লক্ষ্মিনাৰায়নৰ ভাই বলিনাৰাণক কাটিলে। তাৰে লগত আচিলে জি চুৰচান কাৰ্যি, সতানন্দ কাৰ্যি, পাৰো কাৰ্যি, মেধা কাৰ্যি, ভোলা কাৰ্যি, পুলকৰ কাৰ্যি, এই বড়ুৱা সকলকো বেঢ়ি ধৰিলে। এতেকতে লক্ষ্মিনাৰায়নে বলে নোৱাৰি ভঙ্গ খাই বেহাৰক গৈল। পৰিক্ষিতেৱো বড়ুৱা সকলক বন্দি কৰি থৈ আপুনাৰ নগৰত আনন্দে ৰহিল। পাচে এক দিনা পৰিক্ষিতে সমাজ পাতি বসি সেই কাজিসকলক মতাই আনিলে। কাজিসকলেৱো ৰাজাক সেৱা কৰিলে। সেই লগৰে পাৰো কাজিএ সেৱা নকৰিলে। পাচে পৰিক্ষিতে পাৰো কাজিত সুধিলে, বোলে,—"পাৰো কাজি, তঞি মোক কেমনে সেৱা নকৰিলি?" পাৰোৱে বোলে,—"জানা মহাৰাজ, মঞি সেৱা কৰিলেৱো তোমাৰ বন্দি হুইচোঁ। নকৰো হস্তেৱো তোমাৰ বন্দিত আচোঁ। এতেকে মোৰ সেৱা নাপাই কেমনে দায় ধৰা?" পৰিক্ষিতে এই কথা শুনি একো নুবুলি পুনৰ্ব্বাৰ সবাকে বন্দিসালত থৰ দিলে। পাচে কতো দিনৰ অন্তৰে লক্ষ্মিনাৰায়নে দুত পঠাই বড়ুৱা সকলক খুজি পঠালে। এই কথা শুনি পৰিক্ষিতে বোলে,—"মোৰ পিতৃৰ চত্ৰখান ৰাখিছে। তাক যদি ফিৰাই দি আহে, তেবে ময়ো বড়ুৱা সকলক এড়ি দিম। এই বুলি দুতক উলটাই পঠালে। দুতেও গৈ লক্ষ্মি-নাৰায়নৰ ঠাইত সেই ৰূপে জনালে। লক্ষ্মিনাৰায়নেও এই কথা শুনি ৰঘুদেৱৰ চত্ৰখান পৰিক্ষিতক লাগি ফিৰাই দি পঠালে। পাচে পৰিক্ষিত নাৰায়নে পিত্ৰিৰ চত্ৰক পাই পৰমানন্দ হুই বন্দিসালৰপৰা কাজিসকলক আনি লক্ষ্মিনাৰায়নৰ ঠাইক বিদায় দিলে। সিহতেৱো পৰম সাদৰে পৰিক্ষিতক সেৱা কৰিলে। পাচে ৰাজা বোলে,—"পাৰো কাজি, তঞি আগে যে মোক সেৱা নকৰিলি, এখনে কেমনে সেৱা কৰ?" পাৰোৱে বোলে,—"জানা মহাৰাজা, ৰাজা লক্ষ্মিনাৰায়ন যেমত তুমিৱো তেমত। এতেকে তোমাক সেৱা কৰিলোঁ। কিন্তু আগে সেৱা নকৰিলোঁ। তুমি বুলিবা, প্ৰাণৰ কাতৰেহে সেৱা কৰে। এতেকে তুমি এখনে বিদাই দিলা, আমি তোমাক সেৱা কৰি আপুনাৰ ৰাজ্যক জাঞো। এই বুলি কাজিসকলে বেহাৰক গৈল।

### ইন্দ্ৰনাৰায়ণ

পাচে ঘিলা নগৰত পৰিক্ষিতৰ ভাই ইন্দ্ৰনাৰায়ন কুমৰে পৰিক্ষিতক মাৰি ৰাজা হুব খুজিলে। এই কথা পৰিক্ষিতে শুনি মেচক লগাই ইন্দ্ৰনাৰায়ন কুমৰক ঘাড় মুচৰিয়া মাৰিলে।

### পৰীক্ষিতনাৰায়ণ—লক্ষ্মীনাৰায়ণ বিবাদ

তাত পাচে ৰাজা পৰিক্ষিতে বচৰি বচৰি বেহাৰক মাৰি আনে। খৰালি তৰে মাৰে, বৰিসা নাৱে মাৰে। পাচে লক্ষ্মিনাৰায়নে পৰিক্ষিতক বলে নোৱাৰি বঙ্গালৰ পাৎসাত বেটি দি মিত্ৰ ভাবে বৰি এইখান বুলি গোচৰ কৰিলে বোলে,—"পাৎসা চালামত পৰিক্ষিতৰ কাৰণে মঞি ৰাজা হুব নোৱাৰো। পাৎসাও এই কথা শুনি পৰিক্ষিত ৰাজাক যুদ্ধক মুখে অনেক লোকজনক দি মকৰমখাক পঠাই দিলে। সিয়ো পাৎসা হুকুমে আহি ধুবুড়িত গড় দি ৰহিলহি। পৰিক্ষিতেৱো এই কথা শুনি পৰি ঠাঠ-কটক দি ফতেইখাঁ ফল গুড়িয়াক পাঞ্চি দিলে। সিহেতেৱো মকৰম খা সহিতে বহুত যুদ্ধ কৰিলে। যুদ্ধত ফতেইখাক বঙ্গালে বেঢ়ি ধৰিলে। ৰনভৰৰ হাতিৰ ওপৰত পৰমানন্দ দলৈ আচিল। সিয়ো পড়িল। আন ঠাঠসকল নগৰক ভাগি আসিল। ৰনভৱৰ হাতিএ একলে বঙ্গালৰ বহুত ঠাঠ মাৰিলে। তাকো বঙ্গালে ধৰি ৰাখিলে। পাচে পৰিক্ষিতে তৰ দুৱাৰে নোৱাৰি পানিদুৱাৰে পুৰন্দৰ লস্কৰক পাঞ্চি দিলে। পানিদুৱাৰে বঙ্গালৰো কুবেৰখাঁ সৰ্দাৰ আচিলে, সেয়ে সহিতে পুৰন্দৰে বহুত যুদ্ধ কৰি কুবেৰখাঁক ধৰিলে। পাছে কুবেৰখাঁৰ বেটাএ পিত্ৰি পড়িবাৰ দেখি আগবাঢ়ি যুদ্ধ ধৰিলে। সেই যুদ্ধতে পুৰন্দৰ পড়িল।

—o—

# অসম সাহিত্য সভা

## কাৰ্য্যনিৰ্ব্বাহক সমিতিৰ প্ৰথম অধিৱেশন

১৬ জুন, ১৯৬৩, গুৱাহাটী

উপস্থিত: শ্ৰীপৰাগ চলিহা—উপসভাপতি, শ্ৰীমহেশ্বৰ নেওগ—প্ৰধান সম্পাদক, শ্ৰীনৰেন্দ্ৰনাথ শৰ্ম্মা—ধনভঁৰালী, শ্ৰীবিশ্বনাৰায়ণ শাস্ত্ৰী—পত্ৰিকা সম্পাদক, শ্ৰীহৰিপ্ৰসাদ নেওগ—সহকাৰী সম্পাদক।

শ্ৰীবিনন্দচন্দ্ৰ বৰুৱা, শ্ৰীউমাকান্ত শৰ্ম্মা, শ্ৰীহেমন্তকুমাৰ শৰ্ম্মা, শ্ৰীবীৰেন বৰকটকী, শ্ৰীচন্দ্ৰসিং টেৰন, শ্ৰীবুদ্ধীন্দ্ৰকুমাৰ ৰাজখনিকৰ, শ্ৰীযতীন্দ্ৰনাথ গোস্বামী, শ্ৰীধৰ্ম্মকান্ত গোহাঁই, শ্ৰীব্ৰজেন্দ্ৰচন্দ্ৰ বৰপূজাৰী।

বিশেষভাৱে নিমন্ত্ৰিত: শ্ৰীঅতুলচন্দ্ৰ হাজৰিকা, শ্ৰীহৰেন্দ্ৰনাথ বৰুৱা, শ্ৰীৰঘুৱা তাঁতি, শ্ৰীশিৱপ্ৰসাদ বৰুৱা, শ্ৰীলীলা গগৈ, শ্ৰীহৰিনাথ শৰ্ম্মা।

এইসকলে উপস্থিত থাকিব নোৱাৰি জনাইছে—

শ্ৰীবিপিনকুমাৰ বৰগোহাঁই, শ্ৰীত্ৰৈলোক্যনাথ গোস্বামী, শ্ৰীফনীন্দ্ৰচন্দ্ৰ বৰুৱা, শ্ৰীমহেশচন্দ্ৰ দেৱ গোস্বামী, শ্ৰীবেদনাথ বৰঠাকুৰ।

১৬ জুন ১৯৬৩ তাৰিখে ৰাতিপুৱা ৮ বজাৰপৰা গুৱাহাটীৰ কামৰূপ একাডেমিত কাৰ্য্যনিৰ্ব্বাহক সমিতিৰ অধিৱেশন বহে। উপসভাপতি শ্ৰীপৰাগ চলিহাই সভাপতিত্ব কৰে।

১। সভাৰ আৰম্ভণিতে উপস্থিতসকলে দুই মিনিট সময় থিয় দি তলৰ শোক-প্ৰস্তাৱটি গ্ৰহণ কৰে:

অসম সাহিত্য সভাৰ কাৰ্য্যনিৰ্ব্বাহক সমিতিয়ে নিজৰ কাৰ্য্যকাল আৰম্ভ হওঁতে নৌ হওঁতেই সভাৰ সভাপতি শ্ৰীবকুকান্ত বৰকাকতী ডাঙৰীয়াক হেৰুৱাব লগীয়া হোৱাত মৰ্ম্মাহত হৈছে। আগ শাৰীৰ কবি, সমালোচক আৰু দাৰ্শনিক লেখক ৰূপে কাকতীদেৱৰ স্থান অসমীয়া সাহিত্যত স্থিৰ-নিশ্চিত থাকিব। অসম সাহিত্য সভাই তেনে হেন এজন লোকক সভাপতি-ৰূপে পায়ো হেৰুৱাব লগীয়া হোৱাত বিশেষ-ৰূপে পৰম দুখ আৰু হতাশা অনুভৱ কৰিছে আৰু বৰকাকতী ডাঙৰীয়াৰ পত্নী-পুত্ৰ প্ৰমুখ্যে শোক সন্তপ্ত পৰিয়ালৈলৈ সমবেদনা জ্ঞাপন কৰিছে।

স্বৰ্গত সভাপতিলৈ সম্মান জনাই সভাৰ কাম দহ মিনিট স্থগিত ৰখা হয়।

২। বকুকান্ত বৰকাকতী ডাঙৰীয়াৰ জীৱনী আৰু পৰিচয় সহ নতুন সম্পাদনাৰ প্ৰথম সংখ্যা পত্ৰিকা বকুকান্ত বৰকাকতী স্মৃতি-সংখ্যা ৰূপে উলিয়াবলৈ থিৰাং কৰা হয়।

৩। বকুকান্ত বৰকাকতী ডাঙৰীয়াৰ যোৰহাট সন্মিলনৰ অভিভাষণ আৰু তেখেতৰ দুটিমান প্ৰবন্ধ-কবিতা আৰু তেখেতৰ বিষয়ে আলোচনামূলক প্ৰবন্ধ আদিৰে এখনি পুথি উলিয়াবলৈ থিৰাং কৰা হয়।

এই কাৰ্য্যৰ বাবে শ্ৰীবিশ্বনাৰায়ণ শাস্ত্ৰী, শ্ৰীবীৰেন্দ্ৰনাথ বৰকটকী, শ্ৰীমহেশচন্দ্ৰ দেৱ গোস্বামী, সভাপতি আৰু প্ৰধান সম্পাদকেৰে এখন সম্পাদনা সমিতি গঠিত হ'ল। শ্ৰীবিশ্বনাৰায়ণ শাস্ত্ৰীয়েই পুথিখনৰ সম্পাদক হ'ব আৰু সমিতিৰ আহ্বায়ক হ'ব।

নাজিৰা সন্মিলনৰ বাৰ্ষিকী এখন স্বকীয়া পুথি-ৰূপে প্ৰকাশ হ'ব।

৪। (১) কাৰ্য্য-নিৰ্ব্বাহক সমিতিৰ ১৮-১৯ এপ্ৰিল ১৯৬৩ তাৰিখৰ কাৰ্য্য-বিৱৰণি পাঠ কৰা হয় আৰু গৃহীত হয়।

(২) ১৯৬২-৬৩ চনৰ হিচাপ-পৰীক্ষাৰ প্ৰতিবেদনৰ কেন্দ্ৰীয় কাৰ্য্যালয়ৰ হিচাপৰ আপত্তি-সম্পৰ্কীয় সমিতিৰ ১৮-১৯ এপ্ৰিল ১৯৬৩ তাৰিখৰ ষষ্ঠ সিদ্ধান্তত পূৰ্ব্বৰ সহকাৰী সম্পাদকক দিয়া নিৰ্দ্দেশ-সমূহ সম্পৰ্কে উক্ত

সহকাৰী সম্পাদকৰ ২৮।৫।৬৩ তাৰিখৰ প্ৰসা ১—১২০৬।৬৩-সংখ্যক কৈফিয়ৎ পাঠ কৰা হয়। উক্ত সিদ্ধান্তৰ ছেদ অনুসৰি তলত পুনৰ উল্লেখেৰে সিদ্ধান্ত কৰা হ'ল।

(ক) পুথিৰ বাবদ প্ৰাপ্যৰ বহুতোখিনি ইতিমধ্যে পোৱা হৈছে। বাকীখিনি প্ৰাপ্য উদ্ধাৰ কৰিবৰ বাবে যথাৱতে ব্যৱস্থা লবলৈ থিৰাং কৰা হয়।

(খ) বিভিন্ন শাখা-সমূহলৈ বিক্ৰীৰ বাবে পঠোৱা সংকটকালীন প্ৰকাশনৰ হিছাপ এটা সহকাৰী সম্পাদকে দাখিল কৰিছে। এই হিছাপমতে শাখা-সমূহৰপৰা মুঠ টকা ২৯৯,৪০ নঃ পঃ পাবলৈ বাকী আছে। ১৫ আগষ্ট ১৯৬৩ তাৰিখৰ ভিতৰত টকাখিনি দিবলৈ শাখা-সমূহলৈ জাননী দিবলৈ থিৰাং কৰা হয়।

(গ) শ্ৰীপূৰ্ণকান্ত শৰ্মাই অৰ্থ-সংগ্ৰহৰ এখন বহী ঘূৰাই নিদিয়াত তেওঁলৈ আৱশ্যকীয় জাননী দিয়া হৈছে।

(ঘ) পত্ৰিকাৰ বাবদ পাবলগীয়া মুঠ টকা ৪৯৯'৩৬ নঃ পঃৰ বাবে জাননী দিয়া হৈছে।

(ঙ) শাখা সভা অনুসৰি সভ্যৰ তালিকাৰে ৰেজিষ্টাৰ পূৰ্ণ কৰিবৰ বাবে কাৰ্য্যালয়ক নিৰ্দ্দেশ দিয়া হ'ল।

(চ) কিতাপ-সম্পত্তিৰ বিষয়ে আলোচনা কৰি সিদ্ধান্ত কৰা হয় যে উচিত সংৰক্ষণৰ ব্যৱস্থা কৰা হওক।

(ছ) লেখন-সামগ্ৰী আদিৰ সম্পত্তি-বহী ইতিমধ্যে যুগুত কৰা হৈছে।

(জ) অনিৰ্দ্দিষ্ট কাৰণত আয় হোৱা টকা ৩৭'৫০ নঃ পঃৰ বিষয়ে অনুসন্ধান চলাই উচিত সময়ত জনোৱা হব।

(ঝ) টেলিফোন ট্ৰাঙ্কলৰ বাবদ প্ৰাপ্য টকা আদায় পোৱা হৈছে।

৫। প্ৰধান সম্পাদকে ধন-উঁৰালীৰ লগত পৰামৰ্শ কৰি ১৯৬৩-৬৪ চনৰ আয়-ব্যয়ক দাঙি ধৰে। আলোচনাৰ পিছত আয়-ব্যয়ক গৃহীত হয়।

৬। অসম সাহিত্য সভাৰ সভাপতি শ্ৰীৰত্নকান্ত বৰকাকতী ডাঙৰীয়াৰ মৃত্যুত ৰিক্ত হোৱা সভাপতি-পদ পূৰণৰ বিষয়ে আলোচনা কৰা হয়। প্ৰধান সম্পাদকে গুৱাহাটী বিশ্ববিদ্যালয়ৰ আইন কলেজৰ অধ্যক্ষ, ন্যায়-কুল-গুৰু আৰু অসম উচ্চন্যায়ালয়ৰ অধিবক্তা ডক্টৰ জগদীশচন্দ্ৰ মেধি আৰু ভাৰতৰ উচ্চতম ন্যায়ালয় আৰু অসম ন্যায়ালয়ৰ অধিবক্তা শ্ৰীপাৰ্ব্বতীকুমাৰ গোস্বামীৰ এই বিষয়ে বিশেষজ্ঞ অভিমত সমিতিৰ আগত দাঙি ধৰে।

আলোচনাৰ পিছত থিৰাং কৰা হয় যে উক্ত বিশেষজ্ঞ-সকলক ধন্যবাদ জনাই আৰু সিসকলৰ মতক সমৰ্থন কৰি নিয়মাৱলীৰ ২১ আৰু ৪২ নিয়ম অনুসৰি সভাপতিৰ নাম ঘোষণা কৰা হওক আৰু ইতিমধ্যে প্ৰধান সম্পাদকে পূৰ্ব্বৰ ক্ৰম অনুসৰি লোক কেইগৰাকীৰ অনুমতি আনিব আৰু অহা কাৰ্য্যনিৰ্ব্বাহক সমিতিত সেই বিষয়ে চূড়ান্ত ঘোষণা দিব।

৭। নাজিৰা সম্মিলনৰ বিষয়-বাছনী সমিতিয়ে শ্ৰীহৰিপ্ৰসাদ নেওগক সহকাৰী সম্পাদক বাছি দিয়ে আৰু সেইমতে মুকলি সভাত শ্ৰীনেওগৰ নাম ঘোষণা কৰা হয়। কাৰ্য্যনিৰ্ব্বাহক সমিতিয়ে থিৰাং কৰে যে শ্ৰীহৰিপ্ৰসাদ নেওগক এজন সহকাৰী সম্পাদক নিয়োগ কৰা হওক। এই নিয়ম অনুসৰি শ্ৰীহেমন্তকুমাৰ শৰ্মাকো সহকাৰী সম্পাদক-ৰূপে নিৰ্ব্বাচন কৰা হ'ল।

৮। ১৯৬৩-৬৪ চনৰ বাবে ৬৬শ নিয়ম অনুসৰি চাটাৰ্ড একাউন্টেন্ট অধ্যাপক মহম্মদ চাকীক হিছাপ-পৰীক্ষক নিযুক্ত কৰা হ'ল। হিছাপ-পৰীক্ষণৰ বছৰেকীয়া বানচ মুঠ ৩৫০'০০ তিনি শ পঞ্চাশ টকা হ'ব।

৯। প্ৰধান সম্পাদকৰ কাৰ্য্যালয়ৰ বাবে শ্ৰীফটিকচন্দ্ৰ বৈৰাগীক অস্থায়ীকৈ মাহে ৭৫'০০ পয়সত্তৰ টকা দৰমহাত ১ জুন ১৯৬৩ তাৰিখৰপৰা অংশকালীন সহকাৰী-ৰূপে নিয়োগ কৰা হ'ল।

কেন্দ্ৰীয় কাৰ্য্যালয়ৰ মুখ্য সহকাৰী আৰু হিছাপ-ৰক্ষক ৰূপে নিয়োগ দিয়াৰ পিছতো শ্ৰীহেমকান্ত ফুকনে কামত যোগ নিদিয়াত উক্ত নিয়োগ বাতিল কৰা হ'ল।

কেন্দ্ৰীয় কাৰ্য্যালয়ৰ অস্থায়ী সহকাৰী শ্ৰীপ্ৰফুল্লচন্দ্ৰ বৰাৰ কাৰ্য্যকাল মুখ্য সহকাৰীৰ নিয়োগকাললৈ বঢ়াই দিয়া হ'ল। কেন্দ্ৰীয় কাৰ্য্যালয়ৰ সহকাৰী শ্ৰীনন্দ বৰদলৈয়ে মুখ্য সহকাৰীৰ নিয়োগৰ কাললৈকে মাহে ২০'০০ কৈ ওপৰঞ্চি বানচ পাব।

১০। নাজিৰা সম্মিলনৰ প্ৰস্তাৱ সম্পৰ্কে আলোচনা কৰা হয়। প্ৰধান সম্পাদকে জনায় যে কাৰ্য্যকৰী প্ৰস্তাৱ-সমূহ যথাস্থানলৈ ইতিমধ্যে পঠোৱা হৈছে। সুখৰ বিষয় যোৱা ৭ জুন ১৯৬৩ তাৰিখে ব্ৰহ্মপুত্ৰৰ ওপৰত ৰেলৰ দলংখন মুকলি কৰোঁতে প্ৰধান মন্ত্ৰী শ্ৰীজৱাহৰলাল নেহৰুৱে অসম সাহিত্য সভা তথা অসমৰ ৰাইজৰ ইচ্ছাৰ প্ৰতি সম্মান জনাই শৰাইঘাট দলং নামে নামকৰণ কৰে। প্ৰধানমন্ত্ৰীৰ উক্ত সিদ্ধান্তৰ বাবে কাৰ্য্যনিৰ্ব্বাহক সমিতিয়ে শলাগ লয়।

১১। অসমৰ লগত উত্তৰ-পূব-সীমান্ত অঞ্চলৰ একীকৰণ সম্পৰ্কে স্মাৰক-পত্ৰ এখন প্ৰস্তুত কৰিবৰ বাবে উপসভাপতি, প্ৰধান সম্পাদক, শ্ৰীবিশ্বনাৰায়ণ শাস্ত্ৰী আৰু শ্ৰীহৰেন্দ্ৰনাথ বৰুৱাৰে এখনি সমিতি গঠন কৰা হ'ল।

(খ) নাগৰী হৰফত কথা-গীতা আৰু কথা-ভাগৱতৰ সংস্কৰণ উলিওৱা আৰু অসমীয়া বিশ্ব-কোষ প্ৰণয়ন কৰা সম্পৰ্কে আৱশ্যকীয় আঁচনি তৈয়াৰ কৰিবৰ কাৰণে শ্ৰীবিশ্বনাৰায়ণ শাস্ত্ৰী, শ্ৰীৰজনীকান্ত চক্ৰৱৰ্ত্তী, শ্ৰী-ৰেন্দ্ৰনাথ শৰ্মা ( আহ্বায়ক ) আৰু প্ৰধান সম্পাদকেৰে এখন সমিতি গঠন কৰা হ'ল।

১২। যোৱা ৯।৬।৬৩ তাৰিখৰ বাতৰিত প্ৰকাশ হোৱামতে ভাৰতৰ প্ৰধান মন্ত্ৰী আৰু অসমৰ মুখ্যমন্ত্ৰীৰ মাজত হোৱা আলোচনাৰপৰা অনুমান হয় যে অসম সাহিত্য সভাই নাগৰী লিপিত 'কথা-ভাগৱত' আৰু 'কথা-গীতা' ছপা কৰিবলৈ লোৱা সিদ্ধান্তৰ বিষয়ে এটা ভুল ধাৰণাৰ সৃষ্টি হৈছে।

বিষয়টোৰ স্পষ্টীকৰণাৰ্থে অসম সাহিত্য সভাৰ হৈ অসম সাহিত্য সভাৰ কাৰ্য্যনিৰ্ব্বাহক সমিতিৰ আজিৰ অধিৱেশনে দৃঢ়ভাৱে ব্যক্ত কৰে যে উক্ত পুথি দুখনি এটা বিশেষ উদ্দেশ্য সাধনৰ বাবেহে নাগৰী লিপিত ছপা কৰাৰ সিদ্ধান্ত লোৱা হৈছিল আৰু সেই উদ্দেশ্য হৈছে সকলো ভাৰতীয় ভাষাৰ ভিতৰতে এক প্ৰাচীনতম গদ্যৰ নিদৰ্শন স্বৰূপে এই পুথি দুখনি সৰ্ব্বভাৰতীয় পঢ়ুৱৈ সমাজৰ মাজত প্ৰচাৰ কৰা। তাত অসম সাহিত্য সভাই অসমীয়া ভাষাৰ বাবে নাগৰী লিপি গ্ৰহণৰ সপক্ষে নীতি পৰিৱৰ্ত্তন কৰাৰ কোনো প্ৰশ্ন উঠা নাই।

৩। বাৰ্ষিক সম্মিলনৰ বিষয়-বাছনী সভাত বিভিন্ন প্ৰতিনিধিসকলৰদ্বাৰা উত্থাপিত তলৰ পৰামৰ্শবোৰৰ বিষয়ে আলোচনা কৰা হ'ল :

(১) বাদালোৰ গোল্ডেন ৰেকৰ্ডিং এছোচিয়েচনৰ আহিত জনজাতীয় ভাষা উদ্ধাৰৰ যত্ন হ'ব লাগে, সত্ৰ-সংঘ আদিৰ যোগে। (২) সভাৰ তৰফৰপৰা উত্তৰ-পূব সীমান্ত অঞ্চলত পুথিভঁৰাল থাপনৰ যত্ন হ'ব লাগে। (৩) সভাৰ প্ৰকাশন-সমূহ গণতান্ত্ৰিক-পদ্ধতিত নিৰ্ব্বাচিত আৰু প্ৰকাশিত হ'ব লাগে। (৪) সামৰ্থ্যহীন লোকৰ পুথি প্ৰকাশৰ চেষ্টা হ'ব লাগে। (৫) শাখা-সভাসমূহে অন্ততঃ পাচখনকৈ সভাৰ প্ৰকাশন আৰু পত্ৰিকা কিনি লৈ বিক্ৰী কৰিব লাগে। আনমতে দহখন পত্ৰিকা শাখা-সভাবিলাকে অৱশ্যম্ভাৱীভাৱে কিনিব লাগে। পত্ৰিকাত বিজ্ঞাপন সন্নিৱিষ্ট কৰিব লাগে। (৬) পত্ৰিকাৰ বাবে বিক্ৰী এজেঞ্চি নিয়োগ কৰিব লাগে। (৭) কাৰ্য্যনিৰ্ব্বাহক সমিতিয়ে শাখা-সভাবোৰ পৰিদৰ্শন কৰিব লাগে। (৮) হিচাপ-পৰীক্ষকৰ প্ৰতিবেদন প্ৰকাশ কৰিব লাগে। (৯) শিলচৰত একোত্তৰত্ৰিংশ সম্মিলন পতা সম্ভৱ নহলে ক্ৰমে নলবাৰী, বৰপেটা আৰু ডিগবৈক সুবিধা দিয়া হ'ব।

আলোচনাৰ পিছত তলত দিয়া ধৰণে সিদ্ধান্ত কৰা হয়।

(১) আমাৰ কৰ্ত্তব্য কাৰ্য্য নাই। (২) বৰ্ত্তমানে কাৰ্য্যকৰী কৰিব পৰা নহব। (৩) বিষয়টোত পাৰিত-পক্ষে মনোনিৱেশ কৰা হ'ব। (৪) এই বিষয়ে অহা আৱেদনৰ ভিত্তিতহে নীতিটো বিবেচিত হ'ব। (৫) শাখা-সভালৈ জনোৱা হ'ব। (৬) এজেঞ্চিৰ সাধাৰণ নিয়মমতেহে কাৰ্য্যাৱলম্বন কৰিব পৰা হ'ব। (৭) পৰামৰ্শটোৰ সম্ভাৱনা কাৰ্য্যনিৰ্ব্বাহক সমিতিয়ে আগলৈ বিচাৰ কৰিব। (৮) কাৰ্য্যনিৰ্ব্বাহক সমিতিয়ে বিষয়-বাছনী সভাত হিচাপ-পৰিক্ষকৰ প্ৰতিবেদন পাঠ কৰাই যথেষ্ট বুলি জ্ঞান কৰে। (৯) এই বিষয়লৈ দৃষ্টি ৰখা হ'ব।

১৪। সিদ্ধান্ত গ্ৰহণ কৰা হয় যে দ্বিতীয় বছৰৰ অসমীয়া ভাষাজ্ঞান প্ৰমাণ-পত্ৰ পৰীক্ষা সঞ্চালন কৰিবৰ কাৰণে তলত নাম দিয়া কেইজনক সদস্য লৈ পৰীক্ষা সংসদ নিযুক্ত কৰা হওক—সভাপতি, অসম সাহিত্য সভা ( পদেন সভাপতি ), প্ৰধান সম্পাদক, অসম সাহিত্য

সভা ( পদেন উপসভাপতি ), শ্ৰীযতীন্দ্ৰনাথ গোস্বামী পৰীক্ষা সচিব ) ডক্টৰ প্ৰসন্নচন্দ্ৰ গোস্বামী, শ্ৰীব্ৰজেন্দ্ৰচন্দ্ৰ বৰপুজাৰী, শ্ৰীহৰিপ্ৰসাদ নেওগ।

থিৰাং কৰা হয় যে বৰ্ত্তমান বছৰৰ অক্টোবৰ মাহত দ্বিতীয় অসমীয়া ভাষাজ্ঞান প্ৰমাণ-পত্ৰ পৰীক্ষা পতা হ'ব।

১৫। ৰাধাকান্ত সন্দিকৈ স্মৃতি সমিতিৰ কাৰ্য্যৰ বিষয়ে আলোচনা কৰা হয়। থিৰাং কৰা হয় যে সমিতিয়ে অচিৰে এটা প্ৰতিবেদন দাখিল কৰিব।

১৬। ২৪-২৫ জুন ১৯৬১ তাৰিখে গঠিত গুৱাহাটী আৰু যোৰহাট আঞ্চলিক পুথি-সংগ্ৰহ সমিতি ভাঙি দিয়া হ'ল। উক্ত দুই সমিতিৰ হিচাপ, হিচাপ বহী আদি যদি আছে কেন্দ্ৰীয় আৰু গুৱাহাটী কাৰ্য্যালয়ৰ লগত চামিল হ'ব।

১৭। নিয়মাবলীৰ ৪৭(৫) (গ) নিয়ম অনুসৰি তলত দিয়া সকলেৰে অসম সাহিত্য সভা পত্ৰিকা সম্পাদনা সমিতি গঠিত হ'ব—সভাপতি, অসম সাহিত্য সভা ( পদেন সভাপতি ), প্ৰধান সম্পাদক, অসম সাহিত্য সভা ( পদেন সভ্য ), অসম সাহিত্য পত্ৰিকাৰ সম্পাদক ( আহ্বায়ক ) শ্ৰীপ্ৰমোদচন্দ্ৰ ভট্টাচাৰ্য্য, ডক্টৰ শ্ৰীসত্যেন্দ্ৰনাথ শৰ্ম্মা, শ্ৰীলীলা গগৈ।

১৮। কাৰ্য্যালয়ত ৰাখিবলগীয়া হিচাপ-পত্ৰৰ পদ্ধতিৰ সম্পৰ্কে আলোচনা হয় আৰু তলত দিয়া মৰ্ম্মে সিদ্ধান্ত গ্ৰহণ কৰা হয়—

(ক) যোৰহাট আৰু গুৱাহাটীৰ চাৰিটা বেঙ্কৰ হিচাপৰ ঠাইত যোৰহাট আৰু গুৱাহাটীৰ অ, কো, এ বেঙ্কৰ হিচাপ দুটা মাত্ৰ ৰখা হওক।

(খ) অসম সাহিত্য সভা পত্ৰিকা, শাখা সভা আদিৰ বৰঙণি, প্ৰকাশন সমূহৰ বিক্ৰীৰ মূল্য আদি ৬০ সংখ্যক নিয়ম অনুসৰি প্ৰধান সম্পাদকৰ হৈ কেন্দ্ৰীয় কাৰ্য্যালয়ৰ সংলগ্ন সহকাৰী সম্পাদকে গ্ৰহণ কৰি প্ৰথম সুযোগতে অসম কো-অপাৰেটিভ এপেক্স বেঙ্কৰ যোৰহাট শাখাত জমা দিব। এনে আয়ৰপৰা কাৰ্য্যালয় চলোৱাৰ বাবে কোনো খৰচ কৰা নহব, যদিহে আগতে এই মৰ্ম্মে প্ৰধান সম্পাদকৰপৰা সম্মতি পোৱা নাযায়। বেঙ্কৰ টকা জমা দিয়া আদায় কাগজবোৰ প্ৰধান সম্পাদকলৈ প্ৰয়োজন পত্ৰ পঠোৱাৰ সময়ত তাৰ লগতে গুঁঠি দিব যাতে ৬২ সংখ্যক নিয়ম অনুসৰি প্ৰধান সম্পাদকে বেঙ্কৰ তহবিল তৈয়াৰ কৰিব পাৰে।

(গ) কেন্দ্ৰীয় কাৰ্য্যালয়ৰ সংলগ্ন সহকাৰী সম্পাদকে কেচবহী, খতিয়ান বহী, দৰ্মহাৰ বহী, গ্ৰন্থাগাৰ ৰেজিষ্ট্ৰাৰী প্ৰকাশন বিক্ৰীৰ বহী সম্পত্তিৰ ( ষ্টক ) বহী, পত্ৰিকাৰ বৰঙনিৰ বহী, সভ্যৰ বৰঙণিৰ বহী ( শাখা অনুযায়ী ), খুচৰা খৰচৰ বহী আদি ৰাখিব। প্ৰতি মাহৰ শেষত কেচ বহীৰ হিচাপ সামৰি হিচাপ-ৰক্ষক আৰু উক্ত সহকাৰী সম্পাদকে চহী কৰিব আৰু বছৰৰ আৰম্ভণৰপৰা তেতিয়ালৈকে ধৰি জমা খৰচৰ এখন উদ্বৃত্ত-পত্ৰ তৈয়াৰ কৰি বহীত লিখি ৰাখিব আৰু তাৰ এটা নকল প্ৰধান সম্পাদকলৈ পঠিয়াব।

(ঘ) প্ৰধান সম্পাদকৰ নিৰ্দ্দেশৰ অধীনে কেন্দ্ৰীয় কাৰ্য্যালয়ৰ সংলগ্ন সহকাৰী সম্পাদকে শাখা সভা আৰু স্বীকৃত সভাৰ লগত দেয়-প্ৰাপ্য আৰু উপবিধিৰ ক চ্ছেদত উক্ত যাৱতীয় কাৰ্য্যৰ বিষয়ে আদান-প্ৰদান কৰিব আৰু সেই সম্পৰ্কীয় হিচাপ-পত্ৰ আদি ৰাখিব।

(ঙ) কেন্দ্ৰীয় কাৰ্য্যালয়ৰ কৰ্ম্মচাৰীৰ দৰ্মহা আৰু কাৰ্য্যালয় সংক্ৰান্ত যাৱতীয় খৰচৰ বাবে আৱশ্যকীয় টকাৰ বাবে উক্ত কাৰ্য্যালয়-সংলগ্ন সহকাৰী সম্পাদকে প্ৰয়োজন-পত্ৰ তৈয়াৰ কৰি পঠাব। লগতে আগতে পোৱা টকাৰ খৰচৰ হিচাপো দাখিল কৰিব। প্ৰধান সম্পাদক আৰু ধনভঁৰালীয়ে উক্ত প্ৰয়োজনপত্ৰ অনুসৰি যোৰহাটৰ বেঙ্কৰ চেকৰ যোগেদি টকা পঠাব।

(চ) সভাৰ উপবিধিৰ ১৫শ নিয়ম অনুসৰি প্ৰধান সম্পাদকে ১০০'০০ এশ টকালৈকে হাতত ৰাখিব পাৰিব। কাৰ্য্যনিৰ্ব্বাহক সমিতিয়ে কেন্দ্ৰীয় কাৰ্য্যালয়ৰ আৱশ্যক বিবেচনা কৰি উক্ত কাৰ্য্যালয়ৰ সংলগ্ন সহকাৰী সম্পাদককো ১০০'০০ এশ টকালৈকে হাতত ৰাখিবলৈ কৰ্ত্তৃত্ব আৰু দায়িত্ব দিয়ে। এই টকাৰ খৰচ দেখুৱাই সহকাৰী-সম্পাদকজনে প্ৰধান সম্পাদক আৰু ধনভঁৰালীৰ পৰা নতুন টকা ল'ব।

(ছ) প্ৰয়োজন-পত্ৰ দাখিল কৰোঁতে আৰু হিচাপ বহীত হিচাপ ৰাখোঁতে কেন্দ্ৰীয় কাৰ্য্যালয়ৰ সংলগ্ন



সহকাৰী সম্পাদকে আয়-ব্যয়কৰ শিৰোনামা আৰু প্ৰস্তাৱিত ব্যয় অনুসৰি কাৰ্য্য হৈছে নে তালৈ বিশেষ দৃষ্টি ৰাখিব আৰু প্ৰধান সম্পাদকৰ নিৰ্দ্দেশ বা সম্মতি বিনে নতুন শিৰোনামা উত্থাপন নকৰিব।

(জ) কেন্দ্ৰীয় কাৰ্য্যালয়ৰপৰা কৰিব লগীয়া ক্ষুদ্ৰ মুদ্ৰণ আদি কাৰ্য্য আৰু ৫০'০০ টকাৰ অধিক মূল্যৰ যি কোনো কাৰ্য্যৰ বাবে অৰ্ডাৰ দিয়াৰ আগতে উক্ত কাৰ্য্যালয়ৰ সংলগ্ন সহকাৰী সম্পাদকে প্ৰধান সম্পাদকৰ সম্মতি ল'ব।

(ঝ) যোৰহাট কাৰ্য্যালয়ত থকা প্ৰকাশন, গ্ৰন্থাগাৰ, আচবাব আৰু সঁজুলি আদি যাৱতীয় সম্পত্তিৰ তত্ত্বাৱধান প্ৰধান সম্পাদকৰ নিৰ্দ্দেশ অধীনে উক্ত কাৰ্য্যালয়ৰ সংলগ্ন সহকাৰী সম্পাদকৰ দায়িত্ব হ'ব।

(ঞ) অসম সাহিত্য সভাৰ ঘাই কেচ বহী, সাধাৰণ খতিয়ান, টকা-পইচা-সংক্ৰান্ত দলিল আদি প্ৰধান সম্পাদকৰ দায়িত্বত থাকিব। সভাৰ সাধাৰণ নিয়মাৱলীৰ দ্বাৰা উক্ত বিষয়বোৰ শাসিত হ'ব।

১৯। নিয়মাৱলীৰ ১৩শ নিয়ম অনুসৰি অসম সাহিত্য সভাৰ সকলো শ্ৰেণীৰ সভ্যৰ কাৰণে সভাৰ প্ৰকাশনৰ মূল্য এক তৃতীয়াংশ বাদ দি নিৰূপিত হ'ব। কিন্তু এজন সভ্যই একোখন প্ৰকাশন এবাৰহে এনে ৰেহাই মূল্যত পাব পাৰিব।

২০। প্ৰস্তাৱিত শিলচৰ সম্মিলনৰ বিষয়ে আলোচনা কৰা হ'ল।

কাছাৰ জিলাত অসম সাহিত্য সভাই চলাই থকা তিনিখন পঢ়াশালিৰ ( শিলচৰ দেশভক্ত তৰুণৰাম ফুকন মধ্য ইংৰাজী পঢ়াশালি, ভিতৰগোল নিম্ন প্ৰাথমিক অসমীয়া পঢ়াশালি আৰু দক্ষিণ মোহনপুৰ নিম্ন প্ৰাথমিক অসমীয়া পঢ়াশালী ) বিষয়েও আলোচনা কৰা হ'ল।

সহকাৰী সম্পাদক আৰু শ্ৰীবিশ্বনাৰায়ণ শাস্ত্ৰীক কাছাৰ পৰিভ্ৰমণ কৰি, কাছাৰ শাখাৰ সভাসমূহ, কাছাৰৰ স্কুলসমূহ আৰু সম্মিলন পতাৰ সম্ভাৱনাৰ বিষয়ে এটি প্ৰতিবেদন দাখিল কৰিবলৈ দায়িত্ব দিয়া হ'ল।

থিৰাং কৰা হ'ল বৰ্ত্তমানে শিলচৰ দেশভক্ত তৰুণৰাম ফুকন স্কুলৰ মঞ্জুৰী দি থকা হ'ব।

২১। অসম সাহিত্য সভাৰ প্ৰকাশন 'সীমান্তৰ শিক্ষা আৰু সাংস্কৃতিক নীতি' সম্পৰ্কে অসমৰ মুখ্যমন্ত্ৰী শ্ৰীবিমলাপ্ৰসাদ চলিহাৰ যোগে পোৱা সীমান্ত প্ৰশাসনৰ টোকা পাঠ কৰি দিয়া হ'ল। এই বিষয়ে প্ৰধান সম্পাদকে মুখ্যমন্ত্ৰীলৈ লিখিব।

২২। কাৰ্য্যনিৰ্ব্বাহক সমিতিৰ প্ৰাক্তন সদস্য শ্ৰীৰঘুৰা তাঁতিক অসম সাহিত্য সভাৰ সংগঠক-ৰূপে কাৰ্য্য-নিৰ্ব্বাহক সমিতিয়ে নিযুক্ত কৰে।

২৩। প্ৰধান সম্পাদকে জনায় যে অসম সাহিত্য সভাৰ প্ৰকাশনৰ বিক্ৰীৰ এজেণ্ট-নিয়োগৰ নিয়মাৱলী অনুসৰি লয়াৰ্চ বুক ষ্টলে (পানবজাৰ, গুৱাহাটী) ১০০'০০ এশ টকা জমা দি এজেন্সিৰ বাবে আবেদন কৰিছে। কাৰ্য্য-নিৰ্ব্বাহক সমিতিয়ে লয়াৰ্চ বুক ষ্টলৰ আবেদন গ্ৰহণ কৰি উক্ত অনুষ্ঠানক অসম সাহিত্য সভাৰ পুথি-বিক্ৰীৰ এজেণ্ট ভুক্ত কৰে।

২৪। হলিৰাম ঢেকিয়াল ফুকনৰ 'আসাম বুৰঞ্জী'ৰ বিষয়ে আলোচনা কৰি পৰামৰ্শ দিবলৈ সভাপতি, শ্ৰীবেণুধৰ শৰ্ম্মা, শ্ৰীবিশ্বনাৰায়ণ শাস্ত্ৰী, শ্ৰীলীলা গগৈ আৰু শ্ৰীমহেশ্বৰ নেওগেৰে এখন সমিতি গঠন কৰা হ'ল।

মহেশ্বৰ নেওগ,
প্ৰধান সম্পাদক,
অসম সাহিত্য সভা

শ্ৰীপৰাগ চলিহা
সভাপতি
১৬।৬।৬৩

# অসম সাহিত্য সভা

## কাৰ্য্যনিৰ্ব্বাহক সমিতিৰ দ্বিতীয় অধিৱেশন

১২ অক্টোবৰ, ১৯৬৩ গুৱাহাটী

উপস্থিত : শ্ৰীপৰাগ চলিহা—উপসভাপতি, শ্ৰীমহেশ্বৰ নেওগ—প্ৰধান সম্পাদক, শ্ৰীনবেন্দ্ৰনাথ শৰ্ম্মা—ধনভঁৰালী, শ্ৰীবিশ্বনাৰায়ণ শাস্ত্ৰী—পত্ৰিকা সম্পাদক, শ্ৰীহৰিপ্ৰসাদ নেওগ আৰু শ্ৰীহেমন্তকুমাৰ শৰ্ম্মা,—সহকাৰী সম্পাদক।

শ্ৰীবিনন্দচন্দ্ৰ বৰুৱা, শ্ৰীধনীন্দ্ৰচন্দ্ৰ বৰুৱা, শ্ৰীমহেশচন্দ্ৰ দেৱ গোস্বামী, শ্ৰীউমাকান্ত শৰ্ম্মা, শ্ৰীবীৰেন বৰকটকী, শ্ৰীবৃন্দ্ৰীন্দ্ৰকুমাৰ ৰাজখনিকৰ, শ্ৰীযতীন্দ্ৰনাথ গোস্বামী, শ্ৰীকুমাৰ মেধি, শ্ৰীবেদনাথ বৰঠাকুৰ, শ্ৰীব্ৰজেন্দ্ৰচন্দ্ৰ বৰপূজাৰী।

বিশেষভাৱে নিমন্ত্ৰিত : শ্ৰীঅতুলচন্দ্ৰ হাজৰিকা, শ্ৰীশ্ৰীমিত্ৰদেৱ মহন্ত অধিকাৰ, শ্ৰীলীলা গগৈ, শ্ৰীশিৱপ্ৰসাদ বৰুৱা, শ্ৰীহৰিনাথ শৰ্ম্মা।

এইসকলে উপস্থিত থাকিব নোৱাৰিব বুলি জনায়—শ্ৰীবিপিনকুমাৰ বৰগোহাই, শ্ৰীধৰ্ম্মকান্ত গোঁহাই।

১২ অক্টোবৰ ১৯৬৩ তাৰিখ গধূলি ৬ বজাৰপৰা গুৱাহাটীৰ কামৰূপ একাডেমিত কাৰ্য্যনিৰ্ব্বাহক সমিতিৰ দ্বিতীয় অধিৱেশন বহে।

সভাৰ আৰম্ভণিতে শ্ৰীগিৰিশচন্দ্ৰ বৰুৱা, শ্ৰীপ্ৰেমধৰ দত্ত আৰু শ্ৰীমতিৰাম বৰাৰ মৃত্যুত শোক প্ৰকাশ কৰি কাৰ্য্যনিৰ্ব্বাহক সমিতিৰ সদস্যসকলে সিসকলৰ আত্মাৰ কল্যাণ কামনা কৰে।

১। ১৩ জুন ১৯৬৩ তাৰিখে বহা কাৰ্য্যনিৰ্ব্বাহক সমিতিৰ প্ৰথম অধিৱেশনৰ কাৰ্য্য-বিৱৰণি গৃহীত হয়। লগতে তলত দিয়া সংশোধনো গৃহীত হয়।

(ক) ৭ম সিদ্ধান্তত "এই নিয়ম অনুসৰি' কথাষাৰৰ ঠাইত "নিয়মাৱলীৰ ১৭শ নিয়ম অনুসৰি" হ'ব।

(খ) ২০ সিদ্ধান্তত "সহকাৰী সম্পাদক" কথাটোৰ ঠাইত "সহকাৰী সম্পাদক শ্ৰীহৰিপ্ৰসাদ নেওগ" হ'ব।

২। প্ৰধান সম্পাদকৰ কাৰ্য্যালয়ৰ অংশকালীন সহকাৰী শ্ৰীকটিকচন্দ্ৰ বৈৰাগীয়ে ২৫ জুন ১৯৬৩ তাৰিখে কাম এৰাত ১ জুলাই ১৯৬৩ তাৰিখৰপৰা শ্ৰীভুবনচন্দ্ৰ ডেকাক অস্থায়ীকৈ মাহে ৭৫·০০ পয়সাত্তৰ টকা দৰমহাত অংশকালীন কাৰ্য্যালয় সহকাৰী নিয়োগ কৰা হ'ল।

৩। প্ৰধান সম্পাদকে জনায় যে সংশ্লিষ্ট সমিতিৰ দ্বাৰা প্ৰস্তুত হোৱা অসমীয়া বিশ্বকোষ প্ৰণয়নৰ আঁচনি ইতিমধ্যে অসম চৰকাৰলৈ পঠোৱা হৈছে। এই আঁচনিৰ মূল দফাসমূহ পঢ়ি দিয়া হয়। কাৰ্য্যনিৰ্ব্বাহক সমিতিয়ে উক্ত কাৰ্য্য অনুমোদন কৰে।

নাগৰী হৰফত কথা-গীতা আৰু কথা-ভাগৱত ছপা কৰা সম্পৰ্কে অসম চৰকাৰৰ পত্ৰ পাঠ কৰা হয়। চৰকাৰী চিঠিৰ মৰ্ম্মে আঁচনি অনতিপলমে পঠাবলৈ প্ৰধান সম্পাদকক ভাৰ দিয়া হয়।

৪। প্ৰধান সম্পাদকে অসমীয়া ভাষা-জ্ঞান প্ৰমাণ-পত্ৰ পৰীক্ষা সংসদৰ অধিৱেশনৰ কাৰ্য্য-বিৱৰণি দাঙি ধৰে। থিৰাং কৰা হয় শ্ৰীইন্দিৰা মিৰিক উক্ত সংসদৰ সদস্য মনোনীত কৰা হ'ল। সম্প্ৰতি সংসদৰ কোষাধ্যক্ষ নিয়োগ স্থগিত থাকিব আৰু এই সম্পৰ্কীয় সকলো হিচাপ-পত্ৰ সভাৰ সাধাৰণ হিচাপৰ লগত চামিল হৈ থাকিব।

৫। ৰাধাকান্ত সন্দিকৈ স্মৃতি-সমিতিৰ প্ৰতিবেদন পাঠ কৰা হ'ল। আৰু এই প্ৰতিবেদনৰ মৰ্ম্মে অহা নৱেম্বৰ মাহৰপৰা ধন-সংগ্ৰহ আদি কাৰ্য্যত আগ বাঢ়িব খোজা শুনি সমিতিয়ে সন্তুষ্টি প্ৰকাশ কৰে।



৬। (ক) কাছাৰ জিলাত অসম সাহিত্য সভাই চলাই থকা পঢ়াশালিৰ বিষয়ে কাছাৰ পৰিভ্ৰমণ কৰি অহা সহকাৰী সম্পাদক শ্ৰীহৰিপ্ৰসাদ নেওগৰ প্ৰতিবেদন পাঠ কৰা হ'ল। সিদ্ধান্ত কৰা হ'ল যে শিলচৰ দেশভক্ত তৰুণৰাম ফুকন মধ্য ইংৰাজী পঢ়াশালৰ মঞ্জুৰী ২৮ ফেব্ৰুৱাৰী ১৯৬৪ তাৰিখলৈ বঢ়াই দিয়া হ'ল। এই বিদ্যালয়ক অচিৰে মাটি, সাধাৰণ অনুদান আৰু গৃহনিৰ্ম্মাণ অনুদান দিবলৈ চৰকাৰক অনুৰোধ কৰা হওক।

(খ) দক্ষিণ মোহনপুৰ প্ৰাথমিক পঢ়াশালি সম্পৰ্কে স্থানীয় ৰাইজৰ লগত আলোচনা কৰি এটি বিতং প্ৰতিবেদন দাখিল কৰিবলৈ শ্ৰীকুমাৰ মেধি, হাইলাকান্দি সাহিত্য সভাৰ সম্পাদক (আহ্বায়ক) আৰু শ্ৰীবীৰেন সিংহক লৈ এখনি সমিতি গঠন কৰা হ'ল। এই প্ৰতিবেদনৰ মৰ্ম্মে পিছত আলোচনা কৰা হ'ব আৰু তেতিয়ালৈকে সভাৰ গ্ৰাণ্ট বন্ধ ৰখা হ'ব।

৭। হলিৰাম ঢেকিয়াল ফুকনৰ 'আসাম বুৰঞ্জী'ৰ বিষয়ে আলোচনা কৰি পৰামৰ্শ দিবৰ বাবে গঠিত সমিতিৰ প্ৰতিবেদন পাঠ কৰা হ'ল। যেহেতু পুথিখনত উক্ত প্ৰতিবেদনত থকামতে বহুতো আপ্ৰয় আৰু অবাঞ্চনীয় কথা আছে, অসম সাহিত্য সভাৰ কাৰ্য্যনিৰ্ব্বাহক সমিতিয়ে দৃঢ় মত প্ৰকাশ কৰে যে পুথিখনৰ প্ৰচাৰ তুৰন্তে বন্ধ হোৱা উচিত।

৮। ৰত্নকান্ত বৰকাকতী ডাঙৰীয়াৰ ৰচনা আৰু তেখেতৰ বিষয়ে প্ৰবন্ধেৰে প্ৰস্তাৱিত পুথিৰ সম্পৰ্কত গঠিত সমিতিৰ প্ৰতিবেদন পাঠ কৰা হ'ল আৰু অনুমোদন দিয়া হ'ল। এই সম্পৰ্কত কামত আগ বাঢ়িবলৈ সম্পাদকক ভাৰ দিয়া হ'ল।

১৯৬২-৬৩ চনৰ চৰকাৰৰ Development of Modern Languages in A›sam শিতানৰ অনুদানৰ বাহি অংশ এই কাৰ্য্যৰ বাবে ব্যৱহাৰ কৰিবৰ অনুমতি বিচাৰি চৰকাৰক আবেদন জনোৱা হওক।

৯। প্ৰধান সম্পাদকে জনায় যে যোৱা বছৰৰ কাৰ্য্য-নিৰ্ব্বাহক সমিতিৰ অনুমোদিত আঁচানমতে ১৯৬৩—৬৪ চনত অৰুণোদয়ৰপৰা বাছনি আৰু Assamese for All পুথিৰ থাছি আৰু গাৰো অনুবাদ প্ৰকাশৰ বাবে চৰকাৰৰপৰা মুঠ ৯,০০০,০০ টকাৰ অনুদান পোৱা যাব। অসমৰ শিক্ষাধিকাৰে বিচৰামতে প্ৰধান সম্পাদকে দাখিল কৰা খৰচৰ আঁচনি অনুমোদন কৰা হ'ল।

সিদ্ধান্ত কৰা হয় যে অৰুণোদয়ৰপৰা বাছনি সংকলন কৰিবৰ কাৰণে ডক্টৰ বিৰিঞ্চিকুমাৰ বৰুৱাক অনুৰোধ কৰা হওক।

Assamese for All পুথিৰ খাছি আৰু গাৰো অনুবাদক নিয়োগ কৰিবৰ কাৰণে প্ৰধান সম্পাদকক ভাৰ দিয়া হওক।

১০। অসমীয়া টাইপৰাইটাৰ নিৰ্ম্মাণ সম্পৰ্কে অফিচিয়েল লেঙুৱেজ ইমপ্লেমেণ্টেশ্যন কমিটিৰ চেক্ৰেটাৰীৰ পৰা পোৱা চিঠি পাঠ কৰা হ'ল। এই বিষয়ে এটা ৰিপোৰ্ট দাখিল কৰিবলৈ প্ৰধান সম্পাদক, শ্ৰীবিশ্বনাৰায়ণ শাস্ত্ৰী (আহ্বায়ক), শ্ৰীনবেন্দ্ৰনাথ শৰ্ম্মা, ডক্টৰ বিৰিঞ্চি কুমাৰ বৰুৱা, শ্ৰীযুগলকুমাৰ দাস আৰু শ্ৰীধনীন্দ্ৰচন্দ্ৰ বৰুৱাক লৈ এখন উপসমিতি গঠিত হওক। সমিতিয়ে আৱশ্যকমতে অন্য সদস্য ভৰ্ত্তি কৰি ল'ব পাৰিব।

১১। অসম সাহিত্য সভাৰ একোত্তৰত্ৰিংশ বাৰ্ষিক সন্মিলনৰ বিষয়ে আলোচনা কৰা হ'ল। শিলচৰত ৩০ ছেপ্টেম্বৰ ১৯৬৩ তাৰিখে এখন ৰাজহুৱা সভা বহি বৰ্ত্তমান বছৰত শিলচৰত সন্মিলন পাতিব পৰা নহ'ব বুলি থিৰাং কৰে। প্ৰধান সম্পাদকে ইতিমধ্যে নলবাৰী, বৰপেটা আৰু ডিগবৈৰ লগত যোগাযোগ কৰে। নলবাৰীৰপৰা বৰ্ত্তমানলৈ সন্মতিসূচক সম্বিধান পোৱা নগ'ল। বৰপেটাৰপৰা কোনো উত্তৰ নাই। ডিগবৈ সাহিত্য সেৱা সমিতিৰ সভাপতি শ্ৰীকৃষ্ণপ্ৰসাদ বৰুৱাৰ ৫।১০।৬৩ তাৰিখৰ পত্ৰ পাঠ কৰা হ'ল। সেই নিমন্ত্ৰণ গ্ৰহণ কৰা হ'ল। অহা এপ্ৰিলৰ আগতে যথাসম্ভৱ সোনকালে এই অধিৱেশন পতা উচিত বুলি সমিতিয়ে মত প্ৰকাশ কৰে।

১২। ভাৰত চৰকাৰৰ বৈজ্ঞানিক অনুসন্ধান আৰু সাংস্কৃতিক কাৰ্য্যমন্ত্ৰালয়ৰ পত্ৰ অনুসৰি নৱেম্বৰ মাহত বাঙ্গালোৰত হ'বলগীয়া পুৰণি হাতেলিখা পুথি অধ্যয়ন বিষয়ক ছেমিনাৰলৈ অসম সাহিত্য সভাৰ পক্ষৰপৰা ডক্টৰ মহেশ্বৰ নেওগ আৰু ডক্টৰ সত্যেন্দ্ৰনাথ শৰ্ম্মাৰ নাম

পঠোৱা হৈছে বুলি প্ৰধান সম্পাদকে জনায়। কাৰ্য্য-নিৰ্ব্বাহক সমিতিয়ে অনুমোদন জনায়।

১৩। নিয়মাৱলীৰ ৩ নং (খ) আৰু ৭ম (৩৩) ধাৰা অনুযায়ী তলত নাম দিয়া শাখা আৰু স্বীকৃত সভাক স্বীকৃতি দিয়া হয়—

শাখা সভা : যমুনামুখ সেউজী সমাজ, পোঃ অঃ যমুনামুখ, নগাওঁ।

স্বীকৃত সভা : তৰুণ সাহিত্য সংঘ, পোঃ অঃ গোৱাল চাপৰি, ভায়া—ধেমাজী ( লখীমপুৰ )।

১৪। নিয়মাৱলীৰ দশম নিয়ম অনুসৰি তলত নাম দিয়া সকলক অসম সাহিত্য সভাৰ আজীৱন সভ্য ভুক্ত কৰা হ'ল।

(১৬৩) অধ্যাপক শ্ৰীৰজনীকান্ত দেৱ শৰ্ম্মা, কটন কলেজ, গুৱাহাটী।

(১৬৩) অধ্যাপক শ্ৰীমুকুন্দমাধৱ শৰ্ম্মা, গুৱাহাটী বিশ্ববিদ্যালয়।

১৫। শ্ৰীতৰুণচন্দ্ৰ পামেগামৰ চিঠি পাঠ কৰা হ'ল।

কাৰ্য্যনিৰ্ব্বাহক সমিতিয়ে দুখ প্ৰকাশ কৰে যে 'অসমৰ জনজাতীয় সাধু'ত প্ৰকাশিত তেখেতৰ সংগৃহীত সাধু সুকীয়াকৈ প্ৰকাশ কৰিবলৈ অনুমতি দিব পৰা নহ'ব।

১৬। নাজিৰা অধিৱেশনৰ থূলমূল আয়-ব্যয়ৰ তালিকা পাঠ কৰা হয়।

১৭। অসম সাহিত্য সভাৰ সভাপতি বসুকান্ত বৰকাকতীৰ মৃত্যুত ৰিক্ত হোৱা পদ পূৰণৰ বিষয়ত কাৰ্য্যনিৰ্ব্বাহক সমিতিৰ প্ৰথম অধিৱেশনৰ সিদ্ধান্তৰ মৰ্ম্মে প্ৰধান সম্পাদকে জনায় যে, শ্ৰীশ্ৰীমিত্ৰদেৱ মহন্ত অধিকাৰ-দেৱে সভাৰ সভাপতি হবলৈ সন্মতি প্ৰকাশ কৰিছে। শ্ৰীশ্ৰীমহন্তদেৱক কৃতজ্ঞতা জনাই তেখেতৰ নাম অসম সাহিত্য সভাৰ সভাপতিৰূপে ঘোষণা কৰা হওক।

| | |
|---|---|
| মহেশ্বৰ নেওগ | শ্ৰীপৰাগ চলিহা |
| প্ৰধান সম্পাদক | সভাপতি |
| অসম সাহিত্য সভা | ১২।১০।৬৩ |

# অসম সাহিত্য সভা

## কাৰ্য্যনিৰ্ব্বাহক সমিতিৰ তৃতীয় অধিৱেশন

২৫ ডিচেম্বৰ ১৯৬৩

উপস্থিত :—শ্ৰীশ্ৰীমিত্ৰদেৱ মহন্ত অধিকাৰ—সভাপতি, শ্ৰীমহেশ্বৰ নেওগ—প্ৰধান সম্পাদক, শ্ৰীনৰেন্দ্ৰনাথ শৰ্ম্মা—ধনভঁৰালী, শ্ৰীবিশ্বনাৰায়ণ শাস্ত্ৰী—পত্ৰিকা সম্পাদক, শ্ৰীহৰিপ্ৰসাদ নেওগ আৰু শ্ৰীহেমন্তকুমাৰ শৰ্ম্মা সহকাৰী সম্পাদক।

শ্ৰীবিনন্দচন্দ্ৰ বৰুৱা, শ্ৰীগনীন্দ্ৰচন্দ্ৰ বৰুৱা, শ্ৰীবীৰেন বৰকটকী, শ্ৰীবুদ্ধীন্দ্ৰকুমাৰ ৰাজখনিকৰ, শ্ৰীত্ৰৈলোক্য-নাথ গোস্বামী, শ্ৰীকুমাৰ মেধি, শ্ৰীধৰ্ম্মকান্ত গোহাঁই, শ্ৰীব্ৰজেন্দ্ৰচন্দ্ৰ বৰপূজাৰী শ্ৰীবিপিনকুমাৰ বৰগোহাঁই।

বিশেষভাৱে নিমন্ত্ৰিত : শ্ৰীৰাধানাথ হাজৰিকা, শ্ৰীনকুল-চন্দ্ৰ ভূঞা, শ্ৰীপ্ৰিয়দাস তালুকদাৰ, শ্ৰীকৃষ্ণপ্ৰসাদ বৰুৱা, শ্ৰীভদ্ৰকৃষ্ণ গোস্বামী।

এই সকলে উপস্থিত থাকিব নোৱাৰিব বুলি জনায় : শ্ৰীচন্দ্ৰসিং টেৰণ, শ্ৰীযতীন্দ্ৰনাথ গোস্বামী, শ্ৰীবেদনাথ বৰঠাকুৰ।

২৫ ডিচেম্বৰ ১৯৬৩ তাৰিখে পুৱা ৮ বজাৰপৰা যোৰহাটৰ চন্দ্ৰকান্ত সন্দিকৈ ভৱনত কাৰ্য্যনিৰ্ব্বাহক সমিতিৰ তৃতীয় অধিৱেশন বহে।

সভাৰ আৰম্ভণিতে আমেৰিকা যুক্তৰাষ্ট্ৰৰ প্ৰেছিডেণ্ট জে, এ,, কেনেডি, আলডুচ্‌ হাক্সলী, চৰ্দ্দাৰ কে, এম, পাণিক্কৰ, মহাৰাষ্ট্ৰৰ মুখ্যমন্ত্ৰী শ্ৰীএম, এচ, কান্নাম্ৱাৰ, পুঞ্চ্‌ দুৰ্ঘটনাত মৃত পাঁচজন সৈন্যবিভাগৰ উচ্চ বিষয়া আৰু গুৱাহাটী বিশ্ববিদ্যালয়ৰ প্ৰাক্তন উপাচাৰ্য্য শ্ৰীফণীধৰ দত্তৰ মৃত্যুত শোক প্ৰকাশ কৰি কাৰ্য্যনিৰ্ব্বাহক সমিতিৰ সদস্যসকলে সিসকলৰ আত্মাৰ কল্যাণ কামনা কৰে।

১। ১২ অক্টোবৰ ১৯৬৩ তাৰিখৰ কাৰ্য্যনিৰ্ব্বাহক সমিতিৰ দ্বিতীয় অধিৱেশনৰ কাৰ্য্যবিৱৰণী গৃহীত হয়।

২। ১২ অক্টোবৰ তাৰিখৰ ১০ম সিদ্ধান্ত অনুসৰি গঠিত অসমীয়া টাইপ্‌ ৰাইটাৰ সম্পৰ্কীয় সমিতিৰ প্ৰতিবেদন পাঠ কৰা হয়। প্ৰতিবেদনখনি গৃহীত হ'ল।

৩। দক্ষিণ মোহনপুৰ পঢ়াশালি সম্পৰ্কীয় প্ৰতিবেদন পাঠ আৰু গৃহীত হ'ল। বৰ্ত্তমান এই পঢ়াশালিখনিক মঞ্জুৰী দিয়াৰ ব্যৱস্থা বন্ধ কৰা হ'ল।

৪। ১৬ জুন তাৰিখৰ ১১শ সিদ্ধান্ত অনুসৰি অসমৰ লগত উত্তৰ-পূব সীমান্ত অঞ্চলক একীকৰণ সম্পৰ্কীয় সমিতিৰ প্ৰতিবেদন পাঠ কৰা হয়। সমিতিয়ে উত্তৰ পূব সীমান্তৰ শিক্ষাৰ মাধ্যম আৰু ভাষা-সমস্যাৰ বিশদ আলোচনা কৰি এইদৰে সিদ্ধান্ত কৰে।

(১) উত্তৰ-পূব সীমান্তৰ শিক্ষাৰ মাধ্যমৰ বিষয়ত ভাৰত চৰকাৰৰ ঘোষিত নীতিৰ ক্ষেত্ৰত কি দৰে কাৰ্য্য হৈছে, সেই বিষয়ে ভাৰত চৰকাৰৰ সমিধান বিচৰা হওক।

(২) উত্তৰ-পূব সীমান্তৰ জনসাধাৰণ আৰু ছাত্ৰ-ছাত্ৰীসকলৰপৰা শিক্ষাৰ মাধ্যমৰূপে অসমীয়া প্ৰচলনৰ ব্যৱস্থাৰ অগ্ৰগতিৰ বিষয়ে আৰু অসমৰ লগত একীকৰণ সম্পৰ্কে অনুসন্ধান কৰি এখন বিশদ প্ৰতিবেদন দাখিল কৰিবলৈ সাহিত্য সভাৰ পক্ষৰপৰা এটা সঞ্জাতী দল উত্তৰ-পূব সীমান্ত অঞ্চললৈ পঠোৱা হওক। এই সঁজাতী দলত অসম আৰু ভাৰত চৰকাৰৰো উত্তৰ-পূব সীমান্ত প্ৰশাসনৰ লগত সম্পৰ্ক নথকা প্ৰতিনিধি দিবলৈ অনুৰোধ কৰা হওক।

অসম সাহিত্য সভাৰ পক্ষৰপৰা সঁজাতী দলটোত এইসকল লোক থাকিব—শ্ৰীবীৰেন বৰকটকী, শ্ৰীগনীন্দ্ৰচন্দ্ৰ বৰুৱা, শ্ৰীধৰ্ম্মকান্ত গোহাঁই আৰু প্ৰধান সম্পাদক।

৫। একোত্তৰত্ৰিংশ বাৰ্ষিক সম্মিলন সম্পৰ্কে আলোচনা কৰা হ'ল। সেই সম্পৰ্কিত অভ্যৰ্থনা সমিতিৰ সম্পাদকৰ ১১।১১।৬৩ আৰু ১৩।১১।৬৩ তাৰিখৰ পত্ৰ পাঠ কৰা হ'ল।

(ক) সিদ্ধান্ত কৰা হয় যে সম্মিলনৰ শাখা সভাপতিৰ আৰু উদ্বোধন কাৰ্য্যৰ বাবে তলত নাম দিয়াসকলৰ নাম যথাক্ৰমে অনুমোদন কৰা হওক ১— * * *।

(খ) কাৰ্য্যনিৰ্ব্বাহক সমিতিয়ে তলত দিয়া ক্ৰমে সম্মিলনৰ কাৰ্য্যক্ৰম নিৰূপণ কৰিবলৈ পৰামৰ্শ আগ বঢ়ায়—

**১৭ এপ্ৰিল**—পুৱা কাৰ্য্য-নিৰ্ব্বাহক সমিতিৰ অধিৱেশন, আবেলি ১ বজাৰপৰা বিষয়-বাছনি সভা।

**১৮ এপ্ৰিল**—পুৱা ৭ বজাৰপৰা বিষয়-বাছনি সভা, ১১ বজাত প্ৰদৰ্শনী উদ্বোধন, ১ বজাৰপৰা মূল সভা, ৪ বজাৰপৰা আলোচনা চক্ৰ, ৭ বজাৰপৰা সঙ্গীত সন্ধিয়া।

**১৯ এপ্ৰিল**—পুৱা ৭ বজাৰপৰা আলোচনা চক্ৰ, আবেলি ১ বজাৰপৰা মূল সভা, ৪ বজাৰপৰা আলোচনা চক্ৰ, নিশা ৯ বজাৰপৰা ভাওনা।

৬। যোৱা ১৩ আৰু ১৪ নবেম্বৰ তাৰিখে পাটনাত বহা পূৰ্ব্ব আঞ্চলিক পৰিষদৰ ভাষাবিষয়ক সিদ্ধান্ত বাতৰি কাকতত যিভাৱে প্ৰকাশিত হৈছে আৰু উক্ত সিদ্ধান্তবোৰ অসমৰ প্ৰতিনিধি, অসমৰ বিত্তমন্ত্ৰীয়ে যিভাৱে গ্ৰহণ কৰা বুলি ওলাইছে, তাক দেখি অসম সাহিত্য সভাৰ কাৰ্য্য-নিৰ্ব্বাহক সমিতি স্তম্ভিত আৰু উৎকণ্ঠিত হৈছে। খবৰ কাগজত ওলোৱামতে (১) প্ৰাথমিক পঢ়াশালিবোৰত এটা সংখ্যালঘু ভাষা-ভাষী ১০ জন ছাত্ৰ থাকিলে সেই ভাষাত শিক্ষাদানৰ ব্যৱস্থা কৰিব লাগিলে, (২) মাধ্যমিক পঢ়া-শালিবোৰত সংখ্যালঘু ভাষা-ভাষী ৬০ জন ছাত্ৰ থাকিলেই বা তেনে পঢ়াশালিৰ নিম্নতম শ্ৰেণীত ১৫ জন তেনে ছাত্ৰ থাকিলেই সেই ভাষাত শিক্ষাদান কৰিব লগা হলে, (৩) সংখ্যালঘু ভাষা-ভাষী ছাত্ৰৰ অভিভাৱকে স্থানীয় ভাষাত লৰা-ছোৱালী শিক্ষা দিবলৈ ইচ্ছা প্ৰকাশ কৰাতো সেই মত অগ্ৰাহ্য কৰি সংখ্যালঘুৰ ভাষাতহে শিক্ষাদান কৰিবলগীয়া হলে অসমৰ শিক্ষা-ক্ষেত্ৰত প্ৰভূত বিপৰ্য্যয়ৰ সৃষ্টি হ'ব আৰু এইবোৰ ব্যৱস্থা অসম চৰকাৰৰ বাবেও দুৰ্ব্বহ হৈ উঠিব ; তদুপৰি

১। নামসমূহ ইয়াত দিয়া নহ'ল। প্ৰ, স, জ, সা, স,

পূৰ্ব্বাঞ্চলিক পৰিষদে ৰাজ্যৰ "ক্ষুদ্ৰ ক্ষুদ্ৰ এলেকা" (এই সংজ্ঞাৰ ব্যাখ্যা এতিয়ালৈকে প্ৰকাশিত হোৱা নাই) চাই চৰকাৰী বিজ্ঞাপন আৰু নিয়ম আদি সেই এলেকাবোৰৰ সংখ্যালঘু ভাষাত প্ৰকাশ কৰিবলৈ যি পৰামৰ্শ দোহাৰিছে সিও প্ৰশাসনীয় ৰাজ্যিক ভাষাৰ পক্ষে অত্যন্ত মাৰাত্মক হৈ পৰিব আৰু অসম প্ৰশাসনীয় ভাষা অধিনিয়মখনো নিৰৰ্থক হৈ পৰিব। অসম সাহিত্য সভাৰ কাৰ্য্যনিৰ্ব্বাহক সমিতিৰ এই বিষয়ত দৃঢ় মত যে পূৰ্ব্বাঞ্চলিক পৰিষদৰ উক্ত সিদ্ধান্তবোৰ প্ৰত্যাহাৰ কৰা ন'হলে অসমৰ ভাষা-ক্ষেত্ৰত ঘোৰ বিভ্ৰাটৰ সৃষ্টি হ'ব। গতিকে সমিতিয়ে এই পৰামৰ্শবোৰ গ্ৰহণ কৰিবলৈ গৈ ৰাজ্যত পুনৰ অশান্তি আৰু অনৈক্যৰ সৃষ্টি নকৰিবলৈ অসম চৰকাৰক টানি অনুৰোধ জনায়।

৭। সভাৰ নিয়মাৱলীৰ ১০ম নিয়ম অনুসৰি তলত নাম দিয়াসকলক সাহিত্য সভাৰ আজীৱন সভ্য ভুক্ত কৰা হল।

(১৬৪) শ্ৰীভোলানাথ দত্ত, শান্তি সাহিত্য মন্দিৰ, নমাটি, নাজিৰা।

(১৬৫) শ্ৰীমতী স্বৰ্ণলতা দত্ত, শান্তি সাহিত্য মন্দিৰ, নমাটি, নাজিৰা।

৮। গোলাঘাটৰ নবীন পুস্তক ভাণ্ডাৰে (স্বত্বাধিকাৰী শ্ৰীমোহনলাল লাডিয়া) এশ টকা আদায় দি অসম সাহিত্য সভাৰ পুথি বেচা এজেন্সিৰ বাবে আবেদন কৰিছে। সিদ্ধান্ত কৰা হ'ল নবীন পুস্তক ভাণ্ডাৰক সভাৰ এজেণ্ট নিযুক্ত কৰা হ'ল।

**মহেশ্বৰ নেওগ**
প্ৰধান সম্পাদক,
অসম সাহিত্য সভা

**শ্ৰীশ্ৰীমিত্ৰদেৱ মহন্ত অধিকাৰ,**
সভাপতি
২৫।১২।৬৩

# অসম সাহিত্য সভা

## ১৯৬৩–৬৪ চনৰ আয়ব্যয়ক

### সাধাৰণ পুঁজি : আয়

| | প্ৰকৃত আয় ১৯৬০-৬১ | প্ৰকৃত আয় ১৯৬১-৬২ | প্ৰত্যাশিত আয় ১৯৬২-৬৩ | প্ৰকৃত আয় ১৯৬২-৬৩ | প্ৰত্যাশিত আয় ১৯৬৩-৬৪ |
|---|---|---|---|---|---|
| আৱন্তনী উদ্বৃত্ত | | | | | |
| নগদ : কেন্দ্ৰীয় কাৰ্য্যালয় | ২১৯·৭০ | ৪৯৫·৮১ | — | — | ১৭০·৮৫ |
| প্ৰধান সম্পাদকৰ কাৰ্য্যালয় | — | ৯৪·৮২ | ১২·০১ | ১২·০১ | ২·৮৯ |
| অসম সাহিত্য সভা পত্ৰিকা : | | | | | |
| পত্ৰিকা সম্পাদক | ১,২০০·০০ | ৮৭·৯৩ | — | — | — |
| : কেন্দ্ৰীয় কাৰ্য্যালয় | ২১·৫২ | ২১·১৮ | — | — | — |
| হাতত থকা চেক | — | ১৩·৭৩ | — | — | — |
| বেঙ্ক : অসম কোঅপাৰেটিভ এপেক্স বেঙ্ক, যোৰহাট | ১,১১১·৩৮ | ২,৯২৬·২৮ | ১৬,১৬১·৬০ | ১৬,১৬১·৬০ | ১,৪৬৭·২৪ |
| অসম কোঅপাৰেটিভ এপেক্স বেঙ্ক, গুৱাহাটী | — | ৯,০০৬·০৮ | ৬,৪৪৩·৭১ | ৬,৪৪৩·৭১ | ২,৩৮৬·৬৯ |
| ষ্টেট বেঙ্ক অব ইণ্ডিয়া, যোৰহাট | ৫,০০০·৬২ | ৯,৬৫১·৫৭ | ৩,০৮৪·৭৯ | ৩,০৮৪·৭৯ | ৩৪২·৩৩ |
| পোষ্ট অফিচ ছেভিংছ বেঙ্ক, যোৰহাট | ২১৩·৫৭ | ২৬১·২৯ | ২৬৯·৫৯ | ২৬৯·৫৯ | ২৭৪·৯৭ |
| পোষ্ট অফিচ ছেভিংছ বেঙ্ক, গুৱাহাটী | ৩১৮·০৯ | — | — | — | — |
| | ৮,০৯০·৮৮ | ২২,৫৫৮·৬৯ | ২৫,৯৭১·৭০ | ২৫,৯৭১·৭০ | ৪,৬৪৪·৯৭ |
| বিবিধ উদ্বৃত্ত : | | | | | |
| কমলাদেৱী স্মাৰক পুঁজিৰ বাঢ়ি পুঞ্জিত | — | — | — | — | ৭১৬·৩৬ |
| চন্দ্ৰকান্ত ইন্দ্ৰকান্ত স্মাৰক সামাজিক সমাৰোহ পুঁজিত | — | — | ৪৫·৭৫ | ৪৬·০০ | — |
| বিশেষ পুঁজি : চৰকাৰী অনুদান : প্ৰকাশনত | — | — | — | — | ২,২৩৪·০০ |
| প্ৰাক্তন প্ৰধান সম্পাদকৰ হাতে ৰোৱা | — | ১·৪৩ | ১·৪৩ | — | — |
| সহকাৰী সম্পাদকৰ হাতে ৰোৱা | — | ৩৫০·০০ | ৬৬১·৭৬ | ১,৪৩৩·৫৬ | — |
| বিশেষ পুঁজি : অসম সাহিত্য সভা ভৱনত | — | — | — | — | ৬৪৯·০০ |
| | — | ৩৫১·৪৩ | ৭০৮·৯৪ | ১,৪৮০·৯৯ | ৩,৫৯৯·৩৬ |
| ৰাজ্যিক চৰকাৰৰ অনুদান : বাৰ্ষিক | ১৬,০০০·০০ | — | ২০,০০০·০০ | ২০,০০০·০০ | ১০,০০০·০০ |
| | ১৬,০০০·০০ | — | ২০,০০০·০০ | ২০,০০০·০০ | ১০,০০০·০০ |
| | | | | ৪৭,৪৫১·২৬ | ১৮,২৪৪·৩৩ |

| | প্ৰকৃত আয় ১৯৬০-৬১ | প্ৰকৃত আয় ১৯৬১-৬২ | প্ৰত্যাশিত আয় ১৯৬২-৬৩ | প্ৰকৃত আয় ১৯৬২-৬৩ | প্ৰত্যাশিত আয় ১৯৬৩-৬৪ |
|---|---|---|---|---|---|
| পূৰ্ব্ব পৃষ্ঠাৰ মুঠ | ২৫,২২০·৭০ | ৩৯,৭১৮০০· | ৬১,০০০·৬ | ৪৭,৪৫ ·২৬ | ১৮,২৪৪·৩৩ |
| বৰঙণি | | | | | |
| শাখা সভা | ৪,১৯৬·১০ | ৪,৫০৫·৭৫ | ৪,৫০০·০০ | ২,৯৮১·০০ | ৩,৫০০·০০ |
| স্বীকৃত সভা | ১৩০·০০ | ১২৪·০০ | ২০০·০০ | ২০·০০ | ১০০·০০ |
| পোনপটীয়া সভ্য | ৬·০০ | ১০·০০ | ১০০·০০ | ৮·০০ | ৫০·০০ |
| আজীৱন সভ্য : ভৰ্ত্তি | ৪·০০ | ১৩·৫০ | ২০·০০ | ৫·০০ | ২০·০০ |
| | ৪,৩৩৬·১০ | ৪,৬৫৩·২৫ | ৪,৮২০·০০ | ৩,০১৪·০০ | ৩,৬৭০·০০ |
| প্ৰকাশন : সাধাৰণ | ৬,৪৬২·২২ | ৬,২৮৭·২০ | ৬,৫০০·০০ | ২,৭০৯·৮৬ | ৬,০০০·০০ |
| | ৬,৪৬২·২২ | ৬,২৮৭·২০ | ৬,৫০০·০০ | ২,৭০৯·৮৬ | ৬,০০০·০০ |
| প্ৰকাশন : অসম সাহিত্য সভা পত্ৰিকা | | | | | |
| ( বিশেষ পুঁজিৰ উদ্বৃত্ত ) | — | (১,২১৪·২৫) | — | — | — |
| বৰঙণি | ২৫৪·৬৬ | ১,১৯৩·০১ | ১,২০০·০০ | ১,১২২·২৭ | ১,২০০·০০ |
| | ২৫৪·৬৬ | ১,১৯৩·০১ | ১,২০০·০০ | ১,১২২·২৭ | ১,২০০·০০ |
| প্ৰকাশন : সঙ্কটকালীন | | | | | |
| | — | — | — | ·৩০ | ৩০০·০০ |
| | — | — | — | ·৩০ | ৩০০·০০ |
| বেঙ্কৰ জমাৰ বাঢ়ি | | | | | |
| সাধাৰণ হিচাপ | ৭৬·৮৫ | ২১৭·৬৮ | ২০০·০০ | ২৯৮·১৮ | ৩০০·০০ |
| আজীৱন সভ্যৰ অক্ষয় পুঁজি | — | — | ২১০·০০ | ৪২০·০০ | ৫০০·০০ |
| | ৭৬·৮৫ | ২১৭·৬৮ | ৪১০·০০ | ৭১৮·১৮ | ৮০০·০০ |
| দান-সংগ্ৰহ | | | | | |
| | — | ৪,৪৫৭·৭০ | ২,০০০·০০ | ৭৬৬·১০ | — |
| | — | ৪,৪৫৭·৭০ | ২,০০০·০০ | ৭৬৬·১০ | — |
| | ৩৫,২২০·৭১ | ৩৯,৭১৮·৯৯ | ৬১,৬১০·৬৪ | ৫৫,৭৮৩·৪০ | ৩০,২১৪·৩৩ |
| বিবিধ | | | | | |
| চন্দ্ৰকান্ত সন্দিকৈ ভৱনৰ ভাৰা | ১৫·০০ | ২৫·০০ | ৩০·০০ | ১৫·০০ | ৩০·০০ |
| পতাকা-বিক্ৰী আদি | — | ২৫৮·৭৯ | ২৬০·০০ | ২২১·৮০ | ২৫০·০০ |
| অন্যান্য ( সাময়িক বিশেষ দান আদি ) | ৪,০৪৫·০৮ | ৯,৭০৭·৪১ | ৪,০০০·০০ | — | — |
| অসমীয়া ভাষাজ্ঞান প্ৰমাণপত্ৰ পৰীক্ষা | — | — | — | ৮৬·০০ | ২০০·০০ |
| | ৪,০৬০·০৮ | ৯,৯৯১·২০ | ৪,২৯০·০০ | ৩২২·৮০ | ৪৮০·০০ |
| সাধাৰণ পুঁজিৰ মুঠ আয় | ৩৯,২৮০·৭৯ | ৪৯,৭১১·০৬ | ৬৫,৯০০·৬৪ | ৫৬,১০৬·২০ | ৩০,৬৯৪·৩৩ |



## সাধাৰণ পুঁজি : ব্যয়

| | প্ৰকৃত ব্যয় ১৯৬০-৬১ | প্ৰকৃত ব্যয় ১৯৬১-৬২ | প্ৰস্তাৱিত ব্যয় ১৯৬২-৬৩ | প্ৰকৃত ব্যয় ১৯৬২-৬৩ | প্ৰস্তাৱিত ব্যয় ১৯৬৩-৬৪ |
|---|---|---|---|---|---|
| দৰ্মহা | | | | | |
| কেন্দ্ৰীয় কাৰ্য্যালয় | ২,৭৯২·৫৮ | ৩,৪১১·১৭ | ৩,৯৮৪·০০ | ৩,২২৪·০০ | ৪,০৩২·০০ |
| প্ৰধান সম্পাদকৰ কাৰ্য্যালয় | — | ৮৭৪·৬১ | ২,০৪০·০০ | ১১০৪·২৮ | ২,০৪০·০০ |
| | ২,৭৯২·৫৮ | ৪,২৮৫·৭৮ | ৬,০২৪·০০ | ৪,৩২৮·২৮ | ৬,০৭২·০০ |
| ভ্ৰমণ-বানচ আদি | ৩,৫৬৪·৫৯ | ৪,৫১৫·৪৩ | ৫,০০০·০০ | ৩,০৭০·৬৯ | ৪,৫০০·০০ |
| | ৩,৫৬৪·৫৯ | ৪,৫১৫·৪৩ | ৫,০০০·০০ | ৩,০৭০·৬৯ | ৪,৫০০·০০ |
| ডাক আৰু তাঁৰ | | | | | |
| ডাকটিকট, তাঁৰ, অৰ্থ-প্ৰেৰণ | | ১,৯১৫·৬১ | ২,০০০·০০ | ২,০১১·৭৮ | ২,২০০·০০ |
| টেলিফোন | | ৭১৪·১৯ | ৮০০·০০ | ৭৭৫·৬৩ | ৮০০·০০ |
| | ১,৯৮৪·১৬ | ২,৬২৯·৮০ | ২,৮০০·০০ | ২,৭৯৩·৪১ | ৩,০০০·০০ |
| পৰিবহন | | | | | |
| | ৩৩২·৪২ | ৯৪৪·৬৬ | ১,০০০·০০ | ১,১৬৮·৫১ | ১,২০০·০০ |
| | ৩৩২·৪২ | ৯৪৪·৬৬ | ১,০০০·০০ | ১,১৬৮·৫১ | ১,২০০·০০ |
| খাজনা আৰু কৰ | | | | | |
| মাটিৰ খাজনা | | ৫৮·২৫ | ১৫৮·২৫ | ৫৮·২৫ | ১৫০·০০ |
| পৌৰ সভাৰ কৰ | | ৩৪·৫০ | ৪৬·০০ | ৫৭·৫০ | ৭০·০০ |
| বিজুলী শক্তি | | ১৫০·৭০ | ১৫০·০০ | ১৩২·৫৯ | ১৫০·০০ |
| প্ৰধান সম্পাদকৰ কাৰ্য্যালয়ৰ ঘৰভাৰা | | — | ৬০০·০০ | — | ৯০০·০০ |
| | ২০৬·৭৫ | ২৪৩·৪৫ | ৯৫৪·২৫ | ২৪৮·৩৪ | ১,২৭০·০০ |
| আচবাব আৰু সঁজুলি | | | | | |
| আলমাৰি | | ৫,২০·০০ | ১,০০০·০০ | ৪০০·০০ | ৯০০·০০ |
| অন্যান্য | | ২৪·৪৪ | ৫০০·০০ | ২৫·৬৬ | ১০০·০০ |
| | ৭৩১·১৩ | ৫৪৪·৪৪ | ১,৫০০·০০ | ৪২৫·৬৬ | ১,০০০·০০ |
| লেখন-সামগ্ৰী আদি | ১,১৪৯·৩৫ | ৯৪১·০২ | ১,০০০·০০ | ৬৪৫·৪৯ | ১,০০০·০০ |
| | ১,১৪৯·৩৫ | ৯৪১·০২ | ১,০০০·০০ | ৬৫৫·৪৯ | ১,০০০·০০ |
| নৈমিত্তিক ব্যয় | ৪৪২·৪৫ | ৩০৮·৬৪ | ৫০০·০০ | ৪৯৪·৫৫ | ৪০০·০০ |
| | ৪৪২·৪৫ | ৩০৮·৬৪ | ৫০০·০০ | ৪৯৪·৫৫ | ৪০০·০০ |
| | ৯,৬৪২·০০ | ১৩,১৬৩·০০ | ১৭,২৭৮·০০ | ১২,১০৪·০০ | ১৮,৭৪২·০০ |

| | প্ৰকৃত ব্যয় ১৯৬০-৬১ | প্ৰকৃত ব্যয় ১৯৬১-৬২ | প্ৰস্তাৱিত ব্যয় ১৯৬২-৬৩ | প্ৰকৃত ব্যয় ১৯৬২-৬৩ | প্ৰস্তাৱিত ব্যয় ১৯৬৩-৬৪ |
|---|---|---|---|---|---|
| পূৰ্ব্ব পৃষ্ঠাৰ মুঠ | ৯,৬৪২·০০ | ০০,১৬৩·৫৬ | ১৭,২৭৮·০০ | ১২·১০০·০৯ | ১৮,৪৪২·০০ |
| মুদ্ৰণ আৰু প্ৰকাশন | | | | | |
| সাধাৰণ প্ৰচাৰ-প্ৰকাশন | ৮৩০·০০ | ২৬৬·০০ | ২,০০০·০০ | — | ১,২০০·০০ |
| ক্ষুদ্ৰ মুদ্ৰণ | ৭৪১·৬২ | ৮১১·২৫ | ১,৫০০·০০ | ৮৮৭·৫৭ | ১,০০০·০০ |
| | ১,৫৭১·৬২ | ১,০৭৭·২৫ | ৩,৫০০·০০ | ৮৮৭·৫৭ | ২,২০০·০০ |
| সাধাৰণ প্ৰচাৰ | | | | | |
| বিজ্ঞাপন আদি | | ৮০৭·৫০ | ১,০০০·০০ | ৮৬·৯৫ | ২০০·০০ |
| পুথি-বিক্ৰী ব্যৱস্থা, প্ৰদৰ্শনী আদি | | ৫৫৮·৬৩ | ৭০০·০০ | — | ৫০০·০০ |
| | ৪৫·০০ | ১,৩৬৬·১৩ | ১,৭০০·০০ | ৮৬·৯৫ | ৭০০·০০ |
| প্ৰকাশন : সাধাৰণ | — | — | ৫,০০০·০০ | ৬,৮০৮·০০ | ৩,০০০·০০ |
| | — | — | ৫,০০০·০০ | ৬,৮০৮·০০ | ৩,০০০·০০ |
| প্ৰকাশন : অসম সাহিত্য সভা পত্ৰিকা | | | | | |
| ছপা খৰচ | | ৩,৫৬১·২৫ | ৩,৬০০·০০ | ২,৯২৮·৮২ | ৩,০০০·০০ |
| পাৰিশ্ৰমিক, লেখন-সামগ্ৰী, ডাক খৰচ | | ৫৪৭·৫৩ | ৭০০·০০ | ৬৫·১১ | ২০০·০০ |
| | ৩,০৪৫·৯৭ | ৪,১০৮·৭৮ | ৪,৩০০·০০ | ২,৯৯৩·৯৩ | ৩,২০০·০০ |
| প্ৰকাশন : সঙ্কটকালীন | — | — | — | ৫৫২·৩০ | ২০০·০০ |
| | — | — | — | ৫৫২·৩০ | ২০০·০০ |
| গ্ৰন্থাগাৰ | | | | | |
| কিতাপ আলোচনী | ১০০·০১ | ২৯৩·৩৫ | ৩,০০০·০০ | ৬৩৭·০৬ | ২,০০০·০০ |
| পুৰণি পুথি | — | — | ৫০০·০০ | — | ৩০০·০০ |
| | ১০০·০১ | ২৯৩·৩৫ | ৩,৫০০·০০ | ৬৩৭·০৬ | ২,৩০০·০০ |
| বিশেষ পুঁজিলৈ বৰঙণি | | | | | |
| প্ৰকাশন আঁচনি | — | (*) | — | — | — |
| সাংস্কৃতিক সম্পৰ্ক উন্নয়ন আঁচনি | — | — | ৯,০০০·০০ | ৭,৬২৭·১৬ | — |
| দুৰ্লভ পুথি-প্ৰকাশ আঁচনি | — | — | ২,২০০·০০ | — | — |
| প্ৰাথমিক পুথি প্ৰকাশ | — | — | — | — | ২,০০০·০০ |
| | — | — | ১১,২০০·০০ | ৭,৬২৭·১৬ | ২,০০০·০০ |



## সাধাৰণ পুঁজি ব্যয়

| | প্ৰকৃত ব্যয় ১৯৬০-৬১ | প্ৰকৃত ব্যয় ১৯৬১-৬২ | প্ৰস্তাৱিত ব্যয় ১৯৬২-৬৩ | প্ৰকৃত ব্যয় ১৯৬২-৬৩ | প্ৰস্তাৱিত ব্যয় ১৯৬৩-৬৪ |
|---|---|---|---|---|---|
| পূৰ্ব্ব পৃষ্ঠাৰ মুঠ | ২১,০৫০·০০ | ২৭,৮৯১·০০ | ৫৫,৪৫৫·০০ | ৩৬,৫৪৮·০০ | ৩৩,০০০·০০ |
| বিবিধ | | | | | |
| হিছাপ-পৰীক্ষা | ২৫০·০০ | ২৫০·০০ | ২৫০·০০ | ৪৫১·০০ | ৩৫০·০০ |
| বাকী টকা উদ্ধাৰৰ ব্যৱস্থা | — | ১২·০০ | ৫০০·০০ | — | ১০০·০০ |
| ৰাধাকান্ত সন্দিকৈ স্মৃতি দিৱস | ২৫·০০ | ২৫·০০ | ২৫·০০ | ২৫·০০ | ২৫·০০ |
| ৰাধাকান্ত সন্দিকৈ পুঁজি | — | — | — | — | ১০০·০০ |
| সমিতি আদিৰ বৈঠক | ৩৬·৬০ | ৯০·৬৮ | ২০০·০০ | ৬৭·৯৯ | ২০০·০০ |
| সম্পত্তি-প্ৰতিপালন | — | ৮৯·৪৫ | ২০০·০০ | ৪৮·৮৭ | ১০০·০০ |
| ভূমি-অধিগ্ৰহণ | — | ৪৮·০০ | ৯৫২·০০ | ১,৯৪০·০০ | — |
| বেৰৰ ভৰণি | ৮০·৩৪ | ২৯·০৭ | ৫০·০০ | ৫৫·৯২ | ৬০·০০ |
| ঐচ্ছিক পুঁজি : সভাপতি | ১৩০·০০ | — | ২০০·০০ | — | ২০০·০০ |
| ঐচ্ছিক পুঁজি : প্ৰধান সম্পাদক | — | — | ১০০·০০ | — | ১০০·০০ |
| অন্যান্য (সাময়িক বিশেষ দান আদিৰ ব্যয়) | ৩,৯৩১·০৬ | ৬,০৮৮·২১ | ৪,০০০·০০ | — | — |
| অসমীয়া ভাষাজ্ঞান প্ৰমাণ-পত্ৰ পৰীক্ষা | — | — | ১,০০০·০০ | ১২২·৬৯ | ৫০০·০০ |
| ৰাষ্ট্ৰীয় প্ৰতিৰক্ষা পুঁজিলৈ দান | — | — | — | ১,০০০·০০ | — |
| | ৪,৪৫৩·০০ | ৬,৬৩২·৪৭ | ৭,৪৭৭·০০ | ৩,৭১০·৪৭ | ১,৭৩৫·০০ |
| সাধাৰণ পুঁজিৰ মুঠ ব্যয় | ২১,০৫০·০৩ | ২৭,৮৯১·২০ | ৫৫,৪৫৫·২৫ | ৩৬,৫৪৮·৩৭ | ৩৩·৪৭৭·০০ |
| পৰিশোধ : বিশেষ পুঁজি | | | | | |
| অক্ষয় পুঁজি : হৰিহৰ চৌধুৰী বঁটা পুঁজি | ১,০০০·০০ | — | — | — | ৩০·০০ |
| আজীৱন সভ্যৰ পুঁজি | ৬,০০০·০০ | — | ৪,০০০·০০ | — | ২,৭০০·০০ |
| অক্ষয় পুঁজিৰ বাঢ়ি পুঁজি | | | | | |
| দক্ষিণপাট অধিকাৰ গোস্বামী অক্ষয় পুঁজি | ১২৬·০০ | ৬০·৫০ | ১৩৯·৫০ | ৬০·০০ | ১৫৭·০০ |
| চন্দ্ৰকান্ত ইন্দ্ৰকান্ত স্মাৰক পুঁজি | — | — | — | — | ৩৩০·০০ |
| চন্দ্ৰকান্ত-ইন্দ্ৰকান্ত সামাজিক সমাৰোহ পুঁজি | ৪৯·০০ | ৪৭·৭৫ | — | — | ৩৩·০০ |
| কমলাদেৱী স্মাৰক পুঁজি | ১,০১৬·০০ | — | ১২০·০০ | — | — |
| চৰকাৰী অনুদান : ৰাজ্যিক চৰকাৰ | | | | | |
| ভাষা-শিক্ষা আৰু সাংস্কৃতিক সমন্বয় আঁচনি | ৬,৭৬০·১২ | ৭,০৭০·৫৭ | ৫,১৬৯·৩১ | ৫,৯০২·৫০ | ২৬৬৭·৮১ |
| প্ৰকাশন আঁচনি | ৯,৫৮৬·২৮ | ১০,০৭৫·৭৫ | — | — | — |
| চৰকাৰী অনুদান : কেন্দ্ৰীয় চৰকাৰ | | | | | |
| সাংস্কৃতিক সম্পৰ্ক উন্নয়ন আঁচনি | ৭০·০০ | ৩০০·০০ | ৮,৬৩০·০০ | ৮,৬৩০·০০ | — |
| দুৰ্লভ পুথি-প্ৰকাশ আঁচনি | — | — | ৫০০·০০ | ৫০০·০০ | — |
| প্ৰাথমিক ভাষা পুথি | — | — | — | — | ২,০০০·০০ |
| দানৰ পুঁজি : ৰাধাকান্ত সন্দিকৈ স্মৃতি পুঁজি | ২০০·০০ | — | — | — | — |
| শৰৎচন্দ্ৰ গোস্বামী স্মৃতি পুঁজি | — | — | ৪৮·৫০ | — | ৪৮·৫০ |
| বিশেষ পুঁজিৰ পৰিশোধৰ মুঠ | ২৫,২৭৭·৪০ | ১৭,৫৫২·৫৭ | ১৮,৬০৭·৩১ | ১৫,০৯২·৫০ | ৫,৫৬৫·৩১ |
| সাধাৰণ পুঁজিৰ ব্যয় আৰু বিশেষ পুঁজিৰ পৰিশোধ | ৪৬,৩২৭·৪৩ | ৪৫,৪৪৩·৭৭ | ৭৪,০৬২·৫৬ | ৫১,৬৪০·৮৭ | ৩৯,৩৪২·৩১ |

* আজীৱন সভ্যৰ পুঁজি বৰ্ত্তমান বিনিধানৰ ম্যাদৰ শেষত জাতীয় সঞ্চয় আঁচনিত জমা হ'ব।

## দৰ্মহাৰ তপছিল

| | | |
|---|---|---|
| কেন্দ্ৰীয় কাৰ্য্যালয় : | | |
| মুখ্য কাৰ্য্যালয় সহকাৰী আৰু | | |
| হিছাপ-ৰক্ষক | ১×১৫০·০০×১২ | ১,৮০০·০০ |
| কাৰ্য্যালয় সহকাৰী | ১×৮০·০০×১২ | ৯৬০·০০ |
| ৬০-৫-১২০, মৰগীয়া বানচ | ১৫·০০ | |
| চকিদাৰ | ১×৭২·০০×১২ | ৮৬৪·০০ |
| ৬০-৪-১০০ | | |
| ডাকদাৰ | ১×৪·০০×১২ | ৪৮·০০ |
| মালী ( অংশকালীন ) | ১×৩০·০০×১২ | ৩৬০·০০ |
| | | ৪'০৩২·০০ |
| প্ৰধান সম্পাদকৰ কাৰ্য্যালয় : | | |
| কাৰ্য্যালয় সহকাৰী | ১×১৫০·০০×১২ | ১,৮০০·০০ |
| পিয়ন ( অংশকালীন ) | ১×২০·০০×১২ | ২৪০·০০ |
| | | ২,০৪০·০০ |

## বিশেষ পুঁজি : (১) অক্ষয় পুঁজি

### আয়

| | প্ৰকৃত আয় ১৯৬০-৬১ | প্ৰকৃত আয় ১৯৬১-৬২ | প্ৰত্যাশিত আয় ১৯৬২-৬৩ | প্ৰকৃত ব্যয় ১৯৬২-৬৩ | প্ৰত্যাশিত ব্যয় ১৯৬৩-৬৪ |
|---|---|---|---|---|---|
| ক, ন্যাস পুঁজি | | | | | |
| দক্ষিণপাট অধিকাৰ গোস্বামী অক্ষয় পুঁজি | ৫,০০০·০০ | ৫,০০০·০০ | ৫,০০০·০০ | ৫,০০০·০০ | ৫,০০০·০০ |
| চন্দ্ৰকান্ত-ইন্দ্ৰকান্ত স্মাৰক পুঁজি | ১৭,৪০০·০০ | ১৭,৪০০·০০ | ১৭,৪০০·০০ | ১৭,৪০০·০০ | ১৭ ৪০০·০০ |
| চন্দ্ৰকান্ত-ইন্দ্ৰকান্ত স্মাৰক সামাজিক সমাৰোহ পুঁজি | ১,৫৫০·০০ | ১,৫৫০·০০ | ১,৫৫০·০০ | ১,৫৫০·০০ | ১,৫৫০·০০ |
| কমলাদেৱী স্মাৰক পুঁজি | ২,০০০·০০ | ২,০০০·০০ | ২,০০০·০০ | ২,০০০·০০ | ২,০০০·০০ |
| হৰিহৰ চৌধুৰী বঁটা পুঁজি | ১,০০০·০০ | ১,০০০·০০ | ১,০০০·০০ | ১,০০০·০০ | ১,০০০·০০ |
| | ২৬,৯৫০·০০ | ২৬,৯৫০·০০ | ২৬,৯৫০·০০ | ২৬,৯৫০·০০ | ২৬,৯৫০·০০ |
| খ, আজীৱন সভ্যৰ পুঁজি | | | | | |
| যোৱা বছৰৰ উদ্বৃত্ত | | | | | |
| স্থায়ী জমা-ৰূপে | ১১,০০০·০০ | ১১,০০০·০০ | ১১,০০০·০০ | ১১,০০০·০০ | ১১,০০০·০০ |
| সাধাৰণ পুঁজিত | ২,০০০·০০ | ২,৫০০·০০ | ৪,০০০·০০ | ২,০০০·০০ | ২,৭০০·০০ |
| প্ৰস্তাৱিত বছৰ | ৫০০·০০ | ১,৫০০·০০ | ২,০০০·০০ | ৭০০·০০ | ২,০০০·০০ |
| | ১৩,৫০০·০০ | ১৫,০০০·০০ | ১৭,০০০·০০ | ১৩,৭০০·০০ | ১৫,৭০০·০০ |



### ব্যয়

| | প্ৰকৃত ব্যয় ১৯৬০-৬১ | প্ৰকৃত ব্যয় ১৯৬১-৬২ | প্ৰস্তাৱিত ব্যয় ১৯৬২-৬৩ | প্ৰকৃত ব্যয় ১৯৬২-৬৩ | প্ৰস্তাৱিত ব্যয় ১৯৬৩-৬৪ |
|---|---|---|---|---|---|
| ক, বিনিধান : ন্যাস পুঁজি | | | | | |
| দক্ষিণাপাট অধিকাৰ গোস্বামী অক্ষয় পুঁজি | | | | | |
| চৰকাৰী ৪% ঋণ ১৯৭০-৮০ | ৫,০০০·০০ | ৫,০০০·০০ | ৫,০০০·০০ | ৫,০০০·০০ | ৫,০০০·০০ |
| চন্দ্ৰকান্ত-ইন্দ্ৰকান্ত স্মাৰক পুঁজি | | | | | |
| ৰিজাৰ্ভ বেঙ্ক অৱ ইণ্ডিয়া, কলিকতা | ১৭,৪০০·০০ | ১৭,৪০০·০০ | ১৭,৪০০·০০ | ১৭,৪০০·০০ | ১৭,৪০০·০০ |
| চন্দ্ৰকান্ত-ইন্দ্ৰকান্ত স্মাৰক সামাজিক সমাৰোহ | | | | | |
| আসাম কো-অ: এপেক্স বেঙ্ক, যোৰহাট | ১,৫৫০·০০ | ১,৫৫০·০০ | ১,৫৫০·০০ | ১.৫৫০·০০ | ১,৫৫০·০০ |
| কমলাদেৱী স্মাৰক পুঁজি | | | | | |
| আসাম কো-অ: এপেক্স বেঙ্ক, যোৰহাট | ২,০০০·০০ | ২,০০০·০০ | ২,০০০·০০ | ২,০০০·০০ | ২,০০০·০০ |
| হৰিহৰ চৌধুৰী বঁটা পুঁজি | | | | | |
| আসাম কো-অ: এপেক্স বেঙ্ক, যোৰহাট | ১,০০০·০০ | ১,০০০·০০ | ১,০০০·০০ | ১,০০০·০০ | ১,০০০·০০ |
| | ২৬,৯৫০·০০ | ২৬,৯৫০·০০ | ২৬,৯৫০·০০ | ২৬,৯৫০·০০ | ২৬,৯৫০·০০ |
| খ, বিনিধান : আজীৱন সভ্যৰ পুঁজি | | | | | |
| নেচনেল ছেভিংছ চাৰ্টিফিকেট, যোৰহাট ডাকঘৰ | ৫,০০০·০০ | ৫,০০০·০০ | ৫,০০০·০০ | ৫,০০০·০০ | ৫,০০০·০০ |
| আসাম কো-অ: এপেক্স বেঙ্ক, যোৰহাট | ৬,০০০·০০ | ৬,০০০·০০ | ৬,০০০·০০ | ৬,০০০·০০ | ৬,০০০·০০ |
| নতুন বিনিধান : স্থায়ী জমা | — | — | ৬,০০০·০০ | — | — |
| সাধাৰণ পুঁজি | — | — | — | ২,৭০০·০০ | ৪,২০০·০০ |
| | ১১,০০০·০০ | ১১,০০০·০০ | ১৭,০০০·০০ | ১৩,৭০০·০০ | ১৫,২০০·০০ |

## বিশেষ পুঁজি : (২) অক্ষয় পুঁজিৰ বাঢ়ি

### আয়

| | প্ৰকৃত আয় ১৯৬০-৬১ | প্ৰকৃত আয় ১৯৬১-৬২ | প্ৰত্যাশিত আয় ১৯৬২-৬৩ | প্ৰকৃত আয় ১৯৬২-৬৩ | প্ৰত্যাশিত আয় ১৯৬৩-৬৪ |
|---|---|---|---|---|---|
| **দক্ষিণপাট অধিকাৰ গোস্বামী অক্ষয় পুঁজি** | | | | | |
| আৰম্ভণী উদ্বৃত্ত | ২৯০,৯৯ | ৮৯৪'২৪ | ১,০৩৩'২৪ | ১,০৩৩'৭৪ | ১৬২'৯৪ |
| নতুন আয় | ৬০৩'২৫ | ২০০'০০ | ২০০'০০ | ২৩১'৭৪ | ২০০'০০ |
| আয়কৰ-পৰিশোধ | — | — | — | — | ১২০'০০ |
| | ৮৯৪'২৪ | ১,০৯৪'২৪ | ১,২৩৩'২৪ | ১,২৬৫'৪৮ | ৪৮২'৯৪ |
| **চন্দ্ৰকান্ত-ইন্দ্ৰকান্ত স্মাৰক পুঁজি** | | | | | |
| আৰম্ভণী উদ্বৃত্ত | ৬১৩'২৯ | ৬৫২'৯৭ | ৯০৭'৪১ | ৯০৭'৪১ | ১,১৯৯'৬৮ |
| নতুন আয় | ৬৪৭'০২ | ৬১৯'৪৪ | ৬২০'০০ | ৬২৬'০৭ | ৬০০'০০ |
| শ্ৰীকৃষ্ণকান্ত সন্দিকৈদেৱৰ দান | — | — | ৫,০০০'০০ | ৬,০০০'০০ | — |
| | ১,২৬০'৩১ | ১,২৭২'৪১ | ৬,৫২৭'৪১ | ৭,৫৩৩'৪৮ | ১,৭৯৯'৬৮ |
| **চন্দ্ৰকান্ত-ইন্দ্ৰকান্ত স্মাৰক সামাজিক সমাৰোহ পুঁজি** | | | | | |
| আৰম্ভণী উদ্বৃত্ত | ১৩৬'০০ | ৮৭'৩৬ | ৮৭'৩৬ | ৮৭'৩৬ | ৭০'৪৪ |
| নতুন আয় | ১'৩৬ | — | ৪'০০ | ৯৭'৩৮ | ৫০'০০ |
| | ১৩৭'৩৬ | ৮৭'৩৬ | ৯১'৩৬ | ১৮৪'৭৪ | ১২০'৪৪ |
| **কমলাদেৱী স্মাৰক পুঁজি** | | | | | |
| আৰম্ভণী উদ্বৃত্ত | ১,৯১৭'০৯ | ৮০৭'৬১ | ৯২৭'৬১ | ৯২৭'৬১ | ৮৪৫'২৯ |
| নতুন আয় | ১০'৫২ | ১২০'০০ | ৬০'০০ | ৩৭'৬৮ | ৬০'০০ |
| সাধাৰণ পুঁজিৰপৰা ঋণ | — | — | — | ৭১৬'৩৬ | — |
| | ১,৯২৭'৬১ | ৯২৭'৬১ | ৯৮৭'৬১ | ১,৬৮১'৬৫ | ৯০৫'২৯ |
| **হৰিহৰ চৌধুৰী বঁটা পুঁজি** | | | | | |
| আৰম্ভণী উদ্বৃত্ত | — | — | — | — | ৩০'০০ |
| নতুন আয় | — | — | ৬০'০০ | ৬০'০০ | ৩০'০০ |
| | — | — | ৬০'০০ | ৬০'০০ | ৬০'০০ |



### ব্যয়

| | প্ৰকৃত ব্যয় ১৯৬০-৬১ | প্ৰকৃত ব্যয় ১৯৬১-৬২ | প্ৰস্তাৱিত ব্যয় ১৯৬২-৬৩ | প্ৰকৃত ব্যয় ১৯৬২-৬৩ | প্ৰস্তাৱিত ব্যয় ১৯৬৩-৬৪ |
|---|---|---|---|---|---|
| **দক্ষিণপাট অধিকাৰ গোস্বামী অক্ষয় পুঁজি** | | | | | |
| বিনিধান : পোষ্ট অফিচ ছেভিংছ বেঙ্ক, যোৰহাট | ৮৯৪'২৪ | ৮৯৪'২৪ | ২৩৩'২৪ | ৫'৯৮ | ৪৮২'৯৪ |
| সাধাৰণ পুঁজি | — | ১৩৯'৫০ | — | ১৫৭'০০ | — |
| আয়কৰ আদি | — | ৬০'৫০ | — | ৬০'৫০ | — |
| দুৰ্লভ পুথি প্ৰকাশ আঁচনিলৈ বৰঙণি | — | — | ১,০০০'০০ | ১,০৪২'০০ | — |
| | ৮৯৪'২৪ | ১,০৯৪'২৪ | ১,২৩৩'২৪ | ১,২৬৫'৪৮ | ৪৮২'৯৪ |
| **চন্দ্ৰকান্ত-ইন্দ্ৰকান্ত স্মাৰক পুঁজি** | | | | | |
| চন্দ্ৰকান্ত সন্দিকৈ-ভৱনৰ প্ৰতিপালন | ৬০৭'৩৪ | ৩৬৫'০০ | ৬০০'০০ | } ৬,৩৩৩'৭২ | ৫০০'০০ |
| চন্দ্ৰকান্ত সন্দিকৈ ভৱনৰ সম্প্ৰসাৰণ | — | — | ৫০০০'০০ | | ৬০০'০০ |
| বিনিধান : পোষ্ট অফিচ ছেভিংছ বেঙ্ক, যোৰহাট | ৬৫১'৫৭ | ৯০৭'০১ | ৯২৭'৪১ | ৬৮৩'০৮ | ৬৯৯'৬৮ |
| অন্যান্য উদ্বৃত্ত ধন ভঁৰালী সম্পাদকৰ হাতত | ১'৪০ | '৪০ | — | ১৮৬'৬৮ | — |
| সাধাৰণ পুঁজি | — | — | — | ৩৩০'০০ | — |
| | ১,২৬০'৩১ | ১,২৭২'৪১ | ৬,৫২৭'৪১ | ৭,৫৩৩'৪৮ | ১,৭৯৯'৬৮ |
| **চন্দ্ৰকান্ত-ইন্দ্ৰকান্ত স্মাৰক সামাজিক** | | | | | |
| সমাৰোহ পুঁজি সামাজিক সমাৰোহ | ৫০'০০ | — | ৯৫'৭৫ | ১০৬'০০ | ৫০'০০ |
| বিনিধান : পোষ্টঅফিচ ছেভিংছ বেঙ্ক, যোৰহাট | ৮৭'৩৬ | ৮৭'৩৬ | — | ৪৫'৭৪ | ৭০'৪৪ |
| সাধাৰণ পুঁজি | — | — | — | ৩৩'০০ | — |
| | ১৩৭'৩৬ | ৮৭'৩৬ | ৯৫'৭৫ | ১৮৪'৭৪ | ১২০'৪৪ |
| **কমলা দেৱী স্মাৰক পুঁজি** | | | | | |
| কমলা দেৱী শিশু-সাহিত্য | ১,১২০'০০ | — | ৯০০'০০ | ৮৩৬'৩৬ | — |
| বিনিধান : পোষ্ট অফিচ চেভিংছ বেঙ্ক, যোৰহাট | ৮০৭'৬১ | ৮০৭'৬১ | ৮৭'৬১ | ৮৪৫'২৯ | ১৮৮'৯৩ |
| সাধাৰণ পুঁজি | — | ১২০'০০ | — | — | — |
| ঋণ পৰিশোধ | — | — | — | — | ৭১৬'৩৬ |
| | ১,৯২৭'৬১ | ৯২৭'৬১ | ৯৮৭'৬১ | ১,৬৮১'৬৫ | ৯০৫'২৯ |
| **হৰিহৰ চৌধুৰী বঁটা পুঁজি** | | | | | |
| হৰিহৰ চৌধুৰী বঁটা | — | — | ৬০'০০ | ৩০'০০ | ৬০'০০ |
| সাধাৰণ পুঁজি | — | — | — | ৩০'০০ | — |
| | — | — | ৬০'০০ | ৬০'০০ | ৬০'০০ |

## বিশেষ পুঁজি : (৩) চৰকাৰী অনুদান

### আয়

| | প্ৰকৃত আয় ১৯৬০-৬১ | প্ৰকৃত আয় ১৯৬১-৬২ | প্ৰত্যাশিত আয় ১৯৬২-৬৩ | প্ৰকৃত আয় ১৯৬২-৬৩ | প্ৰত্যাশিত আয় ১৯৬৩-৬৪ |
|---|---|---|---|---|---|
| ৰাজ্যিক চৰকাৰ | | | | | |
| ভাষাশিক্ষা আৰু সাংস্কৃতিক সমন্বয় আঁচনি | | | | | |
| আৰম্ভণী উদ্বৃত্ত | — | ১৩,২৩৯·৮৮ | ৬,১৬৯·৩১ | ৬,১৬৯·৩১ | ২৬৬·৩১ |
| প্ৰকাশন আঁচনি ( নতুন : চৰকাৰৰ মঞ্জুৰী সাপেক্ষ ) | — | — | ৫০,০০০·০০ | — | ৬,০০০·০০ / ৬০,০০০·০০ |
| সাধাৰণ পুঁজিৰপৰা ঋণ | — | — | — | ২,২৩৪·০০ | — |
| কেন্দ্ৰীয় চৰকাৰ | | | | | |
| সাংস্কৃতিক সম্পৰ্ক-উন্নয়ন আঁচনি | | | | | |
| আৰম্ভণী উদ্বৃত্ত | ৯,০০০·০০ | ৮,৯৩০·০০ | ৮,৬৩০·০০ | ৮,৬৩০·০০ | — |
| সাধাৰণ পুঁজিৰপৰা দান | | | | ৭,৬২৭·১৬ | — |
| দুৰ্লভ পুথি প্ৰকাশন আঁচনি : | | | | | |
| আৰম্ভণী উদ্বৃত্ত | — | ৫০০·০০ | ৫০০·০০ | ৫০০·০০ | — |
| নতুন অনুদান | — | — | ৫,৯০০·০০ | ১,৩০৩·০০ | — |
| দক্ষিণপাট অধিকাৰ গোস্বামী অক্ষয় পুঁজিৰ অনুদান | — | — | — | ১,০৪২·০০ | — |
| প্ৰাথমিক ভাষা পুথি প্ৰণয়ন | — | — | — | ২,০০০·০০ | ৪,০০০·০০ |
| | ৯,০০০·০০ | ২২,৬৬৯·৮৮ | ৭১,১৯৯·৩১ | ২৯,৫০৫·৪৭ | ৯০,২৬৬·৩১ |

### ব্যয়

| | প্ৰকৃত ব্যয় ১৯৬০-৬১ | প্ৰকৃত ব্যয় ১৯৬১-৬২ | প্ৰস্তাবিত ব্যয় ১৯৬২-৬৩ | প্ৰকৃত ব্যয় ১৯৬২-৬৩ | প্ৰস্তাবিত ব্যয় ১৯৬৩-৬৪ |
|---|---|---|---|---|---|
| ৰাজ্যিক চৰকাৰ | | | | | |
| ভাষাশিক্ষা আৰু সাংস্কৃতিক সমন্বয় আঁচনি | ৬,৭৬০·১২ | ৭,০৭০·৫৭ | ৬,১৬৯·৩১ | ৫,৯০২·৫০ | ২৬৬·৩১ |
| প্ৰকাশন আঁচনি (নতুন : চৰকাৰৰ মঞ্জুৰী সাপেক্ষ ) | — | — | ৫০,০০০·০০ | ২,২৩৪·০০ | ৮৩,৭৬৬.০০ |
| সাধাৰণ পুঁজিৰ পৰিশোধ | — | — | — | — | ২,২২৪·০০ |
| কেন্দ্ৰীয় চৰকাৰ | | | | | |
| সাংস্কৃতিক সম্পৰ্ক উন্নয়ন আঁচনি | ৭০·০০ | ৩০০·০০ | ১৭,৬৩০·০০ | ১৫,২৫৭·১৬ | — |
| দুৰ্লভ পুথি প্ৰকাশ আঁচনি | — | — | ৬,৪০০·০০ | ২,৮৪৫·০০ | — |
| প্ৰাথমিক ভাষা পুথি | — | — | — | — | ৪,০০০·০০ |
| | ৬,৮৩০·১২ | ৭,৩৭০·৫৭ | ৮০,১৯৯·৩১ | ২৬,২৩৮·৬৬ | ৯০,২৬৬·৩১ |



## বিশেষ পুঁজি : (৪) দানৰ পুঁজি

### আয়

| | প্ৰকৃত আয় ১৯৬০-৬১ | প্ৰকৃত আয় ১৯৬১-৬২ | প্ৰত্যাশিত আয় ১৯৬২-৬৩ | প্ৰকৃত আয় ১৯৬২-৬৩ | প্ৰত্যাশিত আয় ১৯৬৩-৬৪ |
|---|---|---|---|---|---|
| ৰাধাকান্ত সন্দিকৈ স্মৃতি পুঁজি | | | | | |
| আৰম্ভণী উদ্বৃত্ত | ২,৮২১·৮৬ | ৩,০৫৮·৭০ | ৩,১০৫·২৭ | ৩,০৫৮·৭০ | ৩,১৮৬·৭১ |
| সংগ্ৰহ | ২০০·০০ | — | ১,০০০·০০ | — | ৫০০·০০ |
| বাঢ়ি | ৩৬·৮৪ | ৯৬·৫৭ | ২০·০০ | ১২৮·০১ | ৩২·০০ |
| | ৩,০৫৮·৭০ | ৩,১০৫·২৭ | ৪,১২৫·২৭ | ৩,১৮৬·৭১ | ৩,৭১৮·৭১ |
| শৰৎচন্দ্ৰ গোস্বামী স্মৃতি পুঁজি | | | | | |
| আৰম্ভণী উদ্বৃত্ত | — | — | ৪৮·৫০ | ৪৮·৫০ | ৪৮·৫০ |
| সংগ্ৰহ | — | ৪৮·৫০ | ১,০০০·০০ | — | ২০০·০০ |
| | — | ৪৮·৫০ | ১,০৪৮·৫০ | ৪৮·৫০ | ২৪৮·৫০ |

### ব্যয়

| | প্ৰকৃত ব্যয় ১৯৬০-৬১ | প্ৰকৃত ব্যয় ১৯৬১-৬২ | প্ৰস্তাবিত ব্যয় ১৯৬২-৬৩ | প্ৰকৃত ব্যয় ১৯৬২-৬৩ | প্ৰস্তাবিত ব্যয় ১৯৬৩-৬৪ |
|---|---|---|---|---|---|
| ৰাধাকান্ত সন্দিকৈ স্মৃতি পুঁজি | | | | | |
| বিনিধান : অসম কো-অপাৰেটিভ এপেক্স বেংক, যোৰহাট | ৩,০৫৮·৭০ | ৩,১০৫·২৭ | ৪,১২৫·২৭ | ৩,১৮৬·৭১ | ৩,৭১৮·৭১ |
| | ৩,০৫৮·৭০ | ৩,১০৫·২৭ | ৪,১২৫·২৭ | ৩,১৮৬·৭১ | ৩,৭১৮·৭১ |
| শৰৎচন্দ্ৰ গোস্বামী স্মৃতি পুঁজি | | | | | |
| বিনিধান : অসম কো-অপাৰেটিভ এপেক্স বেংক, যোৰহাট | — | — | ১,০৪৮·৫০ | ৪৮·৫০ | ২৪৮·৫০ |
| | — | — | ১,০৪৮·৫০ | ৪৮·৫০ | ২৪৮·৫০ |

## বিশেষ পুঁজি ঃ (৫) অসম সাহিত্য সভা ভৱন ( গুৱাহাটী )

### আয়

| | প্ৰকৃত আয় ১৯৬০-৬১ | প্ৰকৃত আয় ১৯৬১-৬২ | প্ৰত্যাশিত আয় ১৯৬২-৬৩ | প্ৰকৃত আয় ১৯৬২-৬৩ | প্ৰত্যাশিত আয় ১৯৬৩-৬৪ |
|---|---|---|---|---|---|
| উদ্বৃত্ত | — | — | — | — | ১০,১২১'৬৫ |
| ভগৱতীপ্ৰসাদ বৰুৱা ভৱনৰ বাবে শ্ৰীপাৰ্বতিপ্ৰসাদ বৰুৱাদেৱৰ দান | — | — | ৫০,০০০'০০ | ৫,০০০'০০ | ৪৫,০০০'০০ |
| ৰঘুনাথ চৌধাৰী গৱেষণা গ্ৰন্থাগাৰৰ বাবে শ্ৰীৰঘুনাথ চৌধাৰীদেৱৰ দান | — | — | ২০,০০০'০০ | — | ২০,০০০'০০ |
| কেন্দ্ৰীয় চৰকাৰৰ বৈজ্ঞানিক গৱেষণা আৰু সাংস্কৃতিক পৰিক্ৰমা দপ্তৰৰ অনুদান | — | — | ৫০,০০০'০০ | ৫,০০০'০০ | ৪৫,০০০'০০ |
| সাধাৰণ পুঁজিৰপৰা ঋণ | — | — | — | ৬৪৯'০০ | — |
| | — | — | ১,২০,০০০'০০ | ১০,৬৪৯'০০ | ১,২০,১২১'৬৫ |

### ব্যয়

| | প্ৰকৃত ব্যয় ১৯৬০-৬১ | প্ৰকৃত ব্যয় ১৯৬১-৬২ | প্ৰস্তাৱিত ব্যয় ১৯৬২-৬৩ | প্ৰকৃত ব্যয় ১৯৬২-৬৩ | প্ৰস্তাৱিত ব্যয় ১৯৬৩-৬৪ |
|---|---|---|---|---|---|
| গুৱাহাটীত অসম সাহিত্য সভাৰ ভৱন-নিৰ্ম্মাণ | — | — | ১,২০,০০০'০০ | ৪৫৭'৩৫ | ১,১৯,৫৪২'৬৫ |
| ঋণ-পৰিশোধ | — | — | — | — | ৬৪৯'০০ |
| | — | — | ১,২০,০০০'০০ | ৪৫৭'৩৫ | ১,২০,১৯১'৬৫ |

**শ্ৰীপৰাগ চলিহা,**
সভাপতি
১৬।৬ ৬৩

**মহেশ্বৰ নেওগ,**
প্ৰধান সম্পাদক,
অসম সাহিত্য সভা

# সম্পাদকীয়

**একত্ৰিংশ অধিৱেশন ঃ**

অসম সাহিত্য সভাৰ একত্ৰিংশ অধিবেশন অহা এপ্ৰিল মাহৰ সোতৰ তাৰিখৰপৰা তিনি দিন জুৰি অসমৰ তেজনগৰ ডিগবৈত বহিব। তেলনগৰ ডিগবৈ ভাৰতৰ সকলো ঠাইৰ সকলো শ্ৰেণীৰ লোকৰ বসতি, এনে এখন ঠাইত অসম সাহিত্য সভাৰ দৰে সাহিত্য সংস্কৃতিৰ অনুষ্ঠান সম্পন্ন হোৱাটো বিশেষ গুৰুত্বপূৰ্ণ। সকলো ভাষা সাহিত্যৰ সমান উন্নতি আৰু প্ৰগতিতহে সমগ্ৰ দেশৰ সৰ্ব্বাঙ্গীন সাংস্কৃতিক সমৃদ্ধিয়ে নিৰ্ভৰ কৰে। পৰস্পৰৰ ভাবৰ আদান-প্ৰদানত বন্ধুত্ব গঢ়ি উঠাৰ দৰে, বিভিন্ন ভাষা-সাহিত্যৰ ঐশ্বৰ্য্যৰ আদান-প্ৰদানত সাংস্কৃতিক সমৃদ্ধিৰ ভেটি সুদৃঢ় হয়। এই দৃষ্টিকোণৰপৰা ডিগবৈত অনুষ্ঠীয়মান অসম সাহিত্যসভাৰ অধিবেশন খনি সকলোৰে কাৰণে বিশেষ ফলপ্ৰসূ হব বুলি আমাৰ আন্তৰিক বিশ্বাস। দেশৰ সংহতি আৰু অখণ্ডতাৰ বাবে যে আবেগিক ঐক্যতকৈ বৌদ্ধিক ঐক্য অধিক শক্তিশালী এই বিষয়ে মতদ্বৈধতা নাই। বিশ্বকবি ৰবীন্দ্ৰনাথৰ সুৰতে "নানা ভাষা, নানা জাতি নানা পৰিধান বিবিধেৰ মাঝে দেখ মিলন মহান্।" মহান মিলন দেখিবলৈ সকলোৱে আশা কৰিছে।

অসম সাহিত্য সভাৰ নিয়মাৱলী মতে সাহিত্য সভাৰ কাৰ্য্যকাল দুবছৰীয়া বাবে যোৱা অধিৱেশনৰ সভাপতিয়ে এই অধিবেশনতো সভাপতিত্ব কৰিব লাগিছিল ; কিন্তু যোৱা নাজিৰা অধিবেশনৰ সভাপতিৰ অধিবেশনৰ লগে লগেই লোকান্তৰ ঘটাত প্ৰবীণ সাহিত্যিক আৰু প্ৰসিদ্ধ অভিনেতা শ্ৰীমিত্ৰদেৱ মহন্ত অধিকাৰদেৱে এই দুবছৰীয়া কাৰ্য্যকালৰ মাজতে সভাপতিৰ দায়িত্ব গ্ৰহণ কৰিছে আৰু ডিগবৈ অধিবেশনতো তেখেতেই সভাপতিত্ব কৰিব। শ্ৰীমহন্তদেৱৰ দৈপণত লেখনীত দীৰ্ঘদিনৰ সঞ্চিত অভিজ্ঞতা বৰ্ত্তমানৰ সাহিত্যৰ গতিধাৰাৰ প্ৰভাৱত নবীকৃত হৈ প্ৰকাশ হব আৰু অসমীয়া সাহিত্যৰ দিক-দৰ্শক হব বুলি নিশ্চয় আশা কৰিব পাৰি।

**অবৈধ পাকিস্থানীৰ অনুপ্ৰৱেশ আৰু ভগনীয়া সমস্যা ঃ**

আজি কেবা বছৰে অসমলৈ অবৈধভাৱে পাকিস্তানৰ নাগৰিকৰ অনুপ্ৰৱেশ হৈ আছে। অনুপ্ৰৱেশকাৰীৰ সংখ্যা বিভিন্ন হিচাপত দুই লাখৰপৰা দহ লাখ। সম্প্ৰতি পাকিস্তানী অনুপ্ৰৱেশকাৰীয়ে অসমত ঘোৰ সঙ্কটৰ সৃষ্টি কৰি সমগ্ৰ ৰাষ্ট্ৰলৈকে দুৰ্য্যোগ আনিছে আৰু সকলোৰে মনত শঙ্কাৰ সৃষ্টি কৰিছে। এফালে ভীষয়মান চীন, আনফালে আক্ৰমণেচ্ছু পাকিস্তান আৰু ৰাষ্ট্ৰৰ ভিতৰত একশ্ৰেণী বিদ্ৰোহী নগাৰ কাৰ্য্যকলাপ, এই সকলোবোৰৰ পৰিপ্ৰেক্ষিতত এই সমস্যাৰ স্বৰূপ বুজিবলৈ সকলো সচেতন নাগৰিকেই মনোনিৱেশ কৰা অপৰিহাৰ্য্য হৈ পৰিছে।

ইফালে আকৌ যোৱা তিনি চাৰি মাহৰপৰা পূব পাকিস্তানত অত্যাচাৰিত আৰু নিৰ্য্যাতিত হেজাৰ হেজাৰ ভগনীয়া আহি অসম ভৰি পৰিছে। স্থানচ্যুত এই শৰণাৰ্থীসকলৰ অতি শীঘ্ৰে পুনৰ্ব্বাসন হোৱা একান্ত বাঞ্ছনীয়। প্ৰত্যেক অসমবাসীয়ে সহায় সহানুভূতি নিশ্চয় দেখুৱাব। পিচে এটা বিষয়ৰ প্ৰতি সতৰ্ক হব লাগিব যে কোনো কোনো স্বাৰ্থান্বেষী লোকে আগতে কৰাৰ দৰে এই স্থানচ্যুত লোকসকলৰ অসন্তুষ্টিক মূলধন হিচাপে লৈ যাতে অসমৰ ভাষা সংস্কৃতিৰ ক্ষতি হোৱাকৈ অনাহক আন্দোলনৰ খেলা খেলিবলৈ দুষ্টবুদ্ধিৰে প্ৰণোদিত নহয়।

**অসমীয়া বিশ্বকোষ ঃ**

অসমীয়া ভাষাত এখন বিশ্বকোষ প্ৰণয়নৰ বাবে অসম সাহিত্য সভাই অসম চৰকাৰৰ ওচৰত আৱশ্যকীয় তথ্যপাতি আৰু খৰচৰ আনুমানিক হিচাপৰ সৈতে এখন

বিশদ আঁচনি দাখিল কৰিছে ; পিচে অসম চৰকাৰৰপৰা এতিয়ালৈকে আশাৰ ৰেঙনি দেখুৱাব পৰা একো সমিধান নোপোৱাত আঁচনিৰ ভৱিষ্যত অনিশ্চিত হৈ আছে। অসম চৰকাৰে বৰ্ত্তমান বিত্তীয় বছৰতে প্ৰাৰম্ভিক কামৰ বাবে কিছু আৰ্থিক অনুদান দি ভৱিষ্যতে প্ৰতি বছৰে আৱশ্যকীয় অনুদান দিয়াৰ বিষয়ে সক্ৰিয় মনোযোগ দিব বুলি আমি আশা কৰিছোঁ।

**প্ৰাচ্যবিদ্যা বিশ্ব সম্মিলন :**

যোৱা জানুৱাৰী মাহৰ ৪ তাৰিখৰপৰা ১০ তাৰিখলৈকে সাতদিন জুৰি দিল্লী নগৰীত প্ৰাচ্যবিদ্যা বিশ্ব সম্মিলনৰ ষড়বিংশ অধিবেশন সমাৰোহেৰে হৈ যায়। এই অধিবেশনত এহেজাৰমান ভাৰতীয় প্ৰতিনিধিৰ বাহিৰেও ভাৰতৰ বাহিৰৰ প্ৰায় পঞ্চাশখনমান দেশৰ পাঁচশমান প্ৰতিনিধিয়ে যোগ দিছিল। দহোটা শাখাত বিভক্ত অধিবেশন খনৰ 'ইণ্ডোলজি' বা ভাৰত বিষয়ক শাখা আকৌ পাঁচোটা উপশাখাত বিভক্ত হৈছিল। অসমৰ দহজন প্ৰতিনিধিয়ে এই অধিবেশনত যোগ দিয়ে, তাৰে কেবাজনেও অসমৰ বিষয়ে কেইবাটাও মূল্যবান প্ৰবন্ধ পাঠ কৰে।

**গুণীৰ সমাদৰ :**

গুৱাহাটী বিশ্ববিদ্যালয়ে বিশ্ববিদ্যালয়ৰ ভূতপূৰ্ব্ব উপাচাৰ্য্য মনীষী শ্ৰীকৃষ্ণকান্ত সন্দিকৈদেৱ আৰু বয়োজ্ঞানবৃদ্ধ ঋষিকল্প পুৰুষ শ্ৰীৰাধানাথ ফুকনদেৱক সন্মানসূচক ডক্টৰেট উপাধিৰে বিভূষিত কৰি গুণীৰ সমাদৰ কৰাৰ ৰীতি প্ৰবৰ্ত্তন কৰাত সকলোৰে প্ৰশংসাৰ পাত্ৰ হৈছে। অসম সাহিত্য সভায়ো এনে সন্মান দিব পাৰে নেকি বিবেচনা কৰা বাঞ্ছনীয়।

**সাহিত্য অকাডেমিৰ ৰাষ্ট্ৰীয় বঁটা :**

যোৱা বছৰৰ দৰেই এই বছৰো অসমীয়া সাহিত্য ৰাষ্ট্ৰীয় বঁটাৰপৰা বাদ পৰিল। অসমীয়া সাহিত্যত যদি যোৱা দুবছৰে শ্ৰেষ্ঠ ৰচনা প্ৰকাশ হোৱা নাই, তেনেহলে আত্ম-সন্তুষ্টিতকৈ আত্মগ্লানিৰ প্ৰসঙ্গহে প্ৰবল হোৱা উচিত। যদি বাছনিৰ ক্ষেত্ৰত কিবা আসোঁৱাহৰ বাবেহে মূৰকত কোনো গ্ৰন্থ বাছনিত উঠা নাই, তেনেহলে অসমীয়া সাহিত্য আৰু সাহিত্যিক কাৰো পক্ষে নিশ্চয় মঙ্গলজনক নহয়।

**শ্ৰদ্ধাঞ্জলি :**

শ্ৰীশ্ৰীহৰিদেৱ গোস্বামী দক্ষিণপাটীয় সত্ৰাধিকাৰে অলপতে বৈকুণ্ঠপ্ৰয়াণ কৰিছে। এইজনা ধৰ্ম্মপ্ৰাণ সাহিত্য-সঙ্গীতপ্ৰিয় ধৰ্ম্মগুৰুৱে অসমৰ শিক্ষা আৰু সাহিত্যৰ প্ৰসাৰৰ ক্ষেত্ৰত আশাতীয়া ভাৱে অৰিহণা যোগাইছিল। যোৰহাট জগন্নাথ বৰুৱা কলেজৰ "হৰিদেৱ বিজ্ঞান-মন্দিৰ" এখেতৰ দানেৰেই সমৃদ্ধ। অসম সাহিত্য সভাৰ "নৰদেৱ ন্যাস পুঁজি"ও বৈকুণ্ঠগামী অধিকাৰ জনাৰ দানেৰেই স্থাপিত। অসমৰ এই ধৰ্ম্মগুৰুজনাৰ বৈকুণ্ঠপ্ৰয়াণ উপলক্ষে আমি ভক্তিৰ অঞ্জলি অৰ্পণ কৰিছোঁ।

**ভেৰিয়াৰ এলুইন :**

অসমৰ লগতে কৌটিকলীয়া সম্বন্ধেৰে বান্ধখাই থকা উত্তৰ-পূব সীমান্ত অঞ্চলৰ জনসাধাৰণক সুকীয়াকৈ ৰখা "নেফাৰ দৰ্শন" নামে খ্যাত দৰ্শনৰ স্ৰষ্টা ভেৰিয়াৰ এলুইনৰ অলপতে মৃত্যু ঘটিছে। নৃতত্ত্ববিদ্ আৰু ভাৰতৰ জনজাতীয় লোকৰ জীৱনবুৰঞ্জীত অভিজ্ঞ আন্তৰ্জ্জাতিক খ্যাতি সম্পন্ন এই পণ্ডিতজনে ভাৰত চৰকাৰক অতদিনে নেফাৰ সমাজ সংস্কাৰৰ বিষয়ে নিজৰ উপদেশেৰে মুগ্ধ কৰি ৰাখিছিল। সমাজ বিজ্ঞানৰ ব্যাখ্যাতা এলুইনৰ মৃত্যুত আমি সমবেদনা জ্ঞাপন কৰিছোঁ।



ধন্যা ভাৰতভূৰ্যেন ৰসুধা সমলঙ্কৃতা।
তস্মৈ ৱিদ্যাৰৱিষ্ঠায় জৱাহৰায় বৈ নমঃ।।

# সূচীপত্ৰ


| বিষয় | লেখক | পৃষ্ঠা |
|---|---|---|
| ১। কবীৰ-পৰিচিতি | শ্ৰীআনন্দচন্দ্ৰ বৰুৱা | ১ |
| ২। বৈদিক যুগৰ ধৰ্ম্ম আৰু দৰ্শন | শ্ৰীসদানন্দ চলিহা | ৫ |
| ৩। আধুনিক অসমীয়া প্ৰেমৰ কবিতা আৰু প্ৰেমিক কবি | শ্ৰীঅতুলচন্দ্ৰ বৰুৱা | ১৭ |
| ৪। তাসমীয়া লোকাচাৰ : সাথ আৰু আমতী | শ্ৰীপ্ৰমোদচন্দ্ৰ ভট্টাচাৰ্য্য | ৩৩ |
| ৫। তীৰ্থ ভ্ৰমণ : কেদাৰ-বদৰী | ৺প্ৰতাপচন্দ্ৰ গোস্বামী বিদ্যাভূষণ | ৩৭ |
| ৬। কাৰ্য্য-নিৰ্ব্বাহক সমিতিৰ বিৱৰণ | প্ৰধান সম্পাদক | ৪৮ |
| ৭। পুথি পৰিচয় | | ৫১ |
| ৮। সম্পাদকীয় | | ৫২ |


---


নং ২১৩৭/৩৮/৩১ (ক)
তাং ২/৩/২০০১